বৰেণ্য ব্যক্তি আৰু ব্যক্তিত্ব

বাণীকান্ত গোস্বামী

PASCHIM GUWAHATI
MAHAVIDYALAYA
Amrit Bharali Path
Dharapur, Guwahati-781017
LIBRARY
Class No. 920
Book No. GOS
Acc No. 37128

বৰেণ্য ব্যক্তি আৰু ব্যক্তিত্ব

B.C.B.L
37128

বাণী কান্ত গোস্বামী

Procured With
RUSA Grant

পাঞ্চজন্য

পাঞ্চজন্য প্রিন্টিং এণ্ড পাব্লিচিং
পাণবজাৰ, গুৱাহাটী-০১

Paschim Guwahati Mahavidyalaya
Guwahati-17
Dharapur Charigali
37128

সূচীপত্র

শিক্ষা

- শিক্ষাবিদ শৰৎ চন্দ্ৰ গোস্বামী ৯

ধৰ্ম আৰু আধ্যাত্মিকতা

- স্বামী বিবেকানন্দ ১৩

সংগীত

- লতা-সুৰীয়া লতা — এটি স্কেছ ১৮

প্ৰশাসন

- কিৰণ বেদী-এটি আদৰ্শৰ দূৰন্ত যাত্ৰা ২১

সংস্কৃতি আৰু ৰাজনীতি

- বিষ্ণু প্ৰসাদ ৰাভা ২৪

চিত্ৰশিল্প

- কাৰ্টুনিষ্ট আৰ. কে. [illegible]

গণিত আৰু অৰ্থনীতি

- জন নাছ- এ বিউটিফুল মাইণ্ডৰ আঁৰৰ মানুহজন ৩[illegible]

বিজ্ঞান আৰু দেশসেৱা,

- মহামান্য এ.পি.জে. আব্দুল কালাম ৩৫

প্রযুক্তি

- আকিও মোৰিটা ৪২

সাহিত্য

- লক্ষ্মীনাথ বেজবৰুৱা ৪৭
- প্ৰেমচান্দ ৫০
- মুল্ক ৰাজ আনন্দ ৫৫
- পাওলো কোৱেলহো ৫৮

বিজ্ঞান

- হোমী জাহাঙ্গীৰ ভাৱা ৬১
- ছাৰ চি.ভি. ৰমণ ৬৪
- সত্যেন্দ্ৰ নাথ বসু ৬৮
- জগদীশ চন্দ্ৰ বসু ৭৩
- মেৰী কুৰী ৭৬
- ফ্ৰেডেৰিক্ জুলিয়ৎ কুৰী ৮০
- জন বেয়ার্ড ৮৪
- লাইচ মেইটনাৰ ৮৮
- ৰবার্ট বয়েল ৯১
- নিকোলাচ কোপার্নিকাছ ৯৪
- লিউয়েন হুক ৯৭
- লিণ্ডনার্ডো-দা-ভিন্সি ১০০
- ভেংকটৰমন ৰামকৃষণ ১০৩

Gauhati Mahavidyalaya Library Guwahati-7 Date Dhirendra Chandra

শিক্ষা

শিক্ষাবিদ শৰৎ চন্দ্ৰ গোস্বামী

শৰৎ চন্দ্ৰ গোস্বামী অসমৰ শিক্ষা জগতৰ এজন নামজ্বলা লোক আৰু সাহিত্যিক আছিল। শৰৎ গোস্বামীৰ জন্ম হয় ১৮৮৭ চনৰ ১২ মে'ত নলবাৰী চহৰত। তেওঁৰ পূৰ্বপুৰুষসকল শ্ৰীশ্ৰী চৈতন্যদেৱৰ নামধৰ্ম প্ৰচাৰৰ নিমিত্তে অসমলৈ আহিছিল। তেওঁৰ দেউতাকৰ নাম আছিল ললিত চন্দ্ৰ গোস্বামী আৰু মাকৰ নাম মুকুন্দ প্ৰিয়া। দেউতাক সংস্কৃতত অগাধ পণ্ডিত আছিল। তেওঁ সদাচাৰী আৰু মিষ্টভাষী আছিল বাবে আটাইৰে প্ৰিয় আছিল। মাকো বৰ অতিথিপৰায়ণা আৰু ঈশ্বৰ ভক্ত আছিল। মাক-দেউতাকৰ আটাইবোৰ গুণ শৰৎ চন্দ্ৰ গোস্বামীয়ে পাইছিল। তেওঁক চহৰৰ ডেকা আৰু আদহীয়া মানুহবোৰে 'চানাবাপা' নামেৰে মাতিছিল। ল'ৰালিকালত শৰৎ চন্দ্ৰৰ আচাৰ-ব্যৱহাৰ বৰ মধুৰ আছিল।

শৈশৱত শৰৎ চন্দ্ৰ গোস্বামীক ঘৰতে এজন গৃহশিক্ষকে পঢ়াইছিল আৰু প্ৰাথমিক শিক্ষা ঘৰতে সম্পূৰ্ণ কৰিছিল। তাৰ পিছত ঘৰৰ পৰা এক মাইল দূ�ৰৰ মজলীয়া স্কুল এখনত তেওঁক নাম লগাই দিয়া হয়। বুদ্ধি-বৃত্তিত বৰ চোকা শৰৎ চন্দ্ৰই মজলীয়া পৰীক্ষাত অসম উপত্যকাৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয়। ছাত্ৰ-বৃত্তি লৈ তেওঁ এইবাৰ গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত নামভৰ্তি কৰে।

হাইস্কুলত থাকোঁতেই শৰৎ চন্দ্ৰ গোস্বামীয়ে সৰু সৰু কাহিনী লিখিছিল। তেওঁ সমনীয়া ল'ৰাবোৰৰ সৈতে লগ লাগি 'অংকুৰ' নামেৰে এখন হাতেলিখা আলোচনীও উলিয়াইছিল। খেলা-ধূলাতো শৰৎ গোস্বামী আগবঢ়া আছিল। তেওঁ স্কুলৰ নীতি-শিক্ষাৰ শ্ৰেণীবোৰতো আগ-ভাগ লৈছিল। নৌকা চালনাতো তেওঁ পাৰ্গত আছিল।

১৯০৪ চনত শৰৎ চন্দ্ৰ গোস্বামী এণ্ট্ৰেন্স পৰীক্ষাত প্ৰথম বিভাগত

উত্তীর্ণ হয়। পৰীক্ষাৰ সফলতাত তেওঁ সোণ আৰু ৰূপৰ তিনিটা পদক আৰু ছাত্রবৃত্তি পায়।

এই সময়তে শৰৎ চন্দ্ৰৰ শ্ৰীমতী ভুৱনেশ্বৰী দেৱীৰ সৈতে বিবাহ সম্পন্ন হয়। দুবছৰ পাছত তেওঁ গুৱাহাটীৰ কটন কলেজৰ পৰা এফ. এ. পৰীক্ষাত উত্তীর্ণ হয়। অসমীয়া পৰীক্ষার্থীসকলৰ ভিতৰত শৰৎ চন্দ্ৰই প্ৰথম আছিল। এফ. এ. পঢ়ি থাকোঁতেই তেওঁ 'পানীপথ' নামেৰে এখন উপন্যাস লিখে।

তাৰ পিছত শৰৎ চন্দ্ৰই বি. এ. পঢ়িবলৈ কলিকতা (বর্তমান কলকাতা) লৈ যায়। তাত তেওঁ মেট্ৰ'পলিটান কলেজ (বর্তমানৰ বিদ্যাসাগৰ কলেজ) অত নামভর্তি কৰে। বি. এ.ত তেওঁ সফলতাৰে উত্তীর্ণ হৈ সংস্কৃততে এম. এ. পঢ়িবলৈ মন মেলে। ছাত্র-বৃত্তিৰ টকা তেওঁৰ বাবে যথেষ্ট নাছিল। সেয়ে কলিকতাত তেওঁ নগেন্দ্ৰ প্ৰিণ্টিং ৰ্কছত অংশকালীন কামত প্ৰবৃত্ত হয়। পৰিশ্ৰম তেওঁ সহিব নোৱৰাত স্বাস্থ্য ভাগি পৰে। সেয়ে তেওঁ এম. এ সম্পূর্ণ নকৰাকৈ ঘৰলৈ ঘূৰি আহে।

অসমলৈ ঘূৰি আহি কিছুদিন পিছত তেওঁ চাকৰিত সোমায়। তেওঁ নগাঁৱৰ শিক্ষা বিভাগত ডেপুটি ইন্সপেক্টৰ হিচাপে যোগদান কৰে। নগাঁৱৰ পাছত মঙ্গলদৈত তেওঁ কিছু বছৰ কার্যনির্বাহ কৰে। তেওঁ তাত শিক্ষকসকলৰ এক সংগঠন গঢ়ি তোলে।

ইয়াৰ পিছত তেওঁ ঢাকাত বি.টি. পঢ়িবলৈ যায়। বি. টি. পৰীক্ষাতো তেওঁ সুখ্যাতিৰে প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উত্তীর্ণ হয়। ঢাকাৰ পৰা উভটি অহাৰ পাছত তেওঁক শিক্ষা বিভাগৰ সহকাৰী ইন্সপেক্টৰৰ পদ যচা হয়। যোৰহাটত যোগদান কৰি তেওঁ স্কুলবিলাকৰ এখন টুর্ণামেণ্ট খেল পাতি শৃঙ্খলাৱদ্ধভাৱে পৰিচালনা কৰে। তেওঁৰ সুনাম বৃদ্ধি পায়।

শৰৎ চন্দ্ৰ গোস্বামীৰ কার্যদক্ষতাত মুগ্ধ হৈ চৰকাৰে তেওঁক নর্মাল স্কুলৰ অধ্যক্ষ পদ যাছে। অধ্যক্ষ হৈ তেওঁ নর্মাল স্কুলখনক যোৰহাটৰ বহু অনুষ্ঠানৰ প্ৰাণকেন্দ্ৰ কৰি তোলে। তেওঁৰ দক্ষতাত আটায়ে মুগ্ধ হয়। সেই সময়ত তেওঁ 'বহু শ্ৰেণীৰ শিক্ষাপ্ৰণালী' নামৰ এখন শিক্ষামূলক কিতাপ লিখে। কিতাপখনে শিক্ষণ প্ৰণালীত বহু সহায় আগবঢ়ায়। শৰৎ চন্দ্ৰ গোস্বামী 'অসম শিক্ষক সন্মিলনী'ৰো জন্মদাতা আছিল।

সেই দিনত স্কুলীয়া পাঠ্যপুথিৰ বৰ অভাৱ আছিল। শৰৎ চন্দ্ৰই

সহকর্মীসকলক উৎসাহ দি জ্যামিতি, ভূগোল, বুৰঞ্জী, বিজ্ঞান আদি বিষয়ৰ ওপৰত কিতাপ লিখাইছিল। নিজেও 'মহাসমৰ,' 'ভূগোলপাঠ' আদি পাঠ্যপুথি লিখি কিতাপৰ অভাৱ আঁতৰাইছিল। শিক্ষা সম্পর্কীয় বহু প্ৰৱন্ধ-পাতিও তেওঁ বিভিন্ন আলোচনী আদিত লিখিছিল।

১২ বছৰ নর্মাল স্কুলত অধ্যক্ষতা কৰাৰ পাছত তেওঁ শিক্ষা বিভাগৰ 'স্পেচিয়েল অফিচাৰ' হিচাপে নিযুক্তি পায়। শিক্ষা সম্বন্ধে এখন যোজনা বাহিৰ কৰি তেওঁ 'প্ৰাথমিক শিক্ষা বোর্ড'ক সেই অনুসাৰে চলিবলৈ উদ্বুদ্ধ কৰিছিল। আজিও সেই যোজনা শিক্ষা বোর্ডত সংৰক্ষিত হৈ আছে। তেওঁ ছাত্র-ছাত্রীৰ সহায়ৰ বাবে এখন 'চলন্ত পুস্তকালয়ো' খুলিছিল। এলানি শিশু সাহিত্যৰ পুথিও তেওঁ চৰকাৰৰ সাহায্য লৈ প্ৰকাশ কৰি উলিয়াইছিল। অসমত বিশ্ববিদ্যালয় স্থাপনত শৰৎ চন্দ্ৰৰ বহুমূলীয়া বৰঙনি সকলোৱে সোঁৱৰে।

চৰকাৰী চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত ১৯৪৪ চনত তেওঁ উদয়পুৰৰ 'ঐতিহাসিক ৰেকর্ডচ আয়োগ'ৰ সভাত অসমৰ প্ৰতিনিধি হিচাপে যোগদান কৰে। তাত তেওঁ 'উমানন্দ দেৱালয়ৰ বাবে ঔৰংজেৱৰ ভূমিদান' নামৰ নিজৰ এটা প্ৰৱন্ধ পাঠ কৰি ভূয়সী প্ৰশংসা লাভ কৰে। উভতি আহোঁতে ভাৰতৰ কেবাখনো তীর্থস্থান দর্শন কৰে।

শৰৎ চন্দ্ৰ গোস্বামীয়ে 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' আৰু 'চন্দ্ৰকান্ত অভিধান' প্ৰণয়নত যথেষ্ট আগভাগ লৈছিল। প্ৰাদেশিক মিউজিয়াম স্থাপনতো তেওঁৰ যথেষ্ট বৰঙনি আছিল। নলবাৰীৰ সংস্কৃত কলেজ স্থাপনত তেওঁ আগবঢ়োৱা সহায় সকলোৱে উচ্চস্বৰেৰে প্ৰশংসা কৰে।

শৰৎ চন্দ্ৰ গোস্বামী যে এজন শিক্ষাবিদেই আছিল এনে নহয়, সাহিত্যক্ষেত্ৰতো তেওঁ সুনাম ৰাখি থৈ গৈছে। অসম সাহিত্য সভাৰ সন্মিলনসমূহত তেওঁৰ ফালৰ পৰা যথেষ্ট সহযোগিতা আগবঢ়াইছিল। তেওঁৰ ৰচনাৰাজিৰ ভিতৰত— 'কচুপাত', 'মইনা', 'সামান্য প্ৰাণী', 'অন্তৰ অৱস্থা', 'মানুহৰ সৃষ্টি', 'পৰীক্ষা আৰু বুদ্ধদেৱ' (নাটক), 'পানীপথ' (উপন্যাস) ইত্যাদি প্ৰধান। তেওঁ আন বহুতো ঐতিহাসিক আৰু গৱেষণামূলক প্ৰৱন্ধ বিভিন্ন পত্রিকাত লিখি থৈ গৈছে।

১৯৪৪ চনৰ ১৯ ডিচেম্বৰত শৰৎ চন্দ্ৰ গোস্বামীয়ে ইহলীলা সম্বৰণ কৰে। শেষ সময়ত তেওঁক বিখ্যাত ডাঃ বিধান চন্দ্ৰ ৰায়েও চিকিৎসা কৰিছিল।

কিন্তু মৃত্যু ৰুধিব নোৱাৰিলে।

যিয়েই নহওক শৰৎ চন্দ্ৰ গোস্বামী এজন সফল শিক্ষাবিদ আছিল। তেওঁ শিক্ষাত আধুনিক মনোবৈজ্ঞানিক বিধি প্ৰয়োগ কৰিছিল। শিক্ষা ব্যৱস্থাৰ পুৰণি প্ৰথা তেওঁ আঁতৰাই পঠাইছিল। অত্যন্ত কঠিন বিপদৰ সময়তো তেওঁ হতাশ নহৈছিল। আধুনিক অসম গঢ়াত তেওঁৰ অৱদান আমি কেতিয়াও পাহৰিব নোৱাৰো।

ধৰ্ম আৰু আধ্যাত্মিকতা

স্বামী বিবেকানন্দ

স্বামী বিবেকানন্দ ভাৰতমাতাৰ এজন সুযোগ্য সন্তান। আধ্যাত্মিক সত্ত্বাৰে পৰিপূৰ্ণ এইজন ভাৰতৰ সুযোগ্য সন্তানৰ জন্ম হয় ১৮৬৩ চনৰ ১২ জানুৱাৰীত কলিকতা (বৰ্তমান কলকাতা)ৰ ওচৰৰ শিমুলিকা নামৰ এখন গাঁৱত। পিতৃৰ নাম বিশ্বনাথ দত্ত আৰু মাতৃৰ নাম ভুৱনেশ্বৰী দেৱী। দেউতাক হাইকোৰ্টৰ এজন উকীল আৰু বৰ ধৰ্মপৰায়ণ লোক আছিল। বিবেকানন্দৰ জন্মকুণ্ডলীমতে নাম আছিল নৰেন্দ্রনাথ দত্ত।

স্বাধীনতাপ্ৰিয়, নিৰ্ভীক, দৃঢ়চেতা, সদা প্ৰফুল্ল আৰু খেলা-ধূলাত তন্ময় হৈ থকা নৰেন্দ্রনাথৰ মাজত ল'ৰাকালিৰ পৰাই এটা বিশেষ শক্তিৰ বিকাশ দেখা গৈছিল। পাঁচ বছৰ বয়সত নৰেন্দ্রৰ বিদ্যাৰম্ভ হয় আৰু ছবছৰ বয়সত তেওঁ প্ৰাইমাৰী স্কুলত ভৰ্তি হয়। ৭ বছৰ বয়সত নৰেন্দ্রনাথক কলকাতাৰ মেট্ৰ'পলিটান ইন্সিটিউটত ভৰ্তি কৰি দিয়ে। শৰীৰ তেওঁৰ বৰ বলিষ্ঠ আছিল আৰু ভয় কাক কয় নাজানিছিল। বয়স বঢ়াৰ লগে লগে নৰেন্দ্রই জিমনাষ্টিক, তৰোৱাল চলোৱা, কুস্তি, লাঠীচালনা, ফুটবল, সাঁতোৰ আৰু ঘোঁৰা চলোৱাত পাৰ্গত হৈ উঠিছিল।

১৪ বছৰ বয়সত বায়ু পৰিবৰ্তনৰ বাবে মধ্যপ্ৰদেশৰ ৰায়পুৰলৈ গৈ ইতিহাস, সাহিত্য আদি দেউতাকৰ তলত পঢ়ে। বহু বিষয়ত গভীৰ জ্ঞান অৰ্জন কৰি আত্মবিশ্বাসী হৈ পৰে। কলকাতালৈ আহি এণ্ট্ৰেন্স ক্লাছত ভৰ্তি হয় আৰু প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে।

ইয়াৰ পিছত তেওঁ প্ৰথমে কলকাতাৰ প্ৰেছিডেন্সী কলেজত আৰু তাৰ পিছৰ বছৰত জেনেৰেল এচেম্ব্লিজ ইন্সিটিউটত ভৰ্তি হয়। তাৰ পৰা তেওঁ আই. এ পাছ কৰে। এইখিনি সময়তে তেওঁ পাশ্চাত্য দাৰ্শনিক মিল, হিউম,

হাৰবার্ট স্পেন্সাৰ প্রভৃতিৰ চিন্তাৰ সৈতে পৰিচয় হয়। তেওঁ শ্যেলী আৰু ভাৰতীয় কবিসকলৰ লেখাৰ লগতো পৰিচয় হয় আৰু ব্রাহ্মসমাজলৈ যাতায়াত আৰম্ভ কৰে।

১৮৮১ খৃঃৰ নৱেম্বৰ মাহত তেওঁ আধ্যাত্মিক গুৰু শ্রীশ্রী ৰামকৃষ্ণদেৱৰ লগত মিলিত হয়। শ্রীৰামকৃষ্ণই যুৱক নৰেন্দ্রনাথৰ প্রাণত ভৱিষ্যত দ্রষ্টাৰ আভাস পাই তেওঁক দক্ষিণেশ্বৰ কালী মন্দিৰলৈ আহ্বান কৰে।

সেই বছৰৰে ডিচেম্বৰ মাহত নৰেন্দ্রনাথ বন্ধু-বান্ধৱৰ সৈতে কালী মন্দিৰত প্রৱেশ কৰে। শ্রীৰামকৃষ্ণই যুৱকক দেখি চমকি উঠে আৰু হাতযোৰ কৰি কান্দি কান্দি ক'বলৈ ধৰে, "জানো প্রভু, তুমিয়েই সেই পুৰাতন ঋষি, নৰৰূপী নাৰায়ণ, প্রাণীৰ দুর্গতিনাশৰ বাবে পুনৰাই শৰীৰ ধাৰণ কৰিছা।" নৰেন্দ্রনাথ শ্রীঠাকুৰৰ এই আচৰণত বিস্মিত হয় যদিও তেওঁৰ তালৈ অহা-যোৱাটো অব্যাহত ৰাখে।

১৮৮২ চনত তেওঁ বি. এ. পাছ কৰে। কিছুদিন পাছতেই দেউতাকৰ মৃত্যু হোৱাত সংসাৰৰ জ্বালা-যন্ত্রণাই নৰেন্দ্রনাথক আগুৰি ধৰে। জমাৰ ভঁৰাল শূন্য কৰি থৈ যোৱা দেউতাকৰ ঘৰখন মহাসংকটত পৰে। নৰেন্দ্রনাথে চাকৰি বিচাৰি হতাশ যেন হৈ পৰে। অৱশেষত যেন ঈশ্বৰৰ আশীর্বাদত তেওঁ শিক্ষকতাৰ কাম এটা যোগাৰ কৰে। কিন্তু গুৰু ৰামকৃষ্ণৰ প্রভাৱত দিনে দিনে সংসাৰৰ প্রতি ৱৈৰাগ্য ভাৱ তেওঁৰ বাঢ়ি যায়। ৰামকৃষ্ণ পৰমহংসৰ কালী মন্দিৰতে বেছি সময় কটাব ধৰে। তেওঁৰ প্রাণত ভগৱৎ প্রেমৰ দিব্যপ্রকাশ মূর্তিমান হৈ দেখা দিয়ে। ১৮৮৬ চনৰ ১৬ আগষ্টত ৰামকৃষ্ণৰ দেহাৱসান হোৱাত কিছুদিন পিছতেই সন্ন্যাস গ্রহণ কৰি বিবেকানন্দ নাম ধাৰণ কৰে। গুৰু ভাইসকলক দীক্ষা দিয়া আদি কাম তেওঁৰ ওপৰতেই ন্যস্ত হয়।

১৮৮৮ খৃঃত তেওঁ পৰিব্রাজকৰূপে উত্তৰ ভাৰতৰ বহু তীর্থস্থান ভ্রমণ কৰে। উত্তৰ ভাৰতৰ একাংশ পর্যটনৰ সময়তেই তেওঁৰ সন্মুখত প্রাচীন বর্তমান আৰু ভৱিষ্যতৰ ভাৰতৰ ৰূপ উদ্ভাসিত হৈ উঠে। আৰু লগে লগে তেওঁৰ দৃষ্টিৰ সন্মুখত ভৱিষ্যত বিশ্বমানৱতাৰ নৱদিগন্ত প্রতিভাত হয়। তেওঁৰ অন্তৰত সেই সনাতন বৈদিক ভাৰত— সেই দ্রাবিড়, আর্য্য আৰু বিভিন্ন সভ্যতাৰ মিলনভূমি — সাম্য, মৈত্রী আৰু স্বাধীনতা আছিল যি সভ্যতাৰ মর্মবাণী-সেই আর্য ভাৰত— বিশ্বমানৱতাৰ জন্মভূমি সেই ভাৰত জাগ্রত হৈ উঠে।

সন্ন্যাসত দীক্ষান্ত লৈ এজন সম্পূর্ণ ঋষি-সন্ন্যাসীৰ দৰে তেওঁ কেবাবাৰো ভাৰত পর্যটনলৈ যায়। আগৰ কেইবাৰ তেওঁ গুৰুভাইসকলৰ সৈতে ভ্রমণ কৰিছিল। কিন্তু ১৮৯১ চনৰ জানুৱাৰীত তেওঁ অকলেই পর্যটনলৈ ওলাই যায়। প্রায় ২ (দুই) বছৰ ধৰি তেওঁ অকলে ভ্রমণ কৰে। দিনে দিনে মহাভাৰতৰ বাস্তৱৰূপ তেওঁৰ অন্তৰত উদ্ভাসিত হৈ উঠে। তেওঁ দেখিলে মানুহৰ ভিতৰৰ আত্মা কি ধৰণে বিক্ষুব্ধ আৰু ক্লিষ্ট হৈ আছে। ভাৰতৰ জনসাধাৰণৰ কৰুণ আর্তনাদে তেওঁৰ মর্মস্থলীক আলোড়িত কৰে। তেওঁ যদিও সাধাৰণ সন্ন্যাসী হৈয়েই গৈছিল, কিন্তু তেওঁ য'লৈকে গৈছিল বিদ্বান অথবা সৰল-মূর্খসকলৰ আটায়ে তেওঁক অসাধাৰণ বুলিয়েই জানিছিল। গাঁও-নগৰ, উচ্চ-নীচ, ধনী-দৰিদ্র আৰু বঞ্চিত-সর্বহাৰাসকলৰ দুখ-বেদনা, আশা-আকাঙ্খা, ভাল-বেয়াৰ সৈতে তেওঁ এক হৈ গৈছিল। তদুপৰি বেদনাক্লিষ্ট মানৱৰ সকৰুণ আর্তনাদ তেওঁৰ অন্তৰত প্রতিধ্বনিত হ'ব ধৰিলে। তেওঁ য'লৈকে গৈছিল তাতেই যুৱকসকলক বেদ-বেদান্ত আদি শ্রেষ্ঠ ধর্মগ্রন্থ পঢ়িবলৈ উৎসাহিত কৰিছিল। জনসাধাৰণৰ উন্নয়ন আৰু দৰিদ্র প্রজাসকলৰ দাৰিদ্র মোচন আৰু শিক্ষাৰ ব্যৱস্থা কৰিবলৈ ৰজা-মহাৰজাসকলক নিয়োজিত কৰিছিল। তেওঁৰ বেদান্ত ভাষণ শুনিবলৈ ৰজা-মহাৰজাৰ পৰা যুৱক-যুৱতী শিক্ষার্থীয়ে আহি ভীৰ কৰিছিল। এনেতে তেওঁ ১৮৯৩ চনৰ ১১ ছেপ্টেম্বৰত আমেৰিকাৰ চিকাগোত হ'বলগীয়া বিশ্ব ধর্মীয় সম্মিলনৰ বতৰা পায়। তেওঁ লগে লগে হিন্দু ধর্মৰ সন্ন্যাসী হিচাপে এই সম্মিলনত যোগদানৰ বাবে মন স্থিৰ কৰে। ১৮৯৩ চনৰ ৩১ মে'ত তেওঁ বোম্বাই (বর্তমান মুম্বাই)ৰ পৰা জাহাজেৰে আমেৰিকালৈ যাত্রা কৰে। কানাডাৰ বন্দৰত অৱতৰণ কৰি ৩০ জুলাইত চিকাগোত উপনীত হয়। আমেৰিকাত তেওঁ এগৰাকী সহৃদয় মহিলাৰ আলহী হৈ থাকোঁতেই হার্ভার্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক মিঃ জে. এইচ. ৰাইটৰ সৈতে পৰিচয় হয়। উভয়ৰ বার্তালাপত অধ্যাপকজন তৰুণ সন্ন্যাসীজনৰ প্রতিভাত এনেদৰে মুগ্ধ হয় যে তেওঁ লগে লগে এখনি পৰিচয় পত্রৰ সৈতে স্বামী বিবেকানন্দক ধর্মীয় সম্মিলনৰ প্রতিনিধি হিচাপে সভাপতিৰ ওচৰলৈ পঠাই দিয়ে।

১৮৯৩ খ্রীঃৰ ১১ ছেপ্টেম্বৰ, সোমাবাৰ, পৃথিবীৰ ধর্ম-ইতিহাসৰ এটি উৎকৃষ্ট দিন। মহাসভাৰ পূর্ণ প্রস্তুতিৰ মাজত সোমবাৰে সময় ১০ বজাত চিকাগোৰ নৱনির্মিত 'আর্ট ইন্সিটিউটৰ' 'কলম্বাচ হল'ত বিশ্ব ধর্ম সম্মিলনৰ

অধিবেশন আৰম্ভ হ'ল। তাত খৃষ্টধর্মৰ বিভিন্ন শাখাৰ উপৰিও ইহুদী, জৈন, হিন্দু, বৌদ্ধ, চীনৰ কনফিউচিয়াচ ধর্ম, জাপানৰ পিণ্টো ধর্ম, ইছলাম আৰু ভাৰতৰ ব্রাহ্মসমাজৰ প্রতিনিধিসকল উপস্থিত আছিল। এই দিনটো আছিল এটা স্মৰণীয় দিন। প্রাচ্য আৰু পাশ্চাত্যৰ মিলনৰ দিন, বিশ্বমানৱতা প্রতিষ্ঠাৰ দিন। বিবেকানন্দই সভাত আমেৰিকাবাসী ভাই আৰু ভনীসকল বুলি সম্বোধন কৰি এটা চমু ভাষণ দিলে। তেওঁ ক'লে— "যি ধর্মই পৃথিবীক চিৰকাল সমদর্শন আৰু সকলোবিধ মত গ্রহণৰ বিষয়ে শিক্ষা দি আহিছে, যি জাতিয়ে পৃথিবীৰ সকলো ধর্ম আৰু জাতিৰ ত্রস্ত, উপদ্রুত আশ্রয়হীন জনগণকে চিৰকাল অকাতৰে আশ্রয় দি আহিছে, মই সেই ধর্ম আৰু জাতিৰ অন্তর্ভুক্ত বুলি নিজকে গৌৰৱান্বিত বোধ কৰো।" তেওঁৰ ভাষণত শ্রোতাবর্গ ইমান অভিভূত হ'ল যে বহুসময়জুৰি জাউৰিয়ে জাউৰিয়ে হাতচাপৰি পৰিল।

ধর্ম সম্মিলনে তৰুণ সন্ন্যাসীক অভিনন্দিত কৰিলে। এদিনতেই তেওঁৰ যশ-খ্যাতি গোটেই আমেৰিকাত বিয়পি পৰিল। আমেৰিকাৰ বিভিন্ন ঠাইত বক্তৃতা দিয়াৰ পিছত সংবাদপত্র 'প্রেছ অৱ আমেৰিকা'ই লিখিলে, "হিন্দু দর্শন আৰু বিজ্ঞানত সুপণ্ডিত, ধর্মগুৰু স্বামী বিবেকানন্দই যেন বিৰাট ধর্মসভাক সম্মোহিত কৰি ৰাখিছিল। সেই মহাসভাত প্রত্যেক খৃষ্টীয়ান চার্চ্চৰ অন্তর্গত ধর্মযাজকসকল উপস্থিত আছিল, কিন্তু স্বামীজীৰ বাগ্মিতাই তেওঁলোকৰ বক্তব্যবিষয় ভহাই নিছিলে। তেওঁৰ জ্ঞানপ্রদীপ্ত সৌম্য মুখমণ্ডল নিঃসৃত বক্তৃতাপ্রবাহত ইংৰাজী গভীৰভাৱে অংকিত কৰি দিছিলে।" আন এজনে লিখিলে, "তেওঁ প্রকৃততেই এজন মহাপুৰুষ। উদাৰ, সৰল আৰু জ্ঞানী।"

আমেৰিকাৰ পৰা তেওঁ মিচ্ মূলাৰ আৰু মিঃ ষ্টার্ডি প্রভৃতি গণ্য-মান্য ব্যক্তিৰ আহ্বানত ইংলেণ্ডলৈ যায় আৰু তাত বেদান্ত দর্শন ব্যাখ্যা কৰে। তিনি মাহ ইংলেণ্ডত থাকি তেওঁ আমেৰিকালৈ উভতে। ১৮৯৬ খৃঃৰ ফেব্রুৱাৰী মাহত নিউয়র্কত তেওঁ বেদান্ত চছাইটি স্থাপন কৰে আৰু নিউয়র্কৰ বিভিন্ন স্থানত বেদান্ত আৰু উপনিষদৰ শিক্ষাৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। আমেৰিকা আৰু উপনিষদৰ শিক্ষাৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। আমেৰিকা আৰু ইংলেণ্ডত বহুতে তেওঁৰ শিষ্যত্ব গ্রহণ কৰে। মিচ মার্গাৰেট ন'বেল নামে এগৰাকী শিষ্যাই হিন্দু ধর্ম গ্রহণ কৰি নিজৰ নাম 'ভগিনী নিবেদিতা' লৈ

সলাই লয়। ১৮৯৭ চনত স্বামী বিবেকানন্দ ভাৰতলৈ উভতি আহে। ভাৰতৰ বিভিন্ন ঠাইত তেওঁক বিশাল সম্বর্ধনা জনোৱা হয়। কলকতালৈ আহি জগতৰ কল্যাণৰ অর্থে ১৮৯৭ চনৰ ১ মে'ইত 'ৰামকৃষ্ণ মিচন' প্রতিষ্ঠা কৰে। ১৮৯৮ চনৰ কালী পূজাৰ দিনা বাগজাৰত 'নিবেদিতা বালিকা বিদ্যালয়' প্রতিষ্ঠা কৰি স্ত্রী-শিক্ষাৰ প্রচাৰত লাগি যায়।

ইয়াৰ পিছত তেওঁ পুনৰ পাশ্চাত্যলৈ যায় আৰু পেৰিচৰ বৃহৎ ধর্ম ইতিহাস সম্মিলনত যোগদান কৰে। ভাৰতলৈ আহি তেওঁ ৰামকৃষ্ণ মিচনৰ জৰিয়তে দীন-দুখীয়াৰ সেৱাত লাগি যায়। কঠিন পৰিশ্রমৰ ফলত স্বামীজীৰ স্বাস্থ্যৰ ক্রমে অৱনতি ঘটে। ১৯০২ চনৰ ৪ জুলাই, বিবেকানন্দই গংগাৰ পাৰৰ বেলুড় মঠত ধ্যানমগ্ন। এই ধ্যানতেই তেওঁ মহাসমাধি লাভ কৰি মৃত্যুবৰণ কৰে।

সংগীত

লতা— সুৰীয়া লতা ঃ এটি স্কেছ

১২ বছৰ আগতে ছেপ্টেম্বৰত জীৱনৰ ৭৫ বছৰ গৰকা লতা মংগেশকাৰ এতিয়াও সংগীতৰ জগতত তেওঁৰ কণ্ঠৰ লালিত্য আৰু মাধুৰ্যৰে এক অন্যতম ব্যক্তিত্বৰে জিলিকি আছে। সংগীতৰ জগতত তেওঁ এতিয়াও কোকিলকণ্ঠী লতা, সুৰীয়া লতা। আজিও সেই একেই মৌ বৰষা কণ্ঠ।

শুভ্ৰ পোছাকেৰে নিজকে আৱৰি ৰখা এই গায়িকাগৰাকীয়ে ভাৰত কিয়, গোটেই পৃথিৱীকে সেই সুধাকণ্ঠৰে আজিও আবিষ্ট কৰি ৰাখিছে। যদিও তেওঁ আগৰদৰে এতিয়া তেনেদৰে গান নাগায়, এই সংগীত সম্ৰাজ্ঞীগৰাকীৰ সুৰীয়া কণ্ঠ এতিয়াও নির্মল আনন্দ আৰু আৱেগৰ এক অদ্ভুত সংমিশ্ৰণ।

১২ বছৰ আগতে প্ৰায় ২৭ বছৰ পিছত গুজৰাটী গান এটাত কণ্ঠ নিবেদন কৰি তেওঁ গুজৰাটী শ্ৰোতাৰ মন মুহিছে। এইটো এটা ভজন— যিটো তেওঁ ৩৫ বছৰ আগেয়ে গাইছিল। তেওঁ কৈছে— "হয়, মই তেতিয়া এইটো গাইছিলোঁ। আনকি মোৰ ভ্ৰাতৃৰ এলবাম 'ৰাম ৰতন ধন পেয়োটো'ত এই ভজনটো সন্নিবিষ্ট কৰা হৈছে।" এই গানটো যিখন ছবিৰ বাবে গ্ৰহণ কৰা হৈছে, তাত 'প্ৰভাতীয়' অর্থাৎ প্ৰভাতী সংগীত হিচাপে ব্যৱহাৰ কৰা হৈছে। কণ্ঠৰ মাধুৰ্য আৰু লালিত্য আগৰদৰেই আছে। সংগীত পৰিচালক পংকজ ভাটৰ মতে "গুজৰাটী সংগীতপ্ৰেমীসকলৰ প্ৰেম আৰু ভালপোৱাৰ চিন স্বৰূপে তেওঁলোকে মহাত্মা গান্ধীৰো প্ৰিয় এই ভজনটোক ছবিখনত তেওঁলোকৰ 'দিদি'ৰ কণ্ঠত প্ৰভাতী সংগীত হিচাপে ৰখাটো বিচাৰিছে।" আজি ৩০-৩৫ বছৰে গুজৰাটী শ্ৰোতাক মোহাচ্ছন্ন কৰি ৰখা লতা মংগেশকাৰ পিছে এগৰাকী মাৰাঠী গায়িকাহে।

গুজৰাটী, মাৰাঠী বা হিন্দী গান এটাত কণ্ঠদান কৰাতেই হওক বা ফাল্কে পুৰস্কাৰৰ দৰে পুৰষ্কৃত যশ চোপ্ৰাৰ কথাছবিত গান গোৱাৰ ক্ষেত্ৰতেই হওক বা প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ কবিতাত সুৰ দিয়াৰ ক্ষেত্ৰতেই হওক, লতা মংগেশকাৰে আজিও তেওঁৰ আৰম্ভণিৰ দিনসমূহৰ দৰে এতিয়াও একেই পৰিশ্ৰম কৰে।

লতা কিছুদিনৰ আগতে বাতৰিৰ শিৰোনামালৈ অহাৰ কাৰণ হ'ল যশ চোপ্ৰাৰ শেহতীয়া ছবি এখনত তেওঁৰ 'ৰাখী বন্ধন ভাতৃ' মদন মোহনে ৰচনা কৰা গানসমূহত কণ্ঠদান কৰাটো। হিন্দী ছবিজগতত মদন মোহন এটা প্ৰখ্যাত নাম। লতাই কৈছে, "মই ব্যক্তিগতভাৱে তেওঁৰ বহু গান শুনিছো। তেওঁৰ সংগ্ৰহৰ পৰা বর্তমান ২০০ সুৰ বাছি লোৱা হৈছে। আৰু এই বাছি লোৱা সুৰসমূহৰ পৰা মাথো ১১ টা গানহে ছবিখনত ব্যৱহৃত হ'ব। মদন মোহনৰ প্ৰতি মোৰ গায়িকা হিচাপে এক বেলেগ আকর্ষণ আছে। আৰু মই সুখী যে তেওঁৰ সেই কালৰ গানসমূহত এতিয়া মই পুনৰ কণ্ঠদান কৰিছোঁ।

লতাই কাৰ গান গোৱা নাই। আমাৰ ভূপেন হাজৰিকাৰ গানৰ পৰা বঙালী সুৰকাৰ হেমন্ত মুখার্জী, শচীন দেৱবর্মনলৈকে।

কিছুদিন আগেয়ে লতাৰ কণ্ঠক ব্যৱহাৰ কৰিছিল ডেকা সংগীত পৰিচালক মথুৰেশ পালে প্ৰাক্তন প্ৰধান মন্ত্ৰীৰ অটল বিহাৰী বাজপেয়ীৰ কবিতাৰ কথাক সুৰ দিয়াত। লতাই কৈছে, "যেতিয়া আপুনি তেওঁৰ কবিতা বা গানবোৰ শুনিব, তেতিয়া আপোনাৰ ভাৱ হ'ব তেওঁ এজন নিঃসঙ্গ যাত্ৰী। বিশেষ মুহূর্ত কিছুমানত আমি যেতিয়া গভীৰভাৱে চিন্তা কৰোঁ আমাক আটাইকে নিঃসঙ্গ যেন লাগে।"

ডেকা সংগীত পৰিচালক অথবা নতুন সংগীতজ্ঞৰ লগত কণ্ঠদান কৰাত তেওঁৰ কিবা দ্বিধাবোধ আছেনে, সোধাত তেওঁ কয়— "তেওঁৰ কোনো দ্বিধা নাই। তেওঁলোকক দেখাত নতুন বা ডেকা যেন লাগিব পাৰে, কিন্তু তেওঁলোকে যি সংগীত ৰচনা কৰে বা কৰিব পাৰে, সেয়া আগৰ চামৰ ক্ষেত্ৰত অসম্ভৱ।" তেওঁৰ গানত নতুন কিবা এটা সুমুৱাই দিয়াত লতাৰ যিটো ৰূপ, যিয়ে তেওঁক নতুন নতুন সংগীত পৰিচালকৰ লগত কাম কৰাৰ ক্ষেত্ৰতো প্ৰেৰণা যোগাইছে।

যিগৰাকী গায়িকাই ইংৰাজী, ছহিলি, ডাচ্চ আৰু ৰাছিয়ান গানৰ সৈতে

সমস্ত ভাৰতীয় ভাষাত সুৰ ঢালিছে; সেই গৰাকী-গায়িকাই এতিয়াও সকলো ভাষা-ভাষী লোকৰ পৰা একেদৰেই চেনেহ আৰু মৰম লাভ কৰি আহিছে। তেওঁ হিন্দী শিকিছিল ভাষাবিদ লেখৰাজ শর্মাৰ পৰা। তেওঁৰ প্রতি লতাৰ কৃতজ্ঞতা অসীম। লতাৰ মনত পৰে সংগীতজ্ঞ সলিল চৌধুৰীয়ে কেনেকৈ তেওঁক বাংলা শিকিবলৈ বাসু ভট্টাচার্যক শিক্ষক হিচাপে যোগাযোগ কৰি দিছিল। তাৰ পিছত তেওঁৰ ধৈর্য পৰীক্ষা হৈছিল তামিল ভাষা শিকাত। আমাৰ অসমৰ ডঃ ভূপেন হাজৰিকাই তেওঁক কিদৰে অসমীয়া ভাষাৰ গান গোৱাত সহায় কৰিছিল, সেই কথা তেওঁ মৰমেৰে সোঁৱৰে। ভূপেন হাজৰিকা তেওঁৰ প্রিয় গায়কসকলৰ ভিতৰত এজন।

জীৱদ্দশাতে কিংবদন্তী হৈ পৰা লতাক তেওঁৰ কৃতিত্বৰ বিষয়ে সুধিলে তেওঁ কয়— "এইবোৰ সকলো ভগৱানৰ দান। সর্বোপৰি মোৰ মা-দেউতা আৰু গুৰুজনৰ কৃতিত্ব। তথাপি মই আৰু কিবা বেছি কৰিব পাৰোঁ নেকি, তাৰ চেষ্টা কৰোঁ।"

বহু শ্রোতাই একাগ্র চিত্তে লতা মংগেশকাৰৰ গান শুনে যদিও তেওঁ কি শুনি ভাল পায় সুধিলে তেওঁ কয়— "মই শাস্ত্রীয় সংগীত শুনিয়েই ভাল পাওঁ, যেনে— বড়ে গোলাম আলী খান অথবা ভীমসেন যোশী। মই ছাইগলৰ গান শুনিও ভাল পাওঁ। প্রথম অৱস্থাত মই এগৰাকী শাস্ত্রীয় সংগীত শিল্পী হ'বলৈয়েই হেঁপাহ কৰিছিলোঁ। মোৰ দেউতাও এগৰাকী শাস্ত্রীয় সংগীত শিল্পীয়েই আছিল। কিন্তু ঘটনাক্রমত মোৰ শাস্ত্রীয় সংগীত গোৱাৰ হেঁপাহ, হেঁপাহ হৈয়েই থাকিল।" তেওঁ এই কথা কৈ এতিয়াও দুখ কৰে। তথাপি তেওঁ শাস্ত্রীয় সংগীতৰ লগত জড়িত হৈয়েই সময় কটায়।

Gauhati Mahila University Library Date... Dharapur Guwahati

প্রশাসন

কিৰণ বেদী ঃ এটি আদর্শৰ দূৰন্ত যাত্রা

ভাৰতবর্ষত ৰঙা ফিটাৰ মেৰপাকে প্রায়ভাগ আমোলাক বিব্রত কৰি তোলাটো এটা লক্ষণীয় দিশ। কিন্তু তাৰ মাজতো কিছুসংখ্যক বিষয়াই মূৰ তুলি ৰঙা ফিটাৰ মেৰপাকক বুঢ়া আঙুলি দেখুৱাব পাৰিছে। তেনেকুৱা এগৰাকী বিৰল ব্যক্তিত্বৰ অধিকাৰী হ'ল ভাৰতীয় পুলিচ সেৱাৰ ছুপাৰক'প প্রাক্তন আই পি এছ কিৰণ বেদী। তেওঁ যে প্রয়োজনত ৰঙা ফিটাৰ ঊর্দ্ধত উঠি বিবেকৰ আজ্ঞাক প্রশ্রয় দি জনসাধাৰণৰ মাজলৈ সোমাই যায় তাৰ এটা উদাহৰণ তলত দিয়া হ'ল।

জীৱনৰ এছোৱা কাল কিৰণ বেদী গোৱাত সহকাৰী পুলিচ আয়ুক্ত হৈ আছিল। গোৱাৰ এখন নৈৰ ওপৰত ট্রেফিকৰ সুবিধাৰ বাবে এখন দলং সজা হৈছিল। দলংখন সম্পূর্ণ হোৱা সত্ত্বেও সেইখন এজন ভি আই পিৰ দ্বাৰা উদ্বোধন কৰিবলৈ কেইবামাহো অপেক্ষা কৰি ৰৈ থকা হৈছিল। কিৰণ বেদীৰ দৃষ্টিত ধৰা পৰিছিল দলংখন নোহোৱাত নৈৰে পাৰ হোৱা যাত্রীসকলৰ অৱর্ণনীয় কষ্ট। কিৰণ বেদীয়ে আৰু অপেক্ষা কৰিব নোৱাৰিলে। এদিন কোনো ভি আই পিলৈ অপেক্ষা নকৰি দলংখনৰ সমুখত দি থোৱা ব'ল্ডাৰবিলাক আঁতৰাই নৈৰ যাত্রীসকলক আহ্বান জনালে "ওপৰলৈ আহা! দলংখন সকলোৰে বাবে খুলি দিয়া হৈছে।" আৰু সেইদিনাৰ পৰা দলংখন উন্মুক্ত হৈ পৰিল। তেওঁৰ সেই কামৰ বাবে কাৰো একো প্রশ্ন নুঠিল। নামবিহীনা এই দলংখন কেৱল দলং হিচাপেই পৰিচিত হৈ থাকিল আৰু মানুহে কিৰণ বেদীক প্রশংসাৰে ওপচাই পেলালে। কিৰণ বেদীক এই বিষয়ে সুধিলে তেওঁৰ সেই খোলা হাঁহিটো মাৰি কয়— "কামটো হৈ গ'ল। কোনেও আৰু ইয়াক নোহোৱা কৰিব নোৱাৰে।" আৰু এয়েই হৈছে কিৰণ বেদীৰ বিৰল ব্যক্তিত্ব।

বেদীক যদি সোধা হয় তেওঁ কেনেধৰণৰ ব্যক্তি, তেওঁ কয়— "মই আত্মবিশ্বাসেৰে যি কওঁ তাকে কৰো।" তেওঁৰ জীৱনৰ মূল দৰ্শন হ'ল— "তোমাৰ অন্তৰক বাঙ্ময় কৰি তোলা। তুমি যি বিশ্বাস কৰা তাৰ কাৰণে দৃঢ়ভাৱে থিয় হোৱা আৰু সময়মতে তোমাৰ বিশ্বাসক কামত লগোৱা।" "মই যেতিয়া মোৰ বক্তব্য উত্থাপন কৰো, সেয়া ইয়াৰ বাবে নহয় যে মই কাৰোবাক সহায় কৰিব বিচাৰিছো বা নিজে সহায় বিচাৰিছো। মোৰ দৃঢ় অনুভূতি যেতিয়া হয়, মই তাক বক্তব্যৰে প্ৰকাশ কৰো আৰু সময়ত কৰি পেলাওঁ।" ঠিক যেন ভগৱৎ গীতাৰ সেই মহান বাণী "কৰ্মণ্যে অধিকৰন্তে, মা ফলেষু কদাচন।"

কিৰণ বেদীৰ ২৮ বছৰীয়া জীয়ৰী চেইনাই তেওঁৰ মাকৰ কথা উপযুক্তভাৱে দাঙি ধৰিছে। সুকৰ্ম আৰু অপকৰ্ম দুয়োবিধ আছে। আৰু সেয়েই কিৰণ বেদীক বিচাৰ কৰিবৰ বাবে উপযুক্ত। মোৰ মা এগৰাকী অনৰ্গল মূল্যবোধৰ কথা কৈ যোৱা ব্যক্তি আৰু তেওঁৰ ডি এন এত আছে আদৰ্শবাদ। কোনো ভয়-ভীতহীন মাতৃ এগৰাকী আৰু সেয়ে ময়ো ভয় কি নাজানো।

কিন্তু ষ্টাইলৰ ফালৰ পৰা চেইনাৰ মাক বিপৰীতমুখী। কিৰণ বেদীৰ কোনো প্ৰসাধন নাই, কোনো অলঙ্কাৰ নিপিন্ধে, নাৰীসুলভ কল্পনা-বিলাসৰ পৰা আঁতৰত। চেইনাই আনহাতে মহিলাৰ সকলো ফেন্সী ড্ৰেছ পিন্ধে। ইয়াৰিঙৰ পৰা ভৰিৰ আঙুলিলৈকে আঙুঠি পিন্ধি নিজৰ শোভাবৰ্দ্ধন কৰে। কিৰণ বেদীৰে কয় মই মোৰ ছোৱালীক তাইৰ ইচ্ছানুযায়ী যেনে ধৰণৰ মহিলা হ'ব খোজে তেনে হ'বলৈ অধিকাৰ দিছোঁ।

মাক হিচাপে কিৰণ বেদী উপযুক্ত মাতৃ। এজন পুলিচ কমিছনাৰ, এজন উপ-পুলিচ কমিছনাৰ, তেওঁৰ এদিনৰ ৰাষ্ট্ৰসংঘৰ চাকৰি আৰু তিহাৰ জেইলৰ এদিনৰ কৰ্মকৰ্তাতকৈ কিৰণ বেদীৰ মানুহ হিচাপে স্থান বহু ওপৰত।

ব্যক্তি হিচাপে তেওঁ খেল-ধেমালি প্ৰিয়, মাক-দেউতাকৰ অনুৰাগী এজন লেখক আৰু ২০০৪ চনত তেওঁ টেলিভিশ্যন ছিৰিয়েলৰ এজন শিল্পী সকলো কৰ্মই দেখুৱায় ব্যক্তি হিচাপে তেওঁ কিমান শক্তি আৰু উত্তেজনা উৎস। তিহাৰ জেইলৰ দুৰ্দান্ত অপৰাধীবিলাকক লৈ খেল-ধেমালি, গান-বাজ আৰু থিয়েটাৰ ইত্যাদিৰে তেওঁ সিহঁতৰ যি হৃদয়ৰ পৰিৱৰ্তন আনি দিছি সেয়া এক উল্লেখযোগ্য অধ্যায়।

বেদীৰ যুক্তি হৈছে যে পুলিচ আৰু সামৰিক বাহিনী দুয়োটা প্ৰফেশ্যানে

এজন মানুহক শ্ৰেষ্ঠতাৰ দিশলৈ লৈ যায়। "এইটো এনে এটা কাম নহয় যে এজনৰ ওপৰত ওপৰৰ পৰা জাপি দিব পাৰি। সেৱাৰ মনোভাৱ অন্তৰৰ ভিতৰৰ পৰা আহিব লাগিব। মই ক'ব পাৰো যে এইটো মোৰ অন্তঃকৰণত টেনিছ খেলাৰ দিনৰ পৰাই গঢ় লৈছিল। খেলত জিকিবলৈ যিদৰে কঠোৰ পৰিশ্ৰম কৰিব লাগে, তেনে খেলুৰৈসুলভ মনোভাবেই মোৰ অন্তৰত মন্ত্ৰৰ দৰে ক্ৰিয়া কৰি পুলিচ সেৱাত যোগ দিবলৈ উৎসাহিত কৰিছিল।" আৰু আজি তেওঁ কঠোৰ কৃচ্ছ্ৰসাধনাৰে যেতিয়া সফলতাৰে পিছত সফলতা আৰ্জিছে, তেওঁৰ মনত মাত্ৰ এটা কথাই খেলা কৰিছে, যিটো হ'ল, "মই সেৱাকে লক্ষ্য কৰি কামত ভৰ্তি হৈছিলো আৰু এক স্বৰ্গীয়ে শক্তিয়ে মোক আগবঢ়াই নিছে। এতিয়া মোৰ ওচৰত প্ৰত্যাহ্বান হ'ল মই যি পাইছো, সেইখিনি ৰাইজক ওভতাই দিয়া। মই প্ৰতিদিনৰ আশাৰে অবিৰতভাৱে এক ঐশ্বৰিক শক্তিৰ ওচৰত নিজকে নিবেদন কৰিছো।"

প্ৰথমতে উল্লিখিত দলং মুকলি ঘটনাৰ বাবে তেওঁক কৰ্তৃপক্ষই তেওঁৰ জীয়েক চেইনাৰ কিড্‌নীৰ অসুখৰ সময়তো ছুটী দিবলৈ অমান্তি হৈছিল। কিন্তু ইয়ে তেওঁক অকণো অশান্তি দিয়া নাছিল। তেওঁৰ মুখমণ্ডলত অকণো অনুতাপ অথবা গৰিহণাভাৱে খেলা কৰা নাছিল। তেওঁৰ মতে— "এয়া যি পৰিধি আৰু পৰিবেশত কাম কৰিছো তাৰেই পৰিণতি। কাৰণ মোক কোনোৱে পুলিচ সেৱাত যোগ দিবলৈ বাধ্য কৰা নাছিল। আনহাতে মই কোনো সুযোগৰ অপেক্ষাত নাই। ঈশ্বৰ আৰু অদৃষ্টই মোৰ সুযোগ-সুবিধা নিয়ন্ত্ৰণ কৰিব।"

এইগৰাকী মহিমাময়ী নাৰীৰ জীৱন সুদীৰ্ঘ হওক। এয়েই কামনা।

সংস্কৃতি আৰু ৰাজনীতি

বিষ্ণুপ্রসাদ ৰাভা

বিষ্ণু প্রসাদ ৰাভা অসমী আইৰ সংস্কৃতি আৰু ৰাজনীতি জগতৰ এজন বৰপুত্ৰ। ১৯০৯ চনৰ ৩১ জানুৱাৰী তাৰিখে ঢাকা নগৰত বিষ্ণুপ্রসাদ ৰাভাৰ জন্ম হয়। দেউতাকৰ নাম ৰায়বাহাদুৰ গোপাল চন্দ্র ৰাভা আৰু মাকৰ নাম গেঠী বাই। দেউতাক ইংৰাজ চৰকাৰৰ উচ্চ পুলিচ বিষয়া, ইষ্টার্ণ ৰাইফলৰ চুবেদাৰ মেজৰ আছিল। গোপাল ৰাভা আছিল এজন সংগীতপ্রিয় লোক। তেওঁ বংগৰ বিখ্যাত সংগীতজ্ঞ ওস্তাদ মোতী মিঞা, কাঁলচাদ, গহৰজান বিবি বিষ্ণুপ্রসাদৰ গীত, বাদ্য আৰু নৃত্যৰ শিক্ষক হিচাপে নিযুক্তি দিয়ে। মেধাৱী বিষ্ণুপ্রসাদে পঢ়া-শুনাৰ লগে লগে একাগ্রতাৰে সংগীত-নৃত্যৰ শিক্ষালাভকে ব্রতী হ'ল।

ঢাকা নগৰীত প্রাথমিক শিক্ষা সমাপ্ত কৰি বিষ্ণু ৰাভাই মাধ্যমিক স্তৰৰ শিক্ষাৰো পাতনি মেলিছিল। কিন্তু ৰাভাই চতুর্থ শ্রেণী পাওঁতেই দেউতাকৰ দেহাবসান ঘটে। পিতৃ বিয়োগৰ পাছত ১৯১৭ চনত আঠবছৰীয়া বিষ্ণু ৰাভা মাকৰ সৈতে ঢাকাৰ পৰা তেজপুৰলৈ আহে আৰু তেজপুৰ চৰকাৰী হাইস্কুলত পঢ়িবলৈ লয়। ৰাভাই তেজপুৰ হাইস্কুলৰ পৰা ১৯২৬ চনত 'কুইন এম্প্রেছ পদক লৈ প্রথম বিভাগত প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। ইয়াৰ পাছত কলিকতা (বর্তমান কোলকাটা)ৰ চেণ্ট পল কলেজত ভর্তি হয়। ১৯২৮ চনত ৰাভাই আই. এছ. চি. পৰীক্ষাত কৃতকার্যতা লাভ কৰে আৰু কলিকতাৰ বিপন কলেজত বি. এছ. চি (অনার্চ)ত নামভর্তি কৰে। ছাত্র ৰাভাই সাহিত্য সংস্কৃতি, ৰাজনীতিৰ চিন্তা চর্চাৰ মাজেৰে অধ্যয়নো অক্ষুণ্ণ ৰাখিলে। এনেতে ১৯২৮ চনত ৰাভাই ৰাছিয়াৰ বিখ্যাত বেলে নর্তকী আনা পাভালোভাৰ নৃত্য দেখি অনুপ্রাণিত হৈছিল আৰু তেওঁ দিয়া উপদেশৰ দ্বাৰা প্রভাৱান্বিত

হৈছিল। পাভালোভাই ৰাভাক ভাৰতৰ বিভিন্ন মঠ-মন্দিৰত সিঁচৰতি হৈ থকা মূর্তিবোৰৰ নৃত্য ভংগিমা চাই এইবোৰৰ পৰা নৃত্যৰ মুদ্রাবোৰ আয়ত্ত কৰিবলৈ উপদেশ দিলে। ইতিমধ্যে ভাৰতবর্ষৰ লগতে অসমতো বৃটিছৰ অধীনতা নাশিবলৈ স্বাধীনতাৰ বহ্নিশিখা দাউ দাউকৈ জ্বলি উঠিছিল। স্বাধীনতাৰ স্পৃহা আৰু বীৰত্বপূর্ণ কামৰ প্রতি ৰাভা লালায়িত হ'ল। কলকাতাত ৰাভাদেৰে পুলিচৰ চকুত পৰাৰ ভয়ত আৰু পঢ়া-শুনাত অসুবিধা পোৱাত তাৰ পৰা আহি কোচ বিহাৰৰ ভিক্টৰীয়া কলেজত ইংৰাজী অনার্চত নামভর্তি কৰিলে। ইতিমধ্যে ৰাভাৰ মন ইংৰাজৰ বিৰুদ্ধে বিষাক্ত হৈ উঠিছিল। তেওঁ এদিন মনে মনে কোচবিহাৰত থকা বৃটিছ ৰিজেণ্ট হাচিন্সন চাহাবৰ বঙলা পালেগৈ আৰু তাৰ চূড়াৰ ইউনিয়ন জেক্‌খন পেলাই দি তাৰ ঠাইত উত্তোলিত কৰি আহিল কংগ্রেছৰ পতাকা এখন। তাৰ পিছত তেওঁ গ'ল কোচবিহাৰৰ জমিদাৰৰ দেৱান নলিনীৰঞ্জন খস্তগীৰ আৱাস ভৱনলৈ। তাতো তেওঁ অনুৰূপ কামকে কৰিলে।

এই ঘটনাক কেন্দ্রক কৰি গোটেই চহৰতে ভীষণ চাঞ্চল্যৰ সৃষ্টি হ'ল। অনুসন্ধান চলিল। কাকো ধৰিব নোৱাৰিলে যদিও সন্দেহ কৰিলে বিষ্ণু ৰাভাক। চৰকাৰে কোচবিহাৰত তেওঁৰ প্রৱেশ নিষেধ কৰে আৰু ভিক্টৰীয়া কলেজৰ পৰা টেন্সফাৰ চার্টিফিকেট দি কোচবিহাৰ এৰিবলৈ বাধ্য কৰে। কোচবিহাৰ এৰি ৰাভা ৰংপুৰৰ কাৰমাইল কলেজত বি. এ. ত ভর্তি হয়। ইয়াতো অধ্যয়ন, খেলা-ধূলা, গীত-মাত, নাটক-অভিনয় অব্যাহত ৰাখে। ডিগ্রীৰ ফাইনেল পৰীক্ষালৈ কিছু দিন মাত্র থাকোঁতে ভায়েক ৰঞ্জিতৰ টান নৰীয়াৰ খবৰ পাই তেওঁ তেজপুৰলৈ আহে। কিন্তু ইতিমধ্যে ভায়েকৰ মৃত্যু হয়। মাক গেঠীও ৰোগশয্যাত। মাতৃৰো অন্তিম অৱস্থা। পুত্র বিষ্ণুৰ হাতত হাত থৈ গেঠীয়ে ইহলীলা সম্বৰণ কৰিলে। ভ্রাতৃ আৰু মাতৃ বিয়োগত বিষ্ণুপ্রসাদ শোকত ম্রিয়মান হ'ল। ৰংপুৰলৈ ডিগ্রীৰ ফাইনেল পৰীক্ষা দিবলৈ আৰু যোৱা নহ'ল। কলেজীয়া শিক্ষাৰো সিমানতে অন্ত পৰিল। কলেজৰ বান্ধোনৰ পৰা মুক্ত হৈ মুক্ত চৰাইৰ দৰে সোমাই পৰিল জনসমাজৰ বহল বুকুত। ন-ন সৃষ্টি কৰি কৃষ্টিৰ আৰাধনাত নিমগ্ন হ'ল। বাণ ৰংগমঞ্চত প্রাণৰ বন্ধু ফণী শর্মা, অনুজ প্রতীম চন্দ্রধৰ গোস্বামী আদিৰ লগত খেলা-ধূলা, নাটক-থিয়েটাৰ, নৃত্য-গীত আদিত মন-প্রাণ ঢালি দিলে।

নাটক, বোলছবি আৰু নৃত্য-সংগীত জগতত ৰাভা

১৯৩৩ চনত অসমৰ নাটক, বোলছবি জগতৰ পুৰোধা জ্যোতিপ্রসাদ আগৰৱালাই বিষ্ণু ৰাভাক 'জয়মতী' কথাছবিত সহায় কৰিবৰ কাৰণে আহ্বান জনায়। মুখ্য তাৰকা স্বর্গজ্যোতিক গীত-নৃত্যৰ শিক্ষাদানৰ আৰু প্রথম দৃশ্য দুটাৰ চিত্রনাট্য প্রস্তুত কৰাৰ দায়িত্ব ৰাভাক অর্পণ কৰে। তেজপুৰৰ বাণ ৰংগমঞ্চত জ্যোতিপ্রসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰি' নাটকখনৰ বিষ্ণু ৰাভাক দিয়া হৈছিল সংগীত পৰিচালনাৰ দায়িত্ব, লগতে 'সুদর্শন' চৰিত্রটিত অভিনয় কৰিছিল।

১৯৩৫ চনত তেজপুৰত বহা অসম সাহিত্য সভাৰ লগতে জ্যোতিপ্রসাদ আৰু বিষ্ণুপ্রসাদৰ যুটীয়া প্রচেষ্টাত অসম সংগীত সন্মিলন বহে। এই সন্মিলনখনি ইমান কৃতকার্য হৈছিল যে পিছদিনা বাতৰি কাকতসমূহে তেওঁ লোকক ভূয়সী প্রশংসা কৰে।

১৯৩৬ চনত জ্যোতিপ্রসাদ আৰু বিষ্ণুপ্রসাদ কলকাতালৈ গৈ কেইখনমান নাটক গ্রামোফোনৰ বাবে ৰেকর্ড কৰে। ষ্টুডিঅ'ত 'শোণিত কুঁৱৰী', 'জয়মতী' আদি নাটক ৰেকর্ডিঙৰ সমস্ত দায়িত্ব পৰে ৰাভাৰ ওপৰত।

বিষ্ণুপ্রসাদ ৰাভা আৰু ফণী শর্মাই 'চিৰাজ' নাটকখন অসমৰ বিভিন্ন ঠাইত মঞ্চস্থ কৰে। উক্ত নাটকত ৰাভাদেৱে 'আঘোণা' আৰু শর্মাদেৱে 'চিৰাজ'ৰ ভাওত অংশ লয়। কথাছবিতো ৰাভাৰ স্থান কোনো গুণে কম নহয়। তেখেতে প্রথমে 'চিৰাজ' কথাছবিত সুবিমল ফুকনৰ চৰিত্র ৰূপায়িত কৰে। ইয়াৰ কেইবছৰমান পিছত 'প্রতিধ্বনি'ত খাচী চিয়েমৰ ভাও লয়। 'এৰা বাটৰ সুৰ'ত ভুজলুংকাৰ অভিনয়, 'মনোমতী' বোলছবিৰ নৃত্য পৰিচালনা, 'পিয়লি ফুকন'ৰ ৰূপসজ্জা, দৃশ্যসজ্জা আদিত তেখেতৰ বোলছবি জগতৰ প্রতি থকা আগ্রহ আৰু কর্মদক্ষতা প্রকাশ পাইছে।

১৯৪০ চনত 'প্রাচীন কামৰূপী নৃত্য সংঘ'ৰ অসম পৰিভ্রমণ কার্যসূচী লৈ তেওঁ শিলঙত উপস্থিত হ'ল। তেওঁ তাত নৃত্য প্রদর্শন কৰি সকলোকে মুগ্ধ কৰে। তেওঁৰ সাধনা আছিল এদল গায়ক-বাদক-নৃত্যশিল্পী গঢ় দিয়া।

'ইন্দ্রমালতী' বোলছবিত ৰাভাৰ স্বৰচিত গীতবোৰত অমিয় কণ্ঠদান দিয়ে ভূপেন হাজৰিকাই। শিলঙৰ এদল শিল্পী তৈয়াৰ কৰি 'অ অসমীয়া ডেকা দল'— আকৌ শংকৰদেৱৰ তিথিত গাবলৈ 'অ পূজাৰী— আনিলো

বৰণ শৰাই....' আদি ৰচি এওঁলোকৰ হতুৱাই গোৱালে। তাৰ পিছত প্রাচীন কামৰূপী নৃত্য সংঘ কলিকতালৈ যায়। কলিকতাৰ কেবাঠাইতো দশাৱতাৰ নৃত্য, কৃষ্ণার্জুন নৃত্য, বিষ্ণু ৰাভাৰ নিজস্ব তাণ্ডৱ নৃত্য প্রদর্শন কৰে। কলকাতাৰ গ্লোৱ থিয়েটাৰত ৰাভাৰ তাণ্ডৱ নৃট্য চাই ভাৰতৰ বিখ্যাত নিত্য বিশাৰদ উদয়শংকৰে কৈছিল,— "There are some pecularitiesin Mr. Rava's dance which I must learn."

ৰাভা, এজন চিত্রকৰ, কবি, প্রৱন্ধকাৰ আৰু গল্পকাৰো আছিল। তেখেতে বাঁহী আলোচনীত বিভিন্ন প্রৱন্ধ লেখিছিল। তেখেতৰ প্রকাশিত প্রৱন্ধৰ ভিতৰত 'জনজাতীয় সংস্কৃতিত শিৱ', 'শ্রীশংকৰদেৱ বৰ গায়ন', 'অসমীয়া কৃষ্টি', 'প্রাচীন ভাৰতৰ নৃত্য কলা', 'মিচিংসকলৰ আলি আই লৃগাং' আদি গধুৰ প্রৱন্ধ উল্লেখযোগ্য। তেখেতৰ গল্প সংকলনৰ ভিতৰত 'সোণপাহী', 'মুক্তি দেউল' অতি জনপ্রিয়। 'বাঁহী' আলোচনীত ৰাভা 'চিত্রলেখা' বিভাগটোৰ তত্ত্বাৱধায়ক আছিল। তদুপৰি ৰাভাই নিজস্ব কল্পনাৰে মহপুৰুষ শ্রীমন্ত শংকৰদেৱৰ ছবি এখন আঁকে।

ৰাজনীতি ঃ

ৰাভা আছিল এজন মানৱপ্রেমী— এজন কমিউনিষ্ট। সেয়েহে মানৱ প্রীতিয়ে তেখেতক মার্ক্সৰ নীতিৰ প্রতি আগ্রহী কৰি তোলে। ৰাজনৈতিক নেতা হিচাপে ৰাভাৰ স্থান আনতকৈ অলপ সুকীয়া যেন লাগে। কিয়নো তেওঁৰ বাক্‌পটুতা, সৎ উপদেশ, ভাষণ আদিয়ে জনতাৰ মন স্পর্শ কৰিব পাৰিছিল। ৰাভা আছিল হাড়ে-হিমজুৱে বিপ্লৱী। ধনী জমিদাৰ, সুদখোৱসকলক ৰাভাই গানৰ জৰিয়তে সাৱধান বাণী শুনাই দিছিল। ১৯৪০ চনত কমিউনিষ্ট লীগৰ নেতৃত্বত গঢ় লৈ উঠা 'কৃষক-বনুৱা পঞ্চায়ত' সংগঠনৰ যোগেৰে কামৰূপ, গোৱালপাৰা, শিৱসাগৰ, তেজপুৰ, দৰং আদিত বিভিন্ন জননেতাৰ লগত ঘূৰি বক্তৃতা দি গণ সংগঠন শক্তিশালী কৰি তুলিছিল।

১৯৪৮ চনত ভাৰতীয় জাতীয় কংগ্রেছে অনা স্বাধীনতা মিছা বুলি তেখেতে আত্মগোপন কৰি বিপ্লৱৰ বাণী প্রচাৰ কৰে। তেওঁ তেতিয়া R.C.P.I ৰ সদস্য। আত্মগোপন কৰি তেওঁ বিভিন্ন ঠাই ঘূৰিলে। গাঁৱে-গাঁৱে বিপ্লৱৰ বাণী বিলাই ফুৰিলে। কিন্তু ১৯৫২ চনৰ ১৭ জুলাইত তেওঁ ধৰা পৰিল।

১৯৫৩ চনত পুনৰ মুক্তি পালে। জেলৰ পৰা ওলাই তেওঁ ভাৰতীয় কমিউনিষ্ট পার্টিত যোগদান কৰে। মুঠতে তেওঁ বাওঁপন্থী মার্ক্সবাদী চিন্তাধাৰাৰ পৰা আঁতৰি নগ'ল। ১৯৬২ চনৰ চীনৰ ভাৰত আক্রমণৰ সময়ত অন্যান্য কমিউনিষ্ট নেতাৰ লগতে ৰাভাকো চৰকাৰে বন্দী কৰে। ৰাভা আছিল বহু গুণৰ অধিকাৰী। সেয়েহে তেজপুৰৰ ৰাইজে তেওঁক ১৯৬৭ চনত নির্বাচনৰ মাজেদি ভোট দি বিধানসভালৈ এম. এল. এ কৰি পঠায়।

১৯৬৯ চনৰ ২০ জুন তাৰিখে এইজনা মহান নেতা, শিল্পী-সংস্কৃতিৰ বাটকটীয়া, ৰাজনীতিবিদ, স্রষ্টা, জনতাৰ বন্ধু বিষ্ণুপ্রসাদ ৰাভাৰ দেহাৱসান ঘটিল। কিন্তু আজিও জনতাৰ প্রাণত ৰৈ ৰৈ বাজি আছে মৃত্যু শয্যাত লিখা সেই গানৰ সুৰ—

"এয়েই মোৰ শেষ গান
জীৱন নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান।"

চিত্রশিল্প

কার্টুনিষ্ট আৰ কে লক্ষ্মণ

'দৈনক অসম'ৰ প্রথম পাতটো মেলিলেই আমাৰ চকুৰ আগত ভাহি উঠে 'কাহুদী'ৰ চিত্রখন। ই মানুহক হহুৱাৰ উপৰি চিন্তিত কৰি তোলে। ঠিক তেনেকৈ "Times of India"ৰ প্রথম পাতটোত চকু ফুৰালেই এটা কোণত চকুত পৰে "You said it" নামৰ কাহুদী চিত্রখন। চিত্রখনৰ মূল চৰিত্র হ'ল এজন সাধাৰণ মানুহ। "A common Man"। এই সাধাৰণ মানুহজনে বিভিন্ন ৰাজনৈতিক আৰু সামাজিক উত্থান-পতন সম্পর্কে নিজস্ব মন্তব্য আগবঢ়াইছে, বিভিন্ন ৰাজনৈতিক ব্যক্তিক টিপ্পনী মাৰিছে, সমালোচনা কৰিছে, খোচ মাৰিছে, কিন্তু নিজে হৈ আছে নির্বিকাৰ। মুখৰ এই নির্বিকাৰ ভংগীৰে এই সাধাৰণ মানুহজনে পাঁচ দশক জুৰি নিৰীক্ষণ কৰিছে তেওঁৰ দেশৰ ওপৰেৰে পাৰ হৈ যোৱা বিভিন্ন ধুমুহা, সংঘাত, যুদ্ধ-বিগ্রহ আদি। আৰু ইয়াৰ স্রষ্টাজন, যাক গোটেই দেশৰ মানুহে কেৱল আৰ কে লক্ষ্মণ নামে জানে, তেওঁ যুগমীয়া বিতর্ককাৰীৰ পথত থাকিও কেতিয়াও কাৰো ওচৰত সেও মনা নাই।

"Times of India" ৰ অফিচত তেওঁ সোমালেই কার্যালয়টোত এটা গুঞ্জন উঠে। সদায় ৮-৩০ বজাত তেওঁ কার্যালয়ত উপস্থিত হয়, কোনো দিনেই তেওঁৰ যেন বিৰাম নাই। কোনো দিনেই সম্পাদকীয় কক্ষৰ বক্রাকাৰ গতিৰ মাজত আবদ্ধ হৈ পৰা নাই। "টাইমছ অফ ইণ্ডিয়া"ৰ কর্মীসকলৰ মাজত তেওঁ মুখৰোচক আলোচনাৰ বিষয়েই হৈ পৰিছে যে সম্পাদক আহিছে, গৈছে, চৰকাৰ স্থাপন হৈছে আৰু বাগৰিছে, কোনো দেশৰ হয়তো পতন বা দ্বিখণ্ডন হৈছে, নতুন দেশ গঠন হৈছে, কিন্তু লক্ষ্মণ দৃঢ় হৈ নিজ পথতেই

থিয় হৈ আছে।

পঞ্চাশ বছৰ জোৰা বুদ্ধিদীপ্ত হাস্যৰস। সদায় যেন তেওঁ ৰাইজক সোঁৱৰাইছে যে ৰজাৰ গাত কোনো কাপোৰ নাই। ৰাজনৈতিক হাস্য-ব্যঙ্গৰ এক এজনীয়া প্রতিষ্ঠান। লক্ষ্মণ দেশ আৰু বিদেশৰ বহু সন্মানেৰেও ভূষিত হৈছে। তাৰ ভিতৰত প্রধান হ'ল পদ্ম ভূষণ আৰু ৰেমন মেগ্‌চেচে পুৰস্কাৰ। বহু বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্তৰেট উপাধিৰেও ভূষিত হৈছে। কর্মযোগ আৰু শৃঙ্খলাপূর্ণ জীৱনেৰে তওঁ আজি এজন কিম্বদন্তি পুৰুষ।

দুর্ভাগ্যৰ বিষয় এই যে বহুচর্চিত এই মানুহজন আজি কেইমাহমান আগেয়ে এটা 'ষ্ট্রোকত' আক্রান্ত হৈ মৃত্যু হৈছে। মানুহজনৰ এটা নিচা আছিল এই যে তেওঁৰ ক'লা এম্বেচেদৰখন লৈ সময় পালেই মুম্বাইৰ পৰা মহীশূৰলৈ যোৱা। এজন সাংবাদিকে সোধাত তেওঁ কৈছিল, "মই নিজেই বুজি নাপাওঁ, মই কিয় এই নিচাৰ দ্বাৰা আক্রান্ত হ'লো।" 'কিন্তু' তেওঁ কৈছিল "জীৱনৰ তেনে কোনো পৰিৱর্ত্তন হোৱা নাই। মই ৮-৩০ বজাত ঘৰত কাজ আৰম্ভ কৰো আৰু দৈনন্দিন কার্টুনটো আবেলি কার্য্যালয়লৈ পঠাই দিওঁ। সকলো বাতৰি কাকত ঘৰত পুৱাই পঢ়া অসম্ভৱ বাবে মই এখন ব'র্ড গঠন কৰিছো আৰু তেওঁলোকে উল্লেখযোগ্য বাতৰি সমূহ 'পিন আপ' কৰি দিয়ে।

এখন দৈনিক কাকতত পুৱা ৮-৩০ বজাৰ পৰা কর্মব্যস্ত আৰু যাৰ প্রতিটো চাল চলনে অফিচত চাঞ্চল্যৰ সৃষ্টি কৰে সেইজন মানুহে ঘৰত দিনবোৰ কেনেকৈ কটায়, সেই বিষয়ে সাংবাদিকে সোধাত কৈছিল, "মই এতিয়া পুৰণি উপন্যাসবোৰ পঢ়ো, স্কেট্‌চ্ কৰো, ঘৰৰ চালত পৰা কাউৰীবোৰ নিৰীক্ষণ কৰো আৰু মোৰ সাত বছৰীয়া নাতিনী যাক মই মহালক্ষ্মী বুলি মাতোঁ, তাইৰ লগত আৰু বেবি, বিমানিকা, ৰাণী আৰু পাপুৰ লগত খেলি কটাওঁ।" তেওঁ তেওঁৰ স্ত্রী কমলা, পুত্র নিবাস আৰু বোৱাৰী ঊষাৰ সৈতে এটি সুখী পৰিয়াল লৈ ব্যস্ত আছিল।

তেওঁৰ কেবাদশক জোৰা সাংবাদিকতা (কার্টুনিষ্ট হিচাপে) আৰু জীৱন কাহিনীৰ বিষয়ে সাংবাদিকে সুধিলে তেওঁ কয়, "এই সকলোবোৰ মোৰ আত্মজীবনী Tunnel of Times ত পাবা।" "তাতে মোৰ বিষয়ে পঢ়িব।"

এটা ডাঙৰ সাহিত্যিক পৰিয়ালত জন্ম গ্রহণ কৰা এই প্রখ্যাত মানুহজন সকলো সময়তে মহীশূৰৰ তেওঁৰ ঘৰৰ মজিয়াত ছক্‌মাটিৰে ছবি আঁকি সময় কটাইছিল।

তেওঁৰ এজন ককায়েক আৰ কে নাৰায়ণো এজন নামজ্বলা সাহিত্যিক। বহু সম্ভাৱনাপূর্ণ ভৱিষ্যতৰ আহ্বান অহা সত্ত্বেও সৰুতে গঢ় লোৱা ছবি আঁকা অভ্যাসক কার্টুন চিত্রলৈ সলনি কৰি তেওঁ তেওঁৰ ভৱিষ্যতক গঢ় দিয়ে। তেওঁক এই পথৰ জীৱিকাত সহায় কৰা এজন মানুহৰ নাম নল'লে অৱশ্যে তেওঁৰ জীৱনী অসম্পূর্ণ হৈ ৰ'ব। মানুহজন আছিল এজন ইংৰাজ লোক— 'ওৱাল্টাৰ লেংঘামাৰ (Water Langhammer)। Times of India ৰ কলা সঞ্চালক।

তেওঁৰ "Common Man" অর্থাৎ সাধাৰণ মানুহজনৰ বিষয়ে তেওঁক সাংবাদিকে সুদিলে কয়, "প্রাৰম্ভিক কালছোৱাত মই ততাতৈয়াকৈ জনসাধাৰণক প্রতিনিধিত্ব কৰিব পৰা যিমান ছবি পাৰি সিমান ছবি আঁকিছিলো। শেষতহে মই মোৰ জনসাধাৰণক প্রতিনিধিত্ব কৰা প্রতীকটো নির্বাচন কৰিলো। এজন আক্‌বাক্ থকা কোট পিন্ধা মানুহ, মূৰটো টপা— তাত দুডালমান বগা চুলি, এটা বৃহৎ নাকৰ তলত কেইডালমান গোফ। চকুত খুৱ ডাঙৰ ফ্রেমৰ চশমা। জনসাধাৰণৰ মাজত এই জনেই পৰিচিত হ'ল সাধাৰণ মানুহ হিচাপে।"

লক্ষ্মণৰ আত্মজীৱনীখন পঢ়িলে পোৱা যায় জৰুৰীকালীন অৱস্থাত "চেঞ্চৰৰ সৈতে তেওঁৰ দ্বন্দ্ব। তেওঁৰ বিদেশ ভ্রমণত লগ পোৱা জাপানী, ৰুছ আৰু আমেৰিকান কার্টুনিষ্ট সকলৰ সৈতে তেওঁৰ দেখা সাক্ষাৎ। লণ্ডনলৈ গৈ তেওঁ টি এছ এলিয়ৎ, গ্রাহাম গ্রীণ আৰু বার্ট্রাণ্ড ৰাছেলৰ 'স্কেট্‌চ্ আঁকিবলৈ সুবিধা পোৱাৰ কথাও তাত বর্ণিত আছে। লক্ষ্মণৰ বিশ্বদর্শন এজন যুগমীয়া বিতর্ককাৰীৰ। তেওঁ কৈছে, "গণতন্ত্রত কার্টুনিষ্ট এজনৰ কাম হ'ল এজন সমালোচক, বিদ্রূপকাৰী, অভিযোগ আৰু প্রশাসনৰ আৰু ৰাজনৈতিক নেতাসকলৰ কার্যৰ কেৰিকাচৰৰ জৰিয়তে দোষসমূহ উদঙাই দেখুওৱা।"

আজি ৮২ বছৰ বয়সত মৃত্যু হোৱা ৰাষ্ট্রীয় সম্পদৰূপে পৰিচিত হোৱা এই মানুহজনক এই মাটিৰ সর্বশ্রেষ্ঠ সন্মান এনেদৰেই দিব পাৰি যে "এজন অত্যন্ত অসাধাৰণ মানুহ (A most uncommon man)"।

গণিত আৰু অৰ্থনীতি

জন নাছ ঃ "এ বিউটিফুল মাইণ্ডৰ" আঁৰৰ মানুহজন



ৰ'ন হাৰ্ৱার্ডৰ বহুজন বৰ্ণিত আৰু উচ্চ প্ৰশংসিত 'A Beautiful mind' নামৰ চলচ্চিত্ৰখন চোৱাৰ সৌভাগ্য বোধকৰোঁ বহুতৰে হৈছে। চলচ্চিত্ৰখনে ভাৰত তথা বিশ্বজুৰি একাংশ দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। ছবিখন কৰা হৈছে ন'বেল বঁটা বিজয়ী এগৰাকী গণিতজ্ঞ জন নাছৰ (John Nash) জীৱনৰ আধাৰত — যিজনে গোটেই জীৱনজুৰি মানসিক ৰোগ স্কিজ'ফ্ৰেনিয়াত (Schizophrenia) ভুগি অসহ্য যন্ত্ৰণাৰ মাজতো 'নাছ ইকুলিব্ৰিয়াম'ৰ তত্ত্ব আবিষ্কাৰ কৰি ১৯৯৪ চনত অৰ্থনীতিৰ ন'বেল বঁটা পাইছিল।

জন নাছৰ জন্ম হৈছিল ১৯২৮ চনৰ ১৩ জুনত আমেৰিকাৰ পশ্চিম ভাৰ্জিনিয়াৰ ব্লুফিল্ড নামৰ ঠাই এখনত। দেউতাক আছিল বিদ্যুৎ অভিযন্তা। স্কুলীয়া শিক্ষা সাং কৰি যেতিয়াই এই উচ্চাকাংক্ষী মানুহজন প্ৰতিশ্ৰুতিসম্পন্ন কেৰিয়াৰৰ সন্ধানত ওলাল, তেতিয়াই তেওঁৰ মানসিক অসুস্থতা আৰম্ভ হ'ল আৰু চিকিৎসকৰ মতে তেওঁ স্কিজ'ফ্ৰেনিয়াত ভুগিবলৈ ধৰিলে। কিন্তু নাছক প্ৰশ্ন কৰিলে গভীৰ দুখদায়ক মুহূর্ততো তেওঁ কৈ উঠিছিল,— 'সেই বলিয়ালি যেন তেওঁৰ কাৰণে এক পৰিত্ৰাণহে আছিল।' তেওঁ কৈছিল,— "মানুহে সদায় এনে এক ধাৰণা পোষণ কৰে যে যি মানুহ মানসিকভাৱে অসুস্থ, যন্ত্ৰণাই তেওঁৰ জীৱন। কিন্তু আচলতে সেইটো নহয়। মই ভাবোঁ মানসিক অসুস্থতা এক পৰিত্ৰাণো হ'ব পাৰে।" স্কুলত পঢ়া কালছোৱাত 'Compton's Pictured Eccyclopaedia'ই দিয়া জ্ঞানক তেওঁ এতিয়াও সমীহ কৰি চলে। তেওঁ সদায় ডাঙৰ-ডাঙৰ সংখ্যাৰ লগত খেলা কৰি ভাল পাইছিল। সেই কাৰণে মূল বিষয়ৰপৰা আঁতৰি ফুৰা কাৰণে তেওঁক বহুতে 'পলৰীয়া মগজু' বুলি কৈছিল। কিন্তু তেওঁৰ সিদ্ধান্ত আছিল যদিও সেইবোৰ প্ৰায় জঁপিয়াই ফুৰা ধৰণৰ আছিল, অথচ অৰ্থপূৰ্ণও আছিল। স্কুলত তেওঁক 'Most Original Student' বঁটাৰে সন্মানিত কৰিছিল। স্নাতক ডিগ্ৰীৰ বাবে তেওঁ Carnegie Institute of Technology ৰ ছাত্ৰ হৈছিল। প্ৰথমে কেমিকেল ইঞ্জিনিয়াৰিং, তাৰ পাছত ৰসায়ন শাস্ত্ৰ আৰু শেষতহে তেওঁৰ প্ৰিয় বিষয় অংক শাস্ত্ৰত তেওঁ ভৰ্তি হৈছিল। ইয়াৰপৰা তেওঁ B.S. আৰু M.S. দুয়োটা ডিগ্ৰী লৈছিল। ইয়াৰ পাছত তেওঁ Princetown বিশ্ববিদ্যালয়ৰ গৱেষণাত ভাগ লৈছিল।

জন নাছৰ জীৱনীলেখক ছিলভিয়া নাছাৰে (Sylvia Nasar) কৈছে, — "নাছ গণিতৰ সকলো দিশৰ প্ৰতি আগ্ৰহী আছিল। কিন্তু তেওঁৰ বিশেষ আকৰ্ষণৰ দিশটো আছিল জটিল অংকবিলাক।" নাছে ২১ বছৰ বয়সত, ১৯৫০ চনৰ মে'ত 'Non Cooperative Games' -অৰ বিষয়ে Ph. D. ৰ থেছিছ দাখিল কৰিলে। ইয়াৰ উপযোগিতা আজিৰ যুগত বহুলভাৱে দেখা গৈছে। তেওঁ কিছুদিন M.I.T ত আছিল। তাতো তেওঁৰ এলজেব্ৰিক জ্যামিতিৰপৰা আংশিক অৱলোকনৰ অংকৰ সমাধানৰ একাগ্ৰতাই সকলোৰে মন মুহিছিল। চাৰি দশকজুৰি প্ৰতীক্ষৰ অন্তত এই মনীষীগৰাকীয়ে তেওঁৰ সাধনাৰ স্বীকৃতি পাইছিল। অৱশ্যে অংকত নহয়, ১৯৯৪ চনত Nash Equilibrium অৰ বাবে তেওঁক অৰ্থনীতিত ন'বেল বঁটা দিয়া হয়।

নাছৰ জীৱনৰ প্ৰথম সংগিনী আছিল ইলিনৰ ষ্টায়াৰ। ষ্টায়াৰৰ পক্ষৰ পৰা এটা সন্তান হোৱাৰ কিছুদিন পাছতে তেওঁলোকৰ এৰাএৰি হ'ল। তাৰ পাছত তেওঁৰ ২১ বছৰীয়া এলিছিয়া লার্ডেৰ লগত সাক্ষাৎ হ'ল আৰু ১৯৫৭ চনত এটা সৰু, অনুষ্ঠুপীয়া অনুষ্ঠানত তেওঁলোকৰ বিবাহ হৈছিল। এলিছিয়াৰ মতে এটা সময়ত নাছৰ মানসিক অসুস্থতাই এনে এটা অৱস্থা পাইছিলগৈ যে তেওঁ নিজকে এণ্টার্কটিকাৰ সম্ৰাট বুলি ভাবি ছিকাগো বিশ্ববিদ্যালয়ৰ এটা অতি সন্মানজনক পদবীও এৰি দিছিল। এলিছিয়াই শেষত বাধ্য হৈ নাছক নিউ জার্ছিৰ এটা পগলা ফাটেকত ভর্তি কৰাইছিল। পগলা ফাটেকৰপৰা ওলাই আহি আৰু দ্বিতীয় স্ত্ৰীৰ লগতো বিবাহ বিচ্ছেদ কৰি, তেওঁ M.I.T. ৰ

চাকৰি ইস্তফা দিছিল আৰু এজন শৰণার্থী (refugee) হিচাপে ইউৰোপলৈ গৈছিল।

সৌভাগ্যক্রমে তেওঁ লাহে-লাহে আৰোগ্যৰ পথলৈ আহিছিল। এলিছিয়াৰ সৈতে তেওঁৰ পুনৰ মিলন হৈছিল আৰু প্রায় ১৯৮০ চনৰপৰা তেওঁ দৃঢ়ভাৱে মন বান্ধিছিল যাতে তেওঁ স্কিজ'ফ্রেনিয়াৰ সাধাৰণ লক্ষণ, অহৰহভাৱে মনক আঘাত কৰি থকা শব্দবোৰ তেওঁ নিশ্চিতভাৱে অৱজ্ঞা কৰিব পাৰে। এই সময়ছোৱাত ঔষধতকৈ মনৰ দৃঢ়তাইহে তেওঁক বেছিকৈ সহায় কৰিছিল। এটা সাক্ষাৎকাৰত তেওঁ কৈছিল,— "মই শুনি থকা শব্দবোৰৰ সৈতে যুক্তি-তর্কত প্রবৃত্ত হ'লো আৰু অৱশেষত সেইবোৰক প্রত্যাখান কৰিবলৈ আৰু নুশুনিবলৈ সিদ্ধান্ত কৰিলো।"

ন'বেল কমিটিয়ে প্রথমতে মানসিক ৰোগেৰে আক্রান্ত, মানসিক চিকিৎসালয়ৰপৰা ওলাই অহা এজনক প্রার্থী হিচাপে নির্বাচন কৰোঁতে বিবুদ্ধিত পৰিছিল যদিও শেষত প্রতিভাৰেই জয় হ'ল।

নাছৰ বর্তমান বয়স ৮০ বছৰ। ইতিমধ্যে তেওঁ আৰু বহুতো সন্মানেৰে সন্মানিত হৈছে। কিন্তু তেওঁৰ ক্ষুৰধাৰ, যুক্তিপূর্ণ মনটো অতি সপ্রতিভ হৈ আছে। গণিত বা অর্থনীতিৰ নতুন প্রত্যাহ্বান গ্রহণ কৰিবলৈ তেওঁ এতিয়াও সাজু। যিকোনো দিশৰপৰাই নাছক এই শতিকাৰ অন্যতম শ্রেষ্ঠ মস্তিষ্ক হিচাপে স্বীকৃতি দিব পাৰি।

জন নাছৰ জীৱনৰ ভিত্তিত নতুনকৈ নির্মিত হোৱা টি.ভি. ছিৰিয়েল 'A Brilliant madness' খন ধাৰাবাহিকৰূপে চাই বহুতেই আশাৰ ৰেঙনি দেখিছে।

বিজ্ঞান আৰু দেশসেৱা

স্বপ্নদ্রষ্টা ৰাষ্ট্রনেতা— মহান বিজ্ঞানী ড° আব্দুল কালাম

যুগদ্রষ্টা ভাৰতৰ প্রাক্তন ৰাষ্ট্রপতি এ. পি. জে. আব্দুল কালামে কৈছিল, 'স্বপ্নবিহীন কোনো সংগঠন, সমাজ অথবা ৰাষ্ট্র এখন মহাসমুদ্রৰ বিশাল জলধিত এৰি দিয়া দিগ্‌ভ্রান্ত বা লক্ষ্যভ্রষ্ট জাহাজৰ দৰে। ৰাষ্ট্রৰ স্বপ্নৰ স্পষ্টতাইহে মানুহক অহৰহ লক্ষ্যৰ পিনে যাবলৈ প্রেৰিত কৰি থাকে।' এই জন দিক্‌দর্শক, মূলতঃ বিজ্ঞানী মহানায়কে ২০১৫ চনৰ ২৭ জুলাই সোমবাৰে নশ্বৰ দেহ ত্যাগ কৰি অসীমলৈ যাত্রা কৰে। মহানায়কজনৰ প্রতি বিনীত শ্রদ্ধাঞ্জলী জনাই তেওঁৰ চমু জীৱন কাহিনী পাঠকলৈ নিবেদন কৰিলোঁ।

কৰমণ্ডল উপকূলৰ তামিলনাড়ু ৰাজ্যৰ ৰামেশ্বৰম দ্বীপৰ মছজিদ গলিৰ এটা দুখীয়া পৰিয়ালত তেনেই সাধাৰণ ঘৰ এটাত ভাৰতৰ এক 'আনমোল ৰতনে' জন্ম লাভ কৰিছিল। তেওঁৰ পিতৃ জয়নাল আবেদিন আৰু মাতৃ আচিয়াম্মা এক আদর্শ দম্পতী হিচাপে সেই অঞ্চলটোত জনাজাত আছিল। ওখ-পাখ, দেখাত সুন্দৰ পিতৃ-মাতৃৰ কেইবাটাও ল'ৰা-ছোৱালীৰ মাজত অন্যতম আছিল এ. পি. জে. আব্দুল কালাম। তেনেই সাধাৰণ চেহেৰাৰ চুটি-চাপৰ । আব্দুল কালামে তেওঁৰ পিতৃৰপৰা সাধুতা আৰু আত্মানুশাসনৰ গুণ লাভ কৰিছিল। সেইদৰে মাতৃৰ পৰা দয়ালু হ'বলৈ আৰু ঈশ্বৰৰ প্রতি অবিচল ভক্তি ৰাখিবলৈ শিকিছিল।

সৰু কালছোৱাত কালামে সদায় সন্ধিয়া দেউতাকৰ লগত মছজিদলৈ গৈছিল নামাজ পঢ়িবলৈ। আৰবী ভাষাত পঢ়া নামাজৰ বিন্দুমাত্রও কালামে

বুজি পোৱা নাছিল যদিও তেওঁৰ এনে লাগিছিল যেন সেই প্ৰাৰ্থনাই ভগৱানক ঢুকি পাইছে।

আব্দুল কালামৰ পিতৃ-মাতৃৰ অৱস্থা সাধাৰণ আছিল যদিও ওচৰ-পাজৰৰ দুখীয়া লোকসকলক উপযাচিয়েই সহায় কৰিছিল। ৰামায়ণ-মহাভাৰতৰ আদৰ্শমূলক কাহিনীয়ে শিশু কালামক বৰকৈ অনুপ্ৰাণিত কৰিছিল। তেওঁ এই মহাকাব্য দুখনৰ পৰা শিকিছিল যে পৃথিৱীত সদায়েই ধৰ্ম, অধৰ্মৰ যুঁজ চলি আহিছে আৰু শেষত সদায়েই ধৰ্মৰেই জয় হৈছে।

আব্দুল কালামৰ বিশ্বস্ত বন্ধু আৰু সংগী আছিল চামচুদ্দিন আৰু জালালুদ্দিন। জালালুদ্দিনে কালামৰ ভনীয়েকক বিয়া কৰাইছিল আৰু নাও বনাই ঠিকাৰ কাম কৰিছিল। সদায় সন্ধিয়া দুয়ো দ্বীপটোৰ বিস্তীৰ্ণ বালিময় উপকূলৰ ফালে বহুদূৰলৈকে ফুৰিবলৈ গৈছিল। ৰামেশ্বৰমৰ তীৰ্থযাত্ৰীৰেই ঠাহ খাই থকা সেই পৰিত্ৰ পৰিৱেশত তেওঁলোকৰ মাজত ধৰ্মীয় আলাপ-আলোচনাই বেছিকৈ হৈছিল। আব্দুল কালাম সৰু হৈ থাকোঁতে সৰু দ্বীপটোত জালালুদ্দিনেই আছিল ইংৰাজী লিখিব পৰা মানুহ। আব্দুল কালামৰ জীৱনৰ ওপৰত প্ৰভাৱ পেলোৱা আন এজন ব্যক্তি আছিল ছামছুউদ্দিন, তেওঁৰ খুৰাকৰ ল'ৰা। প্ৰাথমিক স্কুলত কালমৰ ৰামনাথ শাস্ত্ৰী, অৰবিন্দন আৰু শিৱ প্ৰকাশন নামৰ তিনিজন নৈষ্ঠিক হিন্দু ল'ৰাৰ লগত নিবিড় ঘনিষ্ঠতা গঢ়ি উঠিছিল। ৰামেশ্বৰমৰ পিছত কালামে জিলা সদৰ ৰামনাথপুৰমত পঢ়িবলৈ যায়।

ৰামনাথমপুৰমৰ শ্বৱটিজ হাইস্কুলত কালামৰ মন বহিছিল। তেওঁৰ মনলৈ প্ৰত্যয় আহিছিল যে তেৱোঁ এদিন আকাশৰ সমান উচ্চতালৈ উধাব পাৰিব। মেট্ৰিক পাছ কৰি ১৯৫০ চনত আব্দুল কালামে ইণ্টাৰমেডিয়েট পঢ়িবলৈ 'ত্ৰিচী'ৰ ছেণ্ট যোছেফ কলেজত ভৰ্তি হয়। তেওঁ ছেণ্ট যোছেফ কলেজত চাৰি বছৰ পঢ়ে। সেই সময়ত ৰেভাৰেণ্ড ফাদাৰ চেকুকৰিয়া নামৰ অধ্যাপকজনে তেওঁক যথেষ্ট মানসিক শক্তি যোগায়। কলেজত তেওঁ টলষ্টয়, স্কট, থমাছ হার্ডি আদি বিশ্ববিখ্যাত লেখকৰ ইংৰাজী সাহিত্য, দৰ্শন শাস্ত্ৰও পঢ়িছিল। পদাৰ্থ বিজ্ঞানৰ আকৰ্ষণীয় পাঠদানে তেওঁক পদাৰ্থ বিজ্ঞানলৈ চুম্বকৰ দৰে আকৰ্ষণ কৰিছিল। সেই পাঠদানৰ ফলত কালামৰ ভাব হৈছিল যে বিজ্ঞানলৈ যোৱাৰ মাধ্যম হৈছে হৃদয়। কালমৰ বাবে বিজ্ঞানেই হৈছে আধ্যাত্মিক ঋদ্ধি আৰু আত্মোপলব্ধিৰ প্ৰশস্ত্ৰ পথ।

১৯৫৪ চনত বি এছ চি ডিগ্ৰী লৈ তেওঁ মাদ্ৰাজ ইন্সিটিউট অব্ ..... MIT)ত নাম লগায়। এম আই টিত ছাত্ৰ-ছাত্ৰীক উৰণ যন্ত্ৰৰ কাৰ্যপ্ৰণালী বুজাবলৈ দুখন উৰাজাহাজ প্ৰদৰ্শন কৰা হৈছিল। কালামে চৰাইৰ দৰে উৰি ফুৰাৰ সপোনটো সাৰ্থক কৰিবলৈ এৰ'নটিকেল ইঞ্জিনীয়াৰিঙটো বাছি ল'লে। আব্দুল কালামৰ পাঠ্যক্ৰম শেষ হোৱাৰ পিছত তেওঁক চাৰিজন সহকৰ্মীৰ সৈতে নিম্ন উচ্চতাৰপৰা আক্ৰমণ কৰিব পৰা বিমান এখনৰ আৰ্হি তৈয়াৰ কৰাৰ দায়িত্ব দিয়া হৈছিল। তেওঁ শিক্ষাগুৰু শ্ৰীনিবাসনৰ তত্ত্বাৱধানত তিনিদিন, তিনিৰাতি অমানুষিক পৰিশ্ৰম কৰি প্ৰকল্পটো এনে সুন্দৰকৈ সমাধান কৰিলে যে তেওঁক শ্ৰীনিবাসনে পিঠিত চপৰিয়াই বাহ বাহ দিও তৰণি নোপোৱা হ'ল।

আৰ্হি প্ৰকল্পটোৰ কাম চলি থকাৰ সময়তে এম আই টি তামিল সংগম নামৰ সাহিত্য চ'ৰা এটাৰ প্ৰতিযোগিতালৈ তেওঁ "নিজৰ বায়ুযান নিজেই সাঁজো আহা" নামৰ প্ৰবন্ধটো লিখি পঠালে। প্ৰতিযোগিতাত তেওঁ প্ৰথম পুৰস্কাৰ পালে।

ইয়াৰ পিছত কালাম এম আই টিৰপৰা নবিচ হিচাপে বাংগালুৰুৰ হিন্দুস্তান এৰ'নটিকছ লিমিটেডলৈ যায়। তাত তেওঁ বিমান ইঞ্জিনৰ মেৰামতিৰ কাম হাতত লয়। কালামে ইঞ্জিনিয়াৰিঙত দক্ষতা দেখুৱাই অহাৰ পিছতে দিল্লীৰ, 'ডাইৰেক্টৰ অব্ টেকনিকেল ডেভেলপমেণ্ট এণ্ড প্ৰডাকচন'ত জ্যেষ্ঠ বিজ্ঞানী সহায়ক হিচাপে নিযুক্তি-পত্ৰ পায় আৰু ১৯৫৮ চনত আঢ়ৈশ টকা দৰমহাত কামত যোগদান কৰে। অসামৰিক বিমান পৰিবহনৰ টেকনিকেল চেণ্টাৰৰ নিৰ্দেশত তেওঁ শব্দতকৈও দ্ৰুতবেগী লক্ষ্যভেদী বিমানৰ আৰ্হি প্ৰস্তুত কৰি প্ৰশংসাৰ পাত্ৰ হৈছিল। তাত তিনি বছৰ পাৰ কৰি বাংগালুৰুৰ বৈমানিক উন্নয়ন প্ৰতিষ্ঠানত (এ ডি ই) নিযুক্তি লাভ কৰে। তাৰ পিছত তেওঁৰ ভাগ্য আৰু সুপ্ৰসন্ন হয়। তেওঁ ৰকেট ইঞ্জিনীয়াৰ হিচাপে ভাৰতীয় অন্তৰীক্ষ অনুসন্ধান সমিতিত (INCOSPAR) নিযুক্তি পায়। ইয়াত তেওঁৰ সাক্ষাৎকাৰ লৈছিল ভাৰতীয় মহাকাশ বিজ্ঞানৰ অন্যতম জনক ড° বিক্ৰম চাৰাভায়ে।

১৯৬২ চনৰ কোনো সময়ত (INCOSPAR) এ কেৰালাৰ ত্ৰিবান্দ্ৰমৰ (বৰ্তমান তিৰুৱনন্তপুৰম) ওচৰৰ থুম্বা নামৰ গাঁও এখনত ইকুৱেটৰিয়েল ৰকেট লাঞ্চিং ষ্টেচন স্থাপন কৰাৰ সিদ্ধান্ত লয়। সেই অঞ্চলটো আছিল সাগৰৰ

উপকূলত। তাত এটা ডাঙৰ গীৰ্জা আছিল। গীৰ্জাৰ প্ৰাৰ্থনা ঘৰটো আব্দুল কালামৰ প্ৰথম লেবৰেটৰী হৈ পৰিল। বিছপৰ কোঠাটোত ডিজাইন আৰু ড্ৰয়িং কাৰ্যালয় কৰা হ'ল। বৰ্তমান ভাৰতীয় অন্তৰীক্ষ যাদুঘৰটো এই গীৰ্জাতে। ইয়াৰ ঠিক পিছতে আব্দুল কালামক ৰকেট প্ৰক্ষেপণ টেকনিকৰ বিষয়ে ছমাহৰ প্ৰশিক্ষণ ল'বৰ বাবে আমেৰিকাৰ নেচনেল এৰ'নটিকছ এণ্ড স্পেচ এডমিনিষ্ট্ৰেচন (NASA) লৈ পঠিওৱাৰ সিদ্ধান্ত লোৱা হয়। আব্দুল কালামে বিদেশলৈ যোৱাৰ সুবিধা পোৱা বাবে তেওঁৰ পিতৃ বৰ সুখী হৈছিল।

আব্দুল কালামে ভাৰ্জিনিয়া ৰাজ্যৰ হেম্পটন চহৰত অৱস্থিত লেংগলে বিচাৰ্ছ চেণ্টাৰত তেওঁৰ কাম-কাজ আৰম্ভ কৰিলে। ইয়াত বিশেষকৈ কাম হয় এডভান্সড এৰ'স্পেচ টেকন'লজীৰ গৱেষণা আৰু উন্নয়নৰ। কৰ্মৰত অৱস্থাত নাছাৰ ছাউণ্ডিং ৰকেটৰ মুখ্য কেন্দ্ৰৰ বিচেপছন কাউণ্টাৰৰ এখন পেইণ্টিঙে কালামৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তাত কেইটামান উৰন্ত ৰকেট যুদ্ধৰ পৃষ্ঠভূমিত অংকন কৰা হৈছে। ৰকেট উৎক্ষেপণস্থলীৰ কাষত থকা সৈন্যৰ গাৰ ৰং শ্বেতবৰ্ণৰ নহয়, দক্ষিণ এছিয়াৰ কৃষ্ণবৰ্ণৰ মানুহৰ দৰে অৱয়ৱ। পেইণ্টিংখন কাষৰপৰা নিৰীক্ষণ কৰি কালাম বিস্ময়াভিভূত হৈ পৰিছিল, কাৰণ সেয়া আছিল বৃটিছৰ সৈতে যুঁজি থকা টিপু চুলতানৰ ফৌজ। বিদেশত পেইণ্টিংখনে ভাৰতৰ গৌৰৱ গাঁথা গাই আছে।

আব্দুল কালাম নাছাৰ পৰা ঘূৰি অহাৰ লগে লগে ১৯৬৩ চনৰ ২১ নৱেম্বৰৰ দিনা ভাৰতৰ প্ৰথম ৰকেট উৎক্ষেপ[illegible]

চাৰাভায়ে তেওঁৰ সবল আৰু সফল নেতৃত্বৰ দ্বাৰা কালামক আজীৱন প্ৰেৰণা যোগাই আহিছিল।

ইতিমধ্যে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে এক 'মিছাইল পেনেল' তৈয়াৰ কৰাৰ পৰিকল্পনা ল'লে। নিজৰ দেশত ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ কথাই আব্দুল কালামক ৰোমাঞ্চিত কৰি তুলিলে।

আব্দুল কালামে যিবোৰ মানুহ কৰ্মী নহয় আৰু কামৰ প্ৰতি আগ্ৰহী নহয়, তেওঁলোকৰ সংগ ত্যাগ কৰিছিল। অৱশ্যে কৰ্মী মানুহৰ বাবে কাম কৰিব পৰা এক সুস্থ পৰিৱেশ গঢ়ি তুলিবলৈ সংকল্পবদ্ধ হৈছিল।

১৯৭৯ চনৰ ১০ আগষ্টৰ দিনা SLV ৰকেটটোৱে বিজ্ঞানীসকলৰ সপোনক বাস্তৱ কৰি আকাশত খন্তেক উৰিছিল যদিও কিছু সময়ৰ পিছতে ছন্দপতন হৈ সাগৰত নিমজ্জিত হ'ল। কালামে কাৰিকৰী বিজুতিৰ বাবে হোৱা বিফলতাৰ স্বীকাৰ কৰি লৈছিল।

সেয়া যি কি নহওক, অৱশেষত ১৯৮০ চনৰ ১৮ জুলাইত ভাৰতৰ প্ৰথম উপগ্ৰহ উৎক্ষেপণ যান শ্ৰীহৰিকোটাৰপৰা ওপৰলৈ উঠি গ'ল। হৰ্ষোল্লাসত ফাটি পৰা সহকৰ্মীসকলে মিছন ডাইৰেক্টৰ কালাম [illegible] তুলি লৈ শোভাযাত্ৰা [illegible]



প্ৰেম, দায়ৱদ্ধতা আৰু নিজৰ দেশক সবাতোকৈ শক্তিশালী আৰু সমৃদ্ধিশালী কৰাৰ সংকল্প।

অৱশেষত জয়নাল আবেদিনৰ পুত্ৰ আব্দুল কালাম, যিজনে ৰামেশ্বৰম দ্বীপৰ শঙ্খচিল চৰাইৰ দৰে আকাশৰ বিশালতাত উৰি ফুৰাৰ স্বপ্নত বিভোৰ আছিল, যিজন শিক্ষাগুৰুসকলৰ আদৰৰ ছাত্ৰ হৈ পৰিছিল, যিজনে ৰকেট ইঞ্জিনিয়াৰ আৰু বিজ্ঞানী হৈ প্ৰফেছৰ বিক্ৰম চাৰাভাইৰ স্বপ্নক সাকাৰ কৰিব পাৰিছিল, সেইজন ড° আবুল পকীৰ জয়নালআবদিন আব্দুল কালাম ২০০২ চনৰ ২০ জুলাইত ভাৰতৰ একাদশ ৰাষ্ট্ৰপতি হৈ শপত গ্ৰহণ কৰে। ভাৰতবাসীৰ অকুণ্ঠ অভিনন্দনেৰে উপচি পৰিল ৰাষ্ট্ৰপতি আব্দুল কালাম।

ৰাষ্ট্ৰপতি হোৱাৰ আগেয়েই 'ভাৰতৰত্ন' উপাধিৰে ভূষিত হোৱা ড° কালামেই হয়তো ইতিহাসৰ অন্যতম ৰাষ্ট্ৰপতি যি নিজৰ একক, অনন্য ভাবমূৰ্তিৰে জনসাধাৰণৰ হৃদয়ত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। কালামৰ ব্যক্তিত্বত এনে স্বমহিমা আৰু প্ৰতিভাৰ সমাহৰ হৈছে যে পাঁচটা বছৰৰ কাৰ্যকালেৰে সৰ্বোচ্চ পদবীটোকেই যেন তেওঁ অধিক উচ্চতৰ কৰি তুলিলে। ড° আব্দুল কালাম তেওঁৰ পূৰ্বসুৰী ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰকৃত উত্তৰসুৰী পণ্ডিত ৰাষ্ট্ৰপতি। ৰাষ্ট্ৰপতি পদত ৰাধাকৃষ্ণণৰ দৰে তেওঁ এক নতুন স্মাৰক প্ৰতিষ্ঠা কৰাই নহয়, এক নতুন যুগৰ অৱতাৰণাও কৰিছিল।

অনবৰতে এখন সমৃদ্ধ ভাৰতবৰ্ষৰ স্বপ্ন বুকুত সাঁচি ৰখা আৰু যুৱ সমাজক লৈ গভীৰ আশাবাদী ড° কালামে কৈছিল, 'প্ৰজ্বলিত যুৱমন হ'ল এক শক্তিশালী সম্পদ। এই ধৰা, আকাশ আৰু সমুদ্ৰগৰ্ভৰ যিকোনো সম্পদতকৈ বহু বেছি শক্তিশালী এই সম্পদ। আমি আটায়ে 'উন্নয়নশীল ভাৰতবৰ্ষ' (developing India) ক এখনি 'উন্নত ভাৰতবৰ্ষ' (developed India) লৈ ৰূপান্তৰিত কৰাৰ সংকল্প লৈ একেলগে কাম কৰিব লাগিব। তেনে একে প্ৰচেষ্টাৰ বাবে প্ৰয়োজনীয় বিপ্লৱৰ অংকুৰণ হ'ব লগিব আমাৰ মনৰ মাজত।' (ভাৰতবৰ্ষ ২০২০, নতুন সহস্ৰাব্দৰ ৰূপৰেখা)

প্ৰযুক্তি (Technology) ৰ ওপৰত গভীৰ আস্থা স্থাপন কৰা 'মিছাইল মেন' ড° কালামে কৈছিল, 'ব্যাপক হাৰত উৎপাদনকাৰী সংস্থানৰ সৃষ্টিয়েই হওক, মানুহৰ পৌষ্টিকতা বা স্বাস্থ্যৰ নিৰাপত্তা সুনিশ্চিত কৰাই হওক, অথবা উন্নততৰ জীৱন ধাৰণৰ বাবেই হওক, জনগণৰ কল্যাণকামী কাৰ্যকলাপসমূহৰ

বাবেও প্ৰযুক্তিয়েই একমাত্ৰ গুৰুত্বপূৰ্ণ বিনিয়োজন বা সাধনোপায়।' (ভাৰতবৰ্ষ ২০২০, নতুন সহস্ৰাব্দৰ ৰূপৰেখা)

ভাৰতীয় জনগণক গভীৰ শ্ৰদ্ধা জনাই ভাৰতীয় মানসিকতাৰ বিষয়ে তেওঁ কৈছিল, 'প্ৰচণ্ড সহ্যগুণ, কম অনুশাসন, প্ৰতিশোধ লোৱাৰ মানসিকতা নথকা, বহিৰাগতক প্ৰশয় দিয়াৰ ক্ষেত্ৰত উদাৰতা, পৰম্পৰাৰ প্ৰতি থকা বদান্যতা আৰু ব্যক্তিগত নিৰাপত্তাৰ ওপৰত জোৰ দিয়া— এয়ে ভাৰতীয় মানসিকতাৰ কিছুমান বৈশিষ্ট্য।'

(ভাৰতবৰ্ষ ২০২০, নতুন সহস্ৰাব্দৰ ৰূপৰেখা)

প্রযুক্তি

আকিঅ' মোৰিটা

জাপান আজি নতুন বিশ্বৰ আগৰণুৱা দেশ। জাপানক আজিৰ বিশ্বই অতি উচ্চ শিৰেৰে চায়। অকণমানি দেশ এখন। কিন্তু কোনেও এইখন দেশক অর্থনৈতিক শৈল্পিক আৰু কাৰিকৰী দিশত অকণো নেহাঁহে। জাপানী বস্তু বুলিলেই আজি পৃথিৱীয়ে তাক সমীহ কৰি চলে— তাৰ সুক্ষ্ম যন্ত্রপাতিৰ নির্ভৰশীলতাৰ কাৰণে। জাপানী অভিযন্তাই নির্মাণ কৰা যিকোনো শিল্পবস্তু শতকৰা শতাংশই নিখুটকৈ সাজি নুলিওৱালৈকে ভূলতো তাক বজাৰত নেমেলে।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত হিৰোচিমা আৰু নাগাচাকিৰ আণৱিক বোমা বিস্ফোৰণ হোৱাত বিধ্বস্ত হৈ পৰিছিল দেশখন। পৰাভূত ৰাষ্ট্রখনে মিত্রশক্তিৰ ওচৰত আত্মসমর্পণ কৰিছিল। কিন্তু জাতিটোৰ জাতীয় চৰিত্রটো আছিল "ভাগিলেও ভাগিব পাৰে, কিন্তু ভূলটো ধেনুভেৰীয়া নহয়" জাতীয়। সেয়ে যুদ্ধবিধ্বস্ত আৰু পৰাভূত ৰাষ্ট্রখনে মিত্রশক্তিৰ প্রস্থানৰ পিছত নতুন অংগীকাৰ লৈ প্রায়োগিক বিজ্ঞানৰ বিপুল অগ্রগতিৰ জৰিয়তে অর্থনৈতিক দিশত আজি বিশ্বক চমক দেখুৱাইছে। জাপানৰ এই অগ্রগতিৰ যদিও কেবাজনো বৰেণ্য ব্যক্তিৰ অৱদান লুকাই আছে তথাপি এজন ২৪ বছৰীয়া ডেকাৰ যি অনলস সাধনা জড়িত তাক সন্মান জনাবই লাগিব। এই অনমনীয় দৃঢ়তাৰ ডেকাজনৰ নাম হ'ল আকিঅ' মোৰিটা। আকিঅ' মোৰিটা আছিল জাপানৰ নৌ সেনা বাহিনীৰ এজন লেফটেনেন্ট। ১৯২১ চনৰ ২৬ জানুৱাৰী দিনা আকিঅ'ৰ জন্ম হৈছিল। দেউতাক হিকটাৰোৰ প্রথম সন্তান আছিল বাবে দেউতাকে তেওঁৰ নাম থৈছিল আকিঅ' অর্থাৎ "পোহৰ চহকী"। বংশৰ বৰ ল'ৰা বুলি

উপাধিটো জুৰি দিলে মোৰিটা অর্থাৎ "লহপহীয়া ধাননি"।

দেউতাকে আশা কৰিছিল তেওঁৰ দৰে পুত্রইও ব্যৱসায়ৰ প্রতি ধাউতি লগাব। কিন্তু পিতৃৰ আশাত চেঁচা পানী ঢালি আকিঅ'ই পদার্থবিজ্ঞানৰ অধ্যয়নৰ প্রতিহে মনোযোগ দিয়ে। শিক্ষা সাং কৰি আকিঅ'ই যোগদান কৰিছিল নৌবিভাগৰ এটা সামৰিক গৱেষণা কেন্দ্রত। গৱেষণা কেন্দ্রটোত কাম কৰি থাকোতেই আকিঅ'ই এদিন শুনিব পালে জাপানী সম্রাটৰ অঁনাতাৰ ভাষণ— জাপানে মিত্রশক্তিৰ ওচৰত আত্মসমর্পণ কৰিছে। আকিঅ'ই কেন্দ্রটোৰ মূখ্যকর্ত্তা হিচাবে আটাইবোৰ ক'ম বয়সীয়া ল'ৰা আৰু গাভৰু ছোৱালীক ঘৰলৈ পঠিয়াই দিলে। কাৰণ দখলদাৰ মার্কিন সৈন্যবিলাকৰ স্বভাৱ চৰিত্রৰ কথা কোনেও নাজানে। সিহঁতে হয়তো চেমনীয়া ল'ৰাবিলাকক নির্বিচাৰে হত্যা কৰিব আৰু গাভৰু ছোৱালীবিলাকক খেলৰ পুতলা কৰি ধর্ষণ কৰিব।

কেইদিনমানৰ পাছতে জাপানী সম্রাটৰ নির্দ্দেশ আহিল গৱেষণা কেন্দ্রৰ সকলো কাগজ-পত্র পুৰি পেলাব লাগে আৰু গৱেষণা কেন্দ্র পৰিত্যাগ কৰিব লাগে। আকিঅ' ঘৰমুৱা হ'ল।

ঘৰ পোৱাৰ কেইদিনমান পাছতে আকিঅ'ক তেওঁৰ পুৰণি পদার্থবিজ্ঞানৰ অধ্যাপক গৰাকীয়ে মাতি পঠাই তেওঁৰ কলেজৰ এজন অধ্যাপক হবলৈ মান্তি কৰালে। আকিঅ'ই মাক-বাপেকৰ অনুমতি লৈ অধ্যাপক হাট্রোৰিৰ কলেজত যোগ দিলেগৈ। সেই দিনবোৰ এনেকুৱা আছিল যে প্রত্যেক জাপানীয়েই প্রাত্যাহিকতাৰ পৰা যেনে তেনে পলায়নৰ উপায় বিচাৰি হাবাথুৰি খাইছিল। আকিঅ' মোৰিটাৰ মনত খেলালে যদি জাপানী মানুহক অতদিনে নিষিদ্ধ কৰি থোৱা ছর্টৱেভৰ ৰেডিঅ' শুনাৰ কিবা এটা উপায় কৰি দিব পৰা যায়! অৱশেষত তেওঁ আৰু তেওঁৰ পুৰণি বন্ধু মাছাৰু ইবুকাই একেলগে পুৰণি ৰেডিঅ'বোৰত অতি কম খৰছতে ছর্টৱেভৰ ব্রডকাষ্টিং শুনাৰ উপায় এটা উলিয়ালে। তেওঁলোকৰ ব্যৱসায়টো অতি কম দিনতে জনপ্রিয় হৈ পৰিল। দুয়ো যথেষ্ট ধন ঘটিলে আৰু "টোকিও সুচিন কোগিও" নাম দি এটা কোম্পানী খুলিলে।

তেতিয়ালৈকে আকিঅ' কলেজৰ অধ্যাপকেই হৈ আছিল। তেনেকুৱাতে আকিঅ'ৰ কাণত পৰিল, এটা অতি গুৰুতৰ অঁনাতাৰ ঘোষণা।

যুদ্ধৰ সময়ত জাপানী সামৰিক বাহিনীৰ লগত জড়িত যি কোনো বিষয়াকে কোনো স্কুল-কলেজত কাম কৰিবলৈ দিয়া নহয়। বিপদৰ সম্ভাৱনা দেখি আকিঅ'ই অধ্যাপক হাট্ৰোৰীক তেওঁক বিদায় দিবলৈ আবেদন কৰিলে। আৰু অধ্যক্ষক লগ ধৰি বাতৰি কাকতত ওলোৱা এটা প্ৰৱন্ধ দেখুৱালে। প্ৰৱন্ধটো দেখি অধ্যক্ষই তেওঁক বিদায় দিবলৈ মাস্তি হ'ল। আচৰিত কথা, তাৰ পাচতো তেওঁ কলেজৰ পৰা মাহিলী দৰমহা পায়েই থাকিল। অকল সেয়ে নহয় বৃদ্ধিপ্ৰাপ্ত মৰগীয়া বানচৰ পৰিমাণটোও।

সুছি কোগিও কোম্পানীটো আকিঅ' আৰু ইবুকাই ভাৰা ঘৰ এটাৰ পৰা উঠাই নি টোকিওৰ এটা ঠেক গলিত স্থাপন কৰিছিল। কোম্পানীটোৱে নিজৰ ববীয়াকে জৰীপ কৰি গম পালে যে জাপানত এটা বস্তু বৰকৈ জনপ্ৰিয় হৈ পৰিছে। সেইটো হৈছে গ্ৰামোফোন ৰেকৰ্ড। কিন্তু ৰেকৰ্ড তৈয়াৰ কৰাৰ বাবে যি সুক্ষ্ম-তাঁৰৰ প্ৰয়োজন তাৰ যোগান ধৰা কোনো কোম্পানীয়ে তেওঁলোকে নাপালে।

এদিন তেওঁলোকৰ কাৰখানাটোত মাৰ্কিন দখলদাৰ বাহিনীৰ সদৰ কাৰ্য্যালয়ৰ পৰা দুজন ওখ-খাপৰ সামৰিক বিষয়া ওলালহি। তেওঁলোকৰ সদৰ কাৰ্য্যালয়ৰ লগত থকা ষ্টুডিওৰ বাবে কেইটামান সুক্ষ্ম যন্ত্ৰপাতি লাগে। আকিঅ'হতে অৰ্ডাৰটো ল'লে। পাছত, সেই যন্ত্ৰ-পাতিবোৰৰ সুক্ষ্মতা দেখি বিষয়াকেইজনে আচৰিত মানিলে। মনে মনে ক'লে, "মানুহ দুজনৰ মগজুতে কাৰখানাটো আছে।" তেতিয়াৰে পৰা আকিঅ'হতে মাৰ্কিন বাহিনীৰ পৰা বহুতো অৰ্ডাৰ পাবলৈ ধৰিলে।

সেই বস্তুবিলাকৰ টোপোলা এটা দিবলৈ যাওঁতেই এদিন আকিঅ'ৰ চকুত পৰিল এটা ধুনীয়া বাকচ। সেইটো আছিল এটা মাৰ্কিন কোম্পানীৰ টেপ ৰেকৰ্ডাৰ। তেওঁৰ মনত কল্পনাৰ বিজুলীয়ে ভুমুকি মাৰি গ'লহি, তেওঁলোকৰ কোম্পানীয়ে জাপানক তেনেকুৱা এটা বস্তুকেই সাজি যুগমীয়া উপহাৰ দিব। বস্তুটো খুলি-মেলি চাই আকিঅ'হতে নতুন প্ৰকল্প এটাৰ আচনি ল'লে।

কিন্তু গৱেষণাৰ কাম হাত দিয়েই আকিঅ'হতে গম পালে বস্তুটো সাজি উলিয়াবলৈ লগা মেগ্‌নেটিক টেপ কোনেও যোগান ধৰিব নোৱাৰে। সেয়ে তেওঁ গৰো কডেৰা নামৰ তেওঁৰ সম্পৰ্কীয় ভায়েক এজনৰ ওচৰ চাপিল।

ভায়েকৰ যোগেদি অতি পাতল আৰু মিহি কিন্তু মজবুত কাগজ অলপ পায়েই আকিঅ' আৰু ইবুকাই ক্ষুৰেৰে কাটি কাটি কেবাডালো দীঘল ফিটা তৈয়াৰ কৰি ল'লে। দুয়ো ফিটাবোৰ মজিয়াত পেলাই লৈ চৌম্বিক চূৰ্ণৰ লগত ভিন্ ভিন্ ৰসায়নিক মিহলাই সানি চালে। কিন্তু সেইবোৰ অতিপাত শক্তিশালী চৌম্বকধৰ্মী হৈ উঠিল। লাহে লাহে তেওঁলোকে গম পালে, দুৰ্ব্বল চুম্বক মিশ্ৰিত ফিটাইহে কাম দিব। আকিঅ' আৰু ইবুকে দুৰ্ব্বল চুম্বক মিশ্ৰিত ফিটা নিৰ্মাণত সফল হ'ল। ইয়াৰ পাছত অলপ গভীৰভাৱে চিন্তা কৰি তেওঁ বিচাৰি পালে, যিকোনো পণ্য বস্তুৰে একোমুঠি সঠিক গ্ৰাহক থাকে। সেই সঠিক গ্ৰাহক মুঠিক বিচাৰি পোৱাটোৱেই আচল কথা।

এনেতে আকিঅ'ই লক্ষ্য কৰিলে, যুদ্ধৰ পাছৰ পৰা জাপান দেশখনত এবিধ মানুহৰ অভূতপূৰ্ব্ব অভাৱ অনুভূত হৈছে। মানুহবিধি হ'ল ষ্টেনোগ্ৰাফাৰ-দ্ৰুতলেখনকাৰী। ভাবি চিন্তি এদিন তেওঁ উচ্চতম ন্যায়ালয়ৰ মূখ্য ন্যায়াধীশক লগ ধৰিলেগৈ। তেওঁৰ মুখৰ পৰা আকিঅ'ই গম পালে আদালতৰ ৰায়দানৰ গতি মন্থৰ হৈ আহিছে। কোনোবাই যদি ঘৰতে বহি সেইবোৰ লিখি উলিয়াব পাৰিলেহেতেন। আকিঅ' মোৰিটাই সেইদিনাই কুৰিটা টেপ ৰেকৰ্ডাৰ বিক্ৰী কৰিলে। তাৰ পাছত উচ্চ-ন্যায়ালয়বোৰ আৰু সাধাৰণ আদালতবোৰত তেওঁৰ টেপ-ৰেকৰ্ডাৰবোৰ শ-হাজাৰৰ লেখত বিক্ৰী হ'ল।

তাৰ পাছত তেওঁ চকু দিলে স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়বোৰৰ পিনে। যুদ্ধৰ পিছৰ পৰা জাপানৰ শিক্ষা-নুষ্ঠানবোৰ প্ৰথম শ্ৰেণীৰ শিক্ষকসকলৰ সেৱাৰ পৰা বঞ্চিত হৈ পৰিছিল। আকিঅ'ই প্ৰথম শ্ৰেণীৰ শিক্ষকসকলৰ ভাষণবোৰ টেপ ৰেকৰ্ডাৰত টেপ কৰিলে। আৰু শ্ৰেণীত হাজিৰ হোৱা শিক্ষকসকলৰ সহায়ত চোৰাংকৈ ছাত্ৰসকলক বজাই শুনালে। নতুন জাপানে তেনেকৈয়ে ঠন ধৰি উঠিল।

তাৰ পিছত আকিঅ'ৰ ব্যৱসায় ৰমৰমীয়া হৈ পৰিল প্ৰযুক্তি বিজ্ঞানৰ নতুন আৱিষ্কাৰ ট্ৰেনজিষ্টৰৰ জৰিয়তে। আকিঅ'ই এটা কথা বঢ়িয়াকৈ জানিছিল জাপানী মন সদায় কণমান নিখুট বস্তুৰ প্ৰতি আগ্ৰহী। ট্ৰেনজিষ্টৰৰ ব্যৱহাৰে তাৰ আয়তনৰ কণমানি ৰূপটোৰ বাবে জাপানী সমাজত জনপ্ৰিয় হৈ পৰিল।

আকিঅ'ই তাৰ পাছত তেওঁৰ কোম্পানীৰ বেনাৰত নিৰ্মাণ কৰি উলিয়াই প্ৰখ্যাত 'চনি ৰেডিও'। সেইটো আছিল চোলাৰ জেপত লৈ ফুৰিব পৰা এটা

পকেট ৰেডিও।

"টোকিও টেলিকমিউনিকেচন" নামটো বৰ দীঘলীয়া। আকিঅ'ই ইংৰাজী 'T' আখৰটো এটা পিৰামিডৰ লেখিয়াকৈ লিখি এটা বৃত্তৰ ভিতৰত থৈ দিলে। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে সেই প্রতীকটোৰ লগত পৰিচয় হ'ল। আকিঅ' মোৰিটাই প্রতীকটোৰ পঞ্জীয়নৰ সকলো ব্যৱস্থা ল'লে মেৰিটাই। অচিৰেই জাপান চৰকাৰে মোৰিটাৰ পৰা পাঁচহেজাৰ ডলাৰৰ বিনিময়ত সেই স্বত্বাধিকাৰ কিনি ল'লে। সেইখিনি ধনেৰেই সময়ত জাপান চৰকাৰে বহু কোটি ডলাৰ অর্জ্জন কৰি বিশ্ব অর্থনীতিৰ বজাৰখন জয় কৰি ল'লে। এইদৰেই জাপানে আকিঅ' মোৰিটাই জাপানী শিল্পত স্থাপন কৰা সৃষ্টিৰ মর্য্যদাপূর্ণ স্বাক্ষৰেৰে বিশ্বৰ প্রযুক্তিৰ জগতখন জয় কৰিলে। দ্বিতীয় মহাসমৰত অস্ত্রযুদ্ধত তেওঁলোক পৰাস্ত হ'ল হয়, প্রযুক্তি বিজ্ঞানত কিন্তু তেওঁলোকে দেশক এক সাহসিক নেতৃত্ব দিলে। ইয়াৰ বাবে জাপান তথা বিশ্বই আকিঅ' মোৰিটাৰ প্রতিভাক সোণালী আখৰেৰে স্বীকৃতি দিব লাগিব।

Dhubri Mahavidyalaya Dhubri

সাহিত্য

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

নতুন পৃথিৱীৰ ন চকুজুৰিত দীপ্তি ঢালি লৈ, পুৰণি পৃথিৱীক ন দৃষ্টিৰে চাই অসমীয়া ভাষা সাহিত্যৰ পুৰণি ভঁৰালটোক নতুন সৃষ্টিৰে বিনন্দীয়াকৈ বেজবৰুৱাদেৱে সজাই থৈ গ'ল। ইং ১৮৬৪ চনৰ লক্ষ্মী পূর্ণিমাৰ দিনা শিৱসাগৰৰ এটি সম্ভ্রান্ত পৰিয়ালত লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয়। বেজবৰুৱাৰ নিজা ভাষাত তেওঁ ভূমিষ্ঠ নহৈ "নৌকাস্থ" হৈছিল। তেওঁৰ যশস্বী পিতৃ দীননাথ বেজবৰুৱা ৰজা পুৰন্দৰ সিংহৰ ৰাজবৈদ্য আছিল আৰু পৰৱর্ত্তী কালত কোম্পানী চৰকাৰৰ এগৰাকী উচ্চপদস্থ বিষয়া আছিল। চাকৰিসূত্রে পিতৃ দীননাথ এঠাইৰ পৰা আনঠাইলৈ বদলি হৈ থকাৰ ফলত লক্ষ্মীনাথৰ শৈশৱ ৰাজ্যখনৰ বিভিন্ন ঠাইত অতিবাহিত হয়। অৱসৰ গ্রহণৰ পাছত দীননাথ শিৱসাগৰৰ পৈত্রিক ভেটিতে নিগাজীকৈ থাকিব লয়।

নৈষ্ঠিক বৈষ্ণৱ বেজবৰুৱা পৰিয়ালত উক্তপন্থাৰ সকলোবোৰ উৎসৱ উৎসাহেৰে পালন কৰা হৈছিল। সেয়ে লক্ষ্মীনাথৰ জীৱনত এই ধর্মীয় বাতাবৰণৰ চিৰস্থায়ী প্রভাৱ পৰে।

শিৱসাগৰৰ চৰকাৰী বিদ্যালয়ৰ পৰা প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হৈ লক্ষ্মীনাথে উচ্চ শিক্ষা লাভৰ অর্থে কলিকতালৈ যাত্রা কৰে। এই যাত্রাই তেওঁৰ জীৱনৰ গতিপথ সম্পূর্ণ সলনি কৰি দিয়ে। ১৮৯০ চনত এচেমব্লী কলেজৰ পৰা তেওঁ স্নাতক হয়। তাৰ পাছত এম. এ. অধ্যয়ন কৰে যদিও ডিগ্রী নোহোৱাকৈ অধ্যয়ন সমাপ্ত কৰে।

লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা, হেমচন্দ্র গোস্বামী আৰু অন্যান্যসকলে অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ অর্থে ১৮৮৮ চনত "অসমীয়া ভাষা উন্নতি সাধিনী সভা" নামে এটি অনুষ্ঠান গঢ়ে। পাছৰ বছৰতে

তেওঁলোকে "জোনাকী" নামৰ এখন মাহেকীয়া কাকতো প্ৰকাশ কৰে। এই সাময়িকীৰ যোগেদি পাশ্চাত্য চিন্তা আৰু ভাৱাদৰ্শ অসমীয়া সাহিত্যত প্ৰৱেশ কৰে। আৰু এটি যথাৰ্থ আধুনিক যুগৰ সূচনা হয়। তৃতীয় আৰু চতুৰ্থ বছৰত বেজবৰুৱা কাকতখনৰ সম্পাদক আছিল। জোনাকীয়ে অসমলৈ কঢ়িয়াই আনে নৱ-জাগৰণ। কাব্য, গল্প, উপন্যাস, প্ৰৱন্ধ, কবিতাৰে ৰৌজাল-ৰৌজাল হৈ জোনাকীয়ে অসমৰ বুকুত শিহৰণ তুলিছিল।

জোনাকীৰ পাততে বেজবৰুৱাৰ সাৰ্থক সাহিত্য কৃতি "লিটিকাই" নামৰ প্ৰহসনখন প্ৰকাশ পায়। এনেদৰেই অৰ্দ্ধশতিকাজোৰা এক লেখক জীৱনৰ সূচনা হয় আৰু এই কালছোৱাত তেওঁ অসমৰ সাহিত্য জগতত সম্পূৰ্ণ আধিপত্য বিস্তাৰ কৰিছিল। বহুতৰ বাবেই বেজবৰুৱা আছিল পথ প্ৰদৰ্শক তথা প্ৰেৰণাৰ উৎস।

কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ প্ৰজ্ঞাসুন্দৰী দেৱীৰ সৈতে বেজবৰুৱা বিবাহ পাশত আৱদ্ধ হয়। বিবাহৰ আগতে তেওঁ আইনৰ ডিগ্ৰী লাভৰো প্ৰয়াস কৰে। কিন্তু পিছত সেই প্ৰয়াস বাদি দি বেজবৰুৱাই বিখ্যাত অসমীয়া ব্যৱসায়ী ভোলানাথ বৰুৱাৰ সৈতে ব্যৱসায়ত নামে। ১৯০৪ চনত তেওঁলোকৰ ব্যৱসায়িক সম্পৰ্কৰ ইতি পৰে। কিছুদিন ধৰি নিজা ৰবীয়াকৈ ব্যৱসায় চলোৱাৰ পাছত তেওঁ ৰার্ড কোম্পানীৰ চাকৰি লৈ উৰিষ্যাৰ চম্বলপুৰলৈ যায় আৰু জীৱনৰ বাকীছোৱা কাল তাতে অতিবাহিত কৰে। বিয়াৰ পাছত এটি চমু ভ্ৰমণৰ বাদে পৰৱৰ্ত্তী ত্ৰিশবছৰ কাল তেওঁ অসমলৈ অহা নাছিল।

১৯২১ চনত তেওঁ অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত সভাপতিত্ব কৰে আৰু ১৯২৪ চনত অসম সাহিত্য সভাৰ সভাপতি নিৰ্ব্বাচিত হয়। গুণমুগ্ধ অসমবাসীয়ে তেওঁক "ৰসৰাজ", "সাহিত্যৰথী" আদি উপাধিৰে ভূষিত কৰে।

১৯৩৮ চনৰ ২৬ মাৰ্চত এইজনা মহান সাহিত্য প্ৰেমীৰ ডিব্ৰুগড়ত মৃত্যু হয়। তেওঁৰ অমূল্য সৃষ্টিৰাজিৰ ভিতৰত তলত দিয়াবোৰ উল্লেখযোগ্য।

গল্প সংকলন — সুৰভি, সাধুকথাৰ কুকি, জোনবিৰি, কেঁহোকলি।
নাটক — চক্ৰধ্বজ সিংহ, বেলিমাৰ, জয়মতী
উপন্যাস — পদুম কুঁৱৰী

কবিতা — কদমকলি আৰু পদুমকলি
সাধুকথা — ককাদেউতা আৰু নাতি ল'ৰা, বুঢ়ী আইৰ সাধু, জুনুকা
জীৱনী — মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, দীননাথ বেজবৰুৱা
আত্মজীৱনী — মোৰ জীৱন সোঁৱৰণ

হাস্য-ব্যংগ ৰচনা — কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা, কৃপাবৰ বৰবৰুৱাৰ ওভটনি, বৰবৰুৱাৰ ভাৱৰ বুৰবুৰণি, বৰবৰুৱাৰ বুলনি, বৰবৰুৱাৰ সাহিত্যৰ ৰহস্য, কৃপাবৰ বৰবৰুৱাৰ সামৰণি।

অন্যান্য — তত্ত্বকথা, শ্ৰীভাগৱত কথা, বাখৰ, কামত কৃতিত্ব লভিবৰ সংকেত, শ্ৰীকৃষ্ণ কথা, অসমীয়া ভাষা আৰু সাহিত্য, পত্ৰলেখা, দিনলেখা, চিত্ৰলেখা, অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ ইত্যাদি।

তদুপৰি বৰোদাৰ মহাৰাজৰদ্বাৰা আমন্ত্ৰিত হৈ বেজবৰুৱাই বৈষ্ণৱ ধৰ্মৰ দৰ্শন সম্পৰ্কে যিটো বিস্তৃত তথ্য সম্বলিত, উচ্চ পৰ্য্যায়ৰ আলেখ্য দাঙি ধৰিলে, সিয়ে বেজবৰুৱাক বিশ্বৰ শ্ৰেষ্ঠ দাৰ্শনিক আৰু মানবতাবাদী সকলৰ শাৰীত প্ৰতিষ্ঠা কৰালে।

১৯০৯ চনত বেজবৰুৱাই নিজা সাহিত্য আলোচনী বাঁহী প্ৰকাশ কৰে আৰু ২০ বছৰ ধৰি এই কাকত চলায়। নিজৰ কাকতৰ বাবে নিজেই কার্টুন আঁকি বেজবৰুৱাই অসমীয়া সাংবাদিকতাৰ এক নৱ দিগন্ত উন্মোচন কৰে।

জাতীয় গৌৰৱত চিৰ গৌৰৱান্বিত বেজবৰুৱা চিৰদিন আশাবাদী আছিল আৰু সেয়েহে অসমীয়া বীৰ-বীৰংগণাসকলৰ গৌৰৱৰ জয়গান গাই কেতিয়াবা হাঁহিৰে, কেতিয়াবা গালিৰে আৰু কেতিয়াবা ধৰ্ম-প্ৰচাৰকৰ ভূমিকাৰে অসমীয়া জাতিৰ বুকুত প্ৰাণ সঞ্চাৰ কৰিবলৈ সব্যসাচী ৰূপে থিয় দিছিল। অসমীয়া সাহিত্যৰ যিটো অংগই অসম্পূৰ্ণ অৱস্থাত দেখা পাইছিল, তাৰেই পৰিপুষ্টিৰ বাবে বেজবৰুৱাই আহোপুৰুষাৰ্থ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পাছত একমাত্ৰ বেজবৰুৱাকে আঙুলিয়াব পাৰি যিয়ে অসমীয়া সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই কেৱল ভাষা-জননীকে জীৱনৰ সকলো শক্তি, সকলো প্ৰজ্ঞা, মনীষাৰে সেৱা কৰি মাতৃ পূজাৰ বেদী উপচাই থৈ গৈছে। সেয়েহে আমি এইজনা দেশ মাতৃৰ ভাষা-সাহিত্যৰ একনিষ্ঠ পূজাৰীক ৰসৰাজ, সাহিত্যৰথী, আৰু সাহিত্য-সম্ৰাট উপাধিৰে বিভূষিত কৰি কৃতজ্ঞতা প্ৰদৰ্শন কৰিছো।

37128

প্রেম চান্দ



দেখাত এজন সাধাৰণ মানুহ। এজন হোজা গাঁওলীয়াৰ দৰে। ওঠৰ ওপৰত একোচা ডাঙৰ গোফ। পিন্ধনত সাধাৰণতে এখন ধূতি আৰু এটা গেঞ্জি। বাহিৰলৈ গ'লে গেঞ্জিৰ ওপৰত এটা কুৰ্ত্তা। এইজনেই প্ৰেমচান্দ। হিন্দী সাহিত্য জগতৰ এজন বিখ্যাত ঔপন্যাসিক আৰু গল্পকাৰ।

প্ৰেমচান্দৰ জন্ম হয় ১৮৮০ চনৰ ৩১ জুলাইত বাৰানসীৰ পৰা চাৰিমাইল আঁতৰৰ লামাহি নামৰ গাঁওত। তেওঁৰ জন্মৰ সময়ত দেউতাক আছিল পোষ্ট অফিচৰ এজন কৰ্মচাৰী। তেওঁ এজন গুণী আৰু চিন্তাশীল লোক আছিল। ১৫ বছৰ বয়সতে তেওঁ প্ৰেম চান্দৰ বিয়া পাতি দিছিল। প্ৰেমচান্দৰ বিয়াৰ এবছৰ পাছতে তেওঁৰ মৃত্যু হৈছিল। মাকৰ মৃত্যু হৈছিল সৰুতে, তেওঁৰ মাথো আঠ বছৰ বয়সত। মাকৰ মৃত্যুত দেউতাকে পুনৰ বিবাহ কৰায়, মাহীমাকৰ আগমণে তেওঁৰ দুখো নাতৰালে আৰু সুখো বৃদ্ধি নকৰিলে। সেই সময়ত তেওঁৰ ঘৰত মতা নাম আছিল নৱাব অথবা ধনপট। প্ৰেমচান্দ তেওঁৰ পিছৰ জীৱনত লোৱা এটা ছদ্মনামহে।

মাক আঁতৰি যোৱাৰ সময়তে দেউতাকে নৱাবক ওচৰৰ গাঁওৰ মৌলবী এজনৰ ওচৰত শিক্ষা লবলৈ পঠায়। কায়স্থ কুলৰ ল'ৰাবিলাকৰ এই শিক্ষা বাধ্যতামূলক যেন আছিল আৰু মৌলবীৰ তাত তেওঁলোকে পাচী আৰু উৰ্দু শিকিছিল। কিন্তু স্কুল তেওঁলোকৰ বাবে এক বিশেষ আনন্দৰ উৎসহে আছিল। জীৱিকাত এজন দৰ্জী মৌলবীজনৰ স্কুলত কোনো ৰেজিষ্টাৰ নাছিল আৰু মৌলবীজনে যেতিয়ালৈ শিক্ষা মাচুল পাই আছিল তেতিয়ালৈ স্কুললৈ কোন আহিছে বা অহা নাই খবৰ নাৰাখিছিল। নৱাবে মাজে মাজে স্কুলৰ পৰা

পলাই গৈ শৈশৱৰ ৰোমান্সৰ মাজত কটাইছিল। তেওঁৰ আত্মজীৱনীত বৰ্ণোৱামতে — "মাজে মাজে আমি পুলিচষ্টেচনৰ ওচৰত ৰৈ পুলিচৰ পেৰেড চাইছিলো নাইবা বান্দৰ বা ভালুক নাচ চাইছিলো। আকৌ কেতিয়াবা ৰেলষ্টেচনলৈ গৈ বিস্ময়েৰে ট্ৰেইনবোৰৰ অহা-যোৱা লক্ষ্য কৰিছিলো। "কেতিয়াবা পুখুৰীত মাছ ধৰি জুইত পুৰি খাইছিল। পোষ্ট অফিচৰ কামত ব্যস্ত দেউতাক আৰু খিংখিঙীয়া মাহীমাকৰ বাবে ঘৰ তেওঁৰ বাবে আকৰ্ষণীয় নাছিল। তেওঁ দেউতাকৰ বদলিৰ লগে লগে কেইমাহমানৰ মূৰে মূৰে বান্দা নাইবা বস্তি, আজমগড় নাইবা গোৰোখপুৰ নাইবা কাণপুৰলৈ গৈছিল। ভ্ৰমণ স্বৰ্গসুখৰ দৰে আছিল আৰু নৱাবৰ উত্তেজনাই পাৰ ভাঙি গৈছিল। দেখা যায় যে নৱাবে তেওঁৰ অভিজ্ঞতাসমূহ অৱচেতন মনত সংৰক্ষণ কৰি ৰাখিছিল আৰু পিছৰ জীৱনৰ তেওঁৰ লিখনিতে প্ৰতিফলিত কৰিছিল।

প্ৰেমচান্দৰ মতে কাৰ্য্যালয়ত কৰা অত্যাধিক পৰিশ্ৰমে দেউতাকক খিং-খিঙিয়া কৰিছিল আৰু দেউতাকৰ সৈতে নৱাবৰ খুব কমহে যোগাযোগ ঘটিছিল। ইয়ে নিসংগতা অনাৰ উপৰিও এক বন্য আৰু অনিয়ন্ত্ৰিত বিকাশ ঘটাইছিল। কিন্তু প্ৰকৃতিয়ে নিজেই কোলাত তুলি লৈ দেউতাক গোৰোখপুৰত থকা কালত নৱাবক বুদ্ধিলাল নামৰ এজন কিতাপ বিক্ৰেতাৰ সৈতে সংযোগ ঘটাই দিছিল। তেওঁ কৈছে, "মই বুদ্ধিলালৰ দোকানলৈ গৈ গাদীত বহি উপন্যাস উলিয়াই লৈ সেইবোৰ পঢ়িছিলো। মাথো ২ নে ৩ বছৰতে মই শ-শ উপন্যাস পঢ়িছিলো। উপন্যাসবোৰ পঢ়াৰ পাছত মই পুৰাণৰ উৰ্দু অনুবাদবোৰ পঢ়িছিলো। আৰু ১৭ টা টিলিজম-ই-হছৰুবাৰ খণ্ড পঢ়ি অটাইছিলো, মই সেইবোৰ প্ৰায় ভক্ষণ কৰিছিলো।" প্ৰেমচান্দৰ শক্তিৰ ভেটি আছিল একোটা মনোজ্ঞ কাহিনী বৰ্ণোৱাত আৰু ১৩/১৪ বয়সৰ তেওঁৰ পঢ়া-মানসিকতায়েই তেওঁৰ এই অবিশ্বাস্য বুনীয়াদ গঢ়ি তুলিছিল। এই সময়তে তেওঁ জীৱনৰ সৰু নাটিকা এখনিও লিখি উলিয়াইছিল।

নৱাবৰ ১৫ বছৰ বয়সতে হোৱা বিয়াখন এক দুঃস্বপ্নত পৰিণত হৈছিল। কাৰণ ই অপৰিপক্ক বয়সৰে বিয়া নাছিল, দম্পতিহালৰ জোৰাও বিসদৃশ আছিল। ভৰি আৰু শৰীৰত জোতা বা কাপোৰ-কানিহীন এই যুগ্মজীৱন বৰ কষ্টকৰ আছিল।

১৮৯৮ চনত তেওঁ দ্বিতীয়বিভাগত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে। হিন্দু

কলেজৰ প্ৰাক্ উত্তীৰ্ণ পৰীক্ষাত অংকত বেয়া কৰা বাবে তেওঁ হিন্দু কলেজতো নাম ভৰ্ত্তি কৰিব নোৱাৰিলে। মেট্ৰিক পৰীক্ষাৰ সুদীৰ্ঘ ১৮ বছৰ আ
চনত অংকৰ সলনি আন বিষয়
হোৱাতহে তেওঁ ইণ্টাৰমেডি
এখনৰ প্ৰধান শিক্ষক এ
যাচে। এয়া আছিল ১৯৯৯ চ
আৰম্ভ কৰে। তেওঁ কিন্তু কিতাপৰ স

১৮ টকাৰে এটা পৰিয়াল চলোৱাটো সেই
এনেতে এটা ঘটনা ঘটিল। তেওঁৰ এজন সহকৰ্মী মৌলবী
কৰ্ত্তৃপক্ষৰ ৰঙা চকুত পৰিল। প্ৰেমচান্দৰ বিশ্বাস জন্মিছিল যে মৌ
শুদ্ধ পথতে আছিল আৰু কৰ্ত্তৃপক্ষই তেওঁৰ প্ৰতি অন্যায় কৰিছিল। তেওঁ মৌলবীজনক মুকলিভাৱে সমৰ্থন কৰিলে। ফলস্বৰূপে কি হ'ল— কৰ্ত্তৃপক্ষৰ শাসনৰ কুঠাৰ তেওঁৰ ওপৰতো পৰিল আৰু তেওঁ চাকৰিটো হেৰুৱালে।

ভাগ্যক্ৰমে কুইন্স কলেজৰ অধ্যক্ষ মিঃ বেকনৰ উদ্যোগত কিছুদিনৰ পাছত প্ৰেমচান্দে এখন চৰকাৰীস্কুলত কাম পালে। এইদৰে ১৯২১ চনলৈ প্ৰেমচান্দে প্ৰতাপগড়, এলাহবাদ, কাণপুৰকে আদি কৰি বিভিন্ন চৰকাৰী স্কুলত শিক্ষকতা কৰে। ক্ৰমাগত বদলি তেওঁৰ স্বাস্থ্যৰ বাবে হানিকাৰক আছিল যদিও তেওঁৰ ভিতৰৰ লেখকমনটোক সমৃদ্ধ কৰিছিল। কিন্তু তেওঁৰ আগবয়সৰ "মন্দিৰৰ ৰহস্য"ৰ বাদে আন লিখনিবোৰে পোহৰৰ মুখ নেদেখিলে।

বাল গংগাধৰ তিলকেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম লোক আছিল যিজনে ভাৰতৰ স্বাধীনতা সংগ্ৰামটো জনজাগৰণৰ আৰু জনতাৰ সক্ৰিয় সহযোগেৰে চলোৱাৰ মত পোষণ কৰিছিল। প্ৰেমচান্দ তিলকৰ আদৰ্শৰ দ্বাৰা বাৰুকৈয়ে অনুপ্ৰাণিত হৈছিল। তদুপৰি বঙ্গদেশৰ দ্বিখণ্ডীকৰণে ত্বৰান্বিত কৰা বঙ্গৰ স্বদেশী আন্দোলনে তেওঁক স্বাধীনতাৰ মূল সংগ্ৰামলৈ টানি নিয়ে। স্বাধীনতা আন্দোলনৰ বাবে সৰ্ব্বস্ব ত্যাগ কৰা বিপ্লবীসকলৰ সংগ্ৰামে প্ৰেমচান্দৰ অনুভূতিক এনেদৰে জগাই তোলে যে তেওঁ অনুপ্ৰাণিত হৈ কেবাখনো ৰচনা লিখে। তেওঁ ইটালীৰ গেৰিবল্ডি আৰু মেজ্জিনিৰ পৰা আদি কৰি স্বামী বিবেকানন্দলৈকে নিজৰ দেশৰ বাবে উৎসৰ্গীকৃত প্ৰাণৰ কেবাজনো স্বদেশহিতৈশীৰ জীৱনী লিখে। প্ৰথম গল্পটো আছিল, "অত্যন্ত

মুন্ছ ৰাজ আনন্দ

২০০৪ চনৰ ২৮ চেপ্তেম্বৰত
জী ভাষাৰ ভাৰতীয় লেখক মুন্ছ
ানন্দৰ মৃতুৰ লগে লগে যেন
সাহিত্য জগতৰ এটা যুগৰ
। ভাৰতীয়-ইংৰাজী
পে জনাজাত মুন্ছ
উপৰি বহু
লাভ
ই আনিছিল।
নিয়মিতভাৱে লিখা অভ্যাস এটা গড়ি তুলিছিল। তেওঁ বিশ্বাস নকৰিছিল। তেওঁৰ কলম চেৰেণা বজাৰৰ কাৰণেৰেই নহয়। আহিছিল। তেওঁ "মুড"ৰ দাস নাছিল, গৰকাহে আছিল। প্ৰেমচান্দে নিজকে স্বাধীনতাৰ যোদ্ধা বুলি ভাবিছিল, কলম আছিল তেওঁৰ বাবে বাইফল। বহু ছুটী গল্প, ছয়খন ডাঙৰ-সৰু উপন্যাস আৰু সমসাময়িক সমস্যাৰ ওপৰত বিভিন্ন ৰচনা লিখি তেওঁ প্ৰকাশ কৰে। দুখন উল্লেখযোগ্য উপন্যাস "ৰৰদান" আৰু "সেৱাসদন" এইখিনিতে উল্লেখযোগ্য।

ইতিমধ্যে মহাত্মা গান্ধীৰ আহ্বানক্ৰমে প্ৰেমচান্দে ২১ বছৰীয়া চৰকাৰী শিক্ষকতা ত্যাগ কৰিবলৈ সিদ্ধান্ত লয়। পৰিশ্ৰমী আৰু তীব্ৰ ইচ্ছাশক্তিৰ তেওঁৰ পত্নীয়ে তেওঁৰ কাষত থিয় দিয়ে আৰু তেওঁক সৰ্ব্বোতপ্ৰকাৰে সেৱা কৰিবলৈ মনোভাৰ প্ৰকাশ কৰে।

চৰকাৰী চাকৰি এৰি তেওঁ কেইমাহমান হিন্দী আলোচনী "মৰ্য্যাদা"ৰ সম্পাদক হিচাপে কাম কৰে। কিন্তু সেইটো কামো এৰি দি তেওঁ গাঁওলৈ ঘূৰি গৈ এটা ছপাশাল স্থাপনৰ কথা চিন্তা কৰে। গাঁওৰ ওচৰৰে চহৰ এখনত তেওঁ ছপাশাল খোলে। কিন্তু কিছুদিন পাছতেই নানা সমস্যাই দেখা দিয়ে। কেতিয়াবা প্ৰেছৰ কৰ্ম্মীসকলক দৰমহা দিবলৈ পইছা নোহোৱা হয়, কেতিয়াবা কাগজৰ সদাগৰ সকলক। কিন্তু প্ৰেমচান্দে তেওঁৰ আদৰ্শক উচ্চ কৰি ৰাখে। তেওঁৰ সৃষ্টিশীলতাক অক্ষুণ্ণ ৰাখি এই দুৰ্যোগৰ মাজতো তিনিখন উপন্যাস

"প্রতিজ্ঞা", "নির্মলা" আৰু "গবন" লিখে। তদুপৰি কিছু ছুটীগল্প। তাৰ পিছতো দুখন বৃহৎ উপন্যাস "ৰংগভূমি" আৰু "কায়াকল্প" আৰু দুখন নাটক "সংগ্রাম" আৰু "কাৰবালা" লিখি উলিয়ায়। বাৰাণসীলৈ ঘূৰি গৈ স্বাধীনতা সংগ্রামৰ ওপৰত ভিত্তি কৰি উপন্যাস "কর্মভূমি" লিখে। তাৰ পিছতে তেওঁৰ অমৰ সৃষ্টি "গোদান" উপন্যাস খনিৰ কাম আৰম্ভ কৰে। দুখন আলোচনীত কাম কৰি ব্রিটিছসাম্রাজক তীব্রভাৱে আক্রমণ কৰি যায়। সেইসময়তে তেওঁ মুম্বাইৰ চিনেমা প্রতিষ্ঠান এটাৰ পৰা চিনেমাত কাম কৰাৰ আহ্বান পাইছিল। কিন্তু এবছৰ নৌহওতেই তেওঁ মুম্বাইৰ পৰা বাৰাণসীলৈ উভতি আহি "গোদান" সম্পূর্ণ কৰাত লাগি যায়। গোদান ভাৰতবর্ষত প্রচুৰ জনপ্রিয় হোৱাৰ লগতে "ইউনেস্কো" (UNESCO) ৰ এচিয়ান সাহিত্যৰ শিতানত ইংৰাজীত "The gift of the cow" নামেৰে প্রচাৰিত। গ্রাম্য শোষণৰ চিত্র কিতাপখনত সুন্দৰভাৱে পৰিস্ফুট। ১৯৩৬ চনত ভাৰতৰ উদীয়মান লেখক কেতবোৰে লক্ষ্ণৌৰ প্রথম সর্বভাৰতীয় লেখক সমাৱেহত প্রেমচান্দক সভাপতি মনোনীত কৰে। প্রেমচান্দে আনন্দেৰে এই আহ্বান গ্রহণ কৰে। তেওঁৰ ছুটীগল্পৰ সংগ্রহ "কাফানে" তেওঁৰ ছুটীগল্পৰ সংকলন সমূহৰ ভিতৰত শীর্ষস্থান পায়। কাৰণ ভোক আৰু শোষণে মানৰতা ধূলিস্যাৎ কৰা শ্রমজীৱি মানুহৰ চিত্র ইয়াত বর্ণোৱা হৈছে। তাৰ পিছতে তেওঁৰ ৰচনা সংগ্রহ "মহাজনী সভ্যতা" প্রকাশ পায়।

এইদৰে দীর্ঘ জীৱন জুৰি সৃষ্টিৰ সাধনাত লিপ্ত প্রেমচান্দ শেষত ভাগৰি পৰে। তেওঁ শয্যাগত হয় আৰু স্বাস্থ্য ক্রমে বেয়াৰ ফালে গতি কৰে। বিভিন্ন ডাক্তৰৰ পৰামর্শ আৰু বিভিন্ন ঔষধেও তেওঁক কাম নিদিলে। অৱশেষত ১৯৩৬ চনৰ ৮ অক্টোবৰৰ ৰাতিপুৱা তেওঁৰ জীৱন বর্ত্তি নির্বাপিত হয়। কিন্তু প্রেমচান্দ মৰিও অমৰ। কাৰণ তেওঁৰ জীৱনৰ প্রতিটো মূহুর্ত্ত, প্রতিটো ঘণ্টা সৃষ্টিশীল আৰু অর্থপূর্ণ ভাৱে অতিবাহিত কৰিছিল।

মুল্ক ৰাজ আনন্দ

২০০৪ চনৰ ২৮ চেপ্তেম্বৰত ইংৰাজী ভাষাৰ ভাৰতীয় লেখক মুল্ক ৰাজ আনন্দৰ মৃতুৰ লগে লগে যেন ভাৰতীয় সাহিত্য জগতৰ এটা যুগৰ অৱসান ঘটিল। ভাৰতীয়-ইংৰাজী সাহিত্যৰ জনক হিচাপে জনাজাত মুল্ক ৰাজ আনন্দে পদ্মভূষণৰ উপৰি বহু ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় সন্মান লাভ কৰি নিজলৈ আৰু ভাৰতলৈ গৌৰৰ কঢ়িয়াই আনিছিল।

আনন্দৰ জন্ম হৈছিল পেছোৱাৰৰ এটা ৰক্ষণশীল পৰিয়ালত ১৯০৫ চনত। তেওঁ শিক্ষা গ্রহণ কৰে ক্রমে অমৃতসৰৰ খালছা কলেজ আৰু পঞ্জাৰ বিশ্ববিদ্যালয়ত। ১৯২৬ চনত পঞ্জাৰ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্রী লাভ কৰাৰ পিছত তেওঁ ইংলেণ্ডৰ কেম্ব্রিজ আৰু লণ্ডন বিশ্ববিদ্যালয়লৈ যায় আৰু ১৯২৯ চনত লণ্ডনত পি এইচ ডি ডিগ্রী লাভ কৰে।

মুল্ক ৰাজ আনন্দৰ কর্মক্ষেত্র বিশাল! ডক্টৰেট পোৱাৰ পিছত তেওঁ পঞ্জাৰ বিশ্ববিদ্যালয়ৰ সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ "ঠাকুৰ অধ্যাপক" হয়। কিছুদিন পিছতে ছিমলাৰ "Institute of Advance Studies"ৰ ভিজিটিং প্রফেচৰৰ আহ্বান আহে। তেওঁ কিছুদিন জেনেভাস্থিত "লীগ অফ নেচনচ স্কুল অৱ ইন্‌টেল্লুচুৱেল কো অপাৰেশ্যনতো" কার্যনির্বাহ কৰে।

আনন্দে তেওঁৰ কর্মজীৱনৰ সময়সীমা লণ্ডন আৰু ভাৰতৰ মাজত ভগাই লৈছিল। ১৯৩০ আৰু ১৯৪০ দশক দুটা তেওঁ লণ্ডনত সাহিত্য চর্চ্চা আৰু গান্ধী আদর্শৰ বিভিন্ন কাম-কাজত নিজকে নিয়োজিত কৰিছিল। ভাৰতৰ স্বাধীনতা সংগ্রামৰ আহ্বানে তেওঁকো উতলা কৰিছিল। সেয়ে তেওঁ লণ্ডনৰ পৰা আহি গান্ধীৰ অহিংস অসহযোগ আন্দোলনৰো সক্রিয় কর্মী হয়। সেই

সময়ত পৃথিৱীৰ বিভিন্ন প্ৰান্তত চলি থকা স্বাধীনতা সংগ্ৰামে তেওঁৰ মন-প্ৰাণ টানি নিছিল আৰু তাৰ প্ৰেৰণাতে তেওঁ স্পেইনৰ গৃহযুদ্ধৰ ৰিপাব্লিকানসকলৰ বিৰুদ্ধে চলা যুদ্ধত তেওঁৰ সেৱা আগবঢ়ায়। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁ লণ্ডনৰ বি বি চি কাৰ্যালয়ৰ চিত্ৰনাট্যকাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেওঁ "ললিত কলা অকাডেমী"ৰো অধ্যক্ষ আছিল।

মুল্ক ৰাজ আনন্দৰ সাহিত্য কৰ্ম বৰ্ণময়। তেওঁৰ ইংৰাজীত লিখা "আনটাচেবল", "টু লীভচ এণ্ড এ বাড" আৰু "কুলী" য়ে তেওঁক সাহিত্য জগতৰ শীৰ্ষস্থানত প্ৰতিষ্ঠিত কৰে। তেওঁৰ লিখনিৰাজি ক'বলৈ গ'লে মাৰ্ক্সবাদী আদৰ্শৰে উদ্বুদ্ধ। তেওঁৰ সৃষ্টিৰাজিত অংকন কৰিছিল দৰিদ্ৰ ভাৰতৰ বাস্তৱ আৰু সহানুভূতিপূৰ্ণ প্ৰতিচ্ছবি। মুল্ক ৰাজ আনন্দেই প্ৰথমজন লেখক যি ইংৰাজী ভাষাত পঞ্জাৱী আৰু হিন্দুস্তানী প্ৰৱচনৰ প্ৰৱেশ ঘটাইছিল।

তেওঁৰ সাহিত্যিক জীৱন আৰম্ভ হৈছিল এটা পৰিয়ালগত দুৰ্ঘটনাৰে, য'ত তেওঁ জাতিভেদ প্ৰথাৰ কঠোৰতা প্ৰত্যক্ষ কৰিব লগা হৈছিল। তেওঁৰ প্ৰথম গদ্য ৰচনা হৈছিল খুৰীয়েকৰ আত্মহত্যাৰ প্ৰতিফলন হিচাপে। যিজনী খুৰীয়েকক তেওঁক পৰিয়ালে এজন মুছলমানৰ লগত আহাৰ গ্ৰহণ কৰা বাবে সমাজচ্যুত কৰিছিল। তেওঁৰ "আনটাচেবল" গ্ৰন্থখন ভাৰতৰ অস্পৃশ্য সমাজৰ এজন লোকৰ দৈনন্দিন জীৱনৰ কাহিনীৰে প্ৰতিফলন।

আনন্দৰ দ্বিতীয় গ্ৰন্থ "কুলী" (১৯৩৬) ত তেওঁ ভাৰতৰ দৰিদ্ৰ সমাজৰ সামাজিক অৱস্থা প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছে। ইয়াত তেওঁ এজন ১৫ বছৰীয়া ছোৱালীৰ "শিশু শ্ৰমিক" হিচাপে অভিজ্ঞতা আৰু পৰিণতিত যক্ষ্মাৰোগত মৃত্যুৰ কাহিনী চিত্ৰিত কৰিছে।

"টু লিভচ এণ্ড এ বাড" (১৯৩৭)ত তেওঁ এজন শোষিত চাহ খেতিয়কৰ কাহিনী বৰ্ণাইছে। যিজন শেষত বৃটিছ ঔপনেশেবাদী বিষয়া এজনৰ ধৰ্ষণৰ পৰা নিজৰ ছোৱালীক বচাবলৈ গৈ মৃত্যু বৰণ কৰে। সুখৰ কথা যে "টু লিভচ এণ্ড এ বাড" কিতাপখন "এটি কলি দুটি পাত" নামেৰে সাৱলীল ভাষাত অসমীয়ালৈ অনুদিত হৈছে।

১৯৪৬ চনত মুল্ক ৰাজ আনন্দ ভাৰতলৈ ঘূৰি আহে আৰু নতুন উদ্যমেৰে সাহিত্যসৃষ্টিত ব্ৰতী হয়। ইয়াৰ আগেয়ে তেওঁ "দি ভিলেজ", "এক্ৰচ দি ব্লেক ওৱাটাৰ", "দি চণ্ডৰ্ড এণ্ড দি ছিক্‌ল" ইত্যাদি উপন্যাস লণ্ডনত লিখি

অটাইছিল। তেওঁ ভাৰতলৈ ঘূৰি আহি লিখা উপন্যাসৰ ভিতৰত "দি প্ৰাইভেট লাইফ অফ এন ইণ্ডিয়ান প্ৰিন্স" (১৯৫৩) উল্লেখযোগ্য। তেওঁ "মাৰ্গ" নামৰ দিগ্‌দৰ্শনকাৰী এখন সাহিত্য আলোচনীও উলিয়ায় আৰু বিভিন্ন বিশ্ববিদ্যালয়ত পাঠদান কৰে।

মুল্ক ৰাজ আনন্দে তেওঁৰ সমস্ত সম্পত্তি এখন উইলৰ জৰিয়তে তেওঁ স্থাপন কৰা "সৰ্বোদয় ট্ৰাষ্ট" এখনক দান কৰি থৈ গৈছে। তেওঁৰ শেষ ইচ্ছা আছিল এয়ে যে তেওঁৰ সম্পত্তি আৰু অন্যান্য সামগ্ৰী সমূহ যাতে দানৰ জৰিয়তে দুখীয়া সৰ্বস্বান্ত মানুহৰ হাতত পৰে। ভাৰতৰ দৰিদ্ৰ জনসাধাৰণৰ প্ৰতি থকা তেওঁৰ অনুৰাগৰ এয়া এক সৰ্বোৎকৃষ্ট নিদৰ্শন।

প্ৰজ্ঞা আৰু বদান্যতাৰে উজ্জ্বল এই গৰাকী অসীম প্ৰতিভাশালী লোকক আমি শ্ৰদ্ধাঞ্জলি যাচিলো।

পওলো কৰেলহো - এটি স্কেছ

পওলো কৰেলহো (Paulo Coelho) এজন আমেৰিকান লেখক। পশ্চিমৰ দেশসমূহৰ জনপ্ৰিয় লেখক আৰু ভাৰতকে ধৰি এচিয়ান দেশসমূহৰ মন জয় কৰা তেওঁ এনে এজন লেখক যিজনে তেওঁৰ প্ৰথম সৃষ্টি "দি এলকেমিষ্ট" (The Alchemist) নামৰ গ্ৰন্থখনৰ জৰিয়তে সমগ্ৰ বিশ্বৰে পাঠকক মন্ত্ৰমুগ্ধ কৰি পেলাইছে। গ্ৰন্থখনৰ ২৭ নিযুত কপি বিক্ৰী হৈছে। অসাধাৰণ সাহিত্যিক প্ৰতিভাৰ অধিকাৰী কৰেলহোৱে কৈছে যে কিতাপখন তেওঁৰ জীৱনৰ এক মাইলৰ খুটি। সৃষ্টিশীল লেখক হিচাপে তেওঁৰ যাদুকৰী শক্তিক উলাই কৰাটো কঠিন। তেওঁৰ কিতাপখন পঢ়ি গ'লে পঢ়োতা জনৰ ভাৰ হ'ব তেওঁ যেন এজন ধাতুবিদ্যা বিশাৰদলৈ পৰিৱৰ্ত্তিত হৈছে। পৃথিবীৰ অন্যতম সফল এই লেখক গৰাকীয়ে কয়, "আপুনি আপোনাৰ অনুভূতিৰ কণ্ঠক কেতিয়াও অৱজ্ঞা কৰিব নোৱাৰে।" তেওঁ আৰু কয় "কিতাপৰ জৰিয়তে মই মোৰ আত্মাক পাঠকৰ সৈতে জড়িত কৰোঁ। মই কিছুমান সহজ সৰল কথা কওঁ। যেনে, ভালপোৱা, বন্ধুত্ব, সম্পৰ্ক, কষ্ট আৰু হিয়া ভঙা ঘটনা। মই পাঠকক এই নিৰাশাৰ পৃথিবীখনত আশাৰ বাণী শুনাব খোজোঁ। মই পৰাজয়ৰ পৰা তেওঁলোকক ভীতিগ্ৰস্ত হ'বলৈ বাধা দিওঁ। মোৰ কিতাপৰ জৰিয়তে মই মাথোঁ পাঠকৰ মনোবল উৎসাহিত কৰিবলৈ চেষ্টা কৰোঁ। মই জনসাধাৰণক কেৱল স্পৃহা আৰু আশাৰে জীয়াই থাকিবলৈ কওঁ। অৱশ্যে মই তেওঁলোকক নকওঁ যে এইটোৱেই ভালপোৱা আৰু জীয়াই থকাৰ উপায়। মই মাথো কওঁ যে নিজকে আৱিষ্কাৰ কৰা।"

কৰেলহোৰ পৰৱৰ্ত্তী কিতাপখন "দি এলেভেন মিনিটচ্" এও বিশ্বত

খলকনি তুলিছে। দক্ষিণ ফ্ৰান্সৰ তীৰ্থভূমি এখনত এজন তপস্বীৰ দৰে বাস কৰা কৰেলহোৰ এইখন এখন অৱিশ্বাস্য উপন্যাসৰ কাহিনী।

কৰেলহো যিখন তীৰ্থ সদৃশ স্থানত থাকে তাৰ বাসিন্দা ১৯০ জন। তাত আছে তেওঁৰ শিলৰ এটা ঘৰ। তেওঁৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য অটুট ৰাখিবলৈ তেওঁ দীৰ্ঘ দূৰত্ব খোজ কাঢ়ে। সময় পালেই লিখিবলৈ বহে আৰু পঢ়ে। অৱসৰ সময়ত তেওঁ ধনুৰ্বিদ্যা অভ্যাস কৰে। তেওঁ কৈছে যে তেওঁৰ খোৱা কেক্ আৰু পাওৰুটি কিনিবলৈও তেওঁ কাষৰ গাঁওখনলৈ খোজ কাঢ়ি যাব লাগে। তেওঁৰ চুলি কটা নাপিতজনো কাষৰ চহৰতে থাকে। তেওঁৰ বাগিছাখন চোৱা-চিতা কৰি তেওঁ বিমল আনন্দ উপভোগ কৰে।

কৰেলহোৱে নিজকে আৰু এনেদৰে প্ৰকাস কৰিছে "মই মানুহক সপোন দেখাতো বিচাৰোঁ। তেওঁলোকৰ মনৰ অভ্যন্তৰৰ চিন্তাৰ সৈতে সমন্বয় হোৱাটো বিচাৰো। এল্‌কেমিষ্ট কিতাপখন মোৰ জীৱনৰ দিগ্‌দৰ্শন স্বৰূপ। কিতাপখন মাথোঁ দুসপ্তাহতে লিখি মই শেষ কৰিছো। প্ৰকাশক বিচাৰি মই হাবাথুৰি খাইছিলো। এইখন মোৰ জীৱন কাহিনী, ইয়াত আছে কিদৰে মোৰ জীৱনত শ্ৰেষ্ঠ সিদ্ধান্ত ল'বৰ বাবে মই চেষ্টা কৰিছিলো।... এল্‌কেমিষ্টখন লিখাৰ আগতে মই কবিতা লিখিছিলো।"

"নিউজউইক" নামৰ আলোচনীখনে তেওঁক পৃথিবীৰ ৫ জন শ্ৰেষ্ঠ লেখকৰ ভিতৰত স্থান দিছে। তেওঁৰ "ফেন চাৰ্কোল"ৰ ভিতৰত আছে বিল ক্লিণ্টন আৰু মেডোনাৰ দৰে পৃথিৱীক চমক লগোৱা মানুহবোৰ। কৰেলহোৱে নিজেই কয়, "মোৰ সফলতা মোৰ নিজৰ বাবেই অবিশ্বাস্য। মোৰ সমালোচকসকলে মোৰ আদৰ্শ মানি নলয়। তথাপি মই পৃথিবীৰ এজন অধিকভাৱে পঠনীয় লেখক। ইয়েই নুসুচাইনে পাঠকে সাধাৰণতে কি পঢ়িব বিচাৰে।"

কৰেলহোক বহুতে নতুন যুগৰ গুৰু হিচাপে প্ৰতিষ্ঠিত কৰিব বিচাৰে। কৰেলহোৱে ইয়াৰ উত্তৰত কয়, "নহয়। মই কোনো গুৰু নহয়। কিন্তু মই মোৰ পাঠকক মোৰ লিখনিৰ লগত একাত্ম কৰিব বিচাৰো আৰু জীৱন সলনি কৰিব পৰা সিদ্ধান্ত লোৱাটো বিচাৰো। মোৰ লিখনি বাস্তৱানুগ। মই কেৱল মানুহক ক'ব বিচাৰো— সপোন দেখা।"

কৰেলহোৱে অজানাক জানিবলৈ বিচাৰে। তেওঁ যাদুবিদ্যা ভাল পায়।

তেওঁৰ ব্যক্তিগত লক্ষ্যত উপনীত হোৱাৰ আগলৈকে তেওঁ মাদক দ্ৰব্যৰ ব্যৱসায়ত আছিল। তেওঁৰ মগজুত ক্ৰিয়া কৰা যিখন কিতাপ এতিয়া তেওঁ শেষ কৰাত লাগিছে, সেইখন হ'ল মহাত্মা গৌতম বুদ্ধৰ জীৱন এষণা "ওৱাৰিয়ৰ অফ দি লাইট।"

১১ মিনিট (এলেভেন মিনিট্চ) খন লিখিবৰ সময়ত কৱেলহো এটা ৰেড্ লাইট এৰিয়াত বাস কৰিছিল তেওঁ দেহোপজিৱনীসকলৰ ওপৰত গৱেষণা কৰে। তেওঁৰ মতে চেক্স বা যৌনতা এটা শক্তিশালী অনুভূতি। ই আমাৰ ব্যক্তিগত সম্পৰ্কসমূহো ধ্বংস কৰিব পাৰে। ই এটা শাৰিৰীক ক্ৰিয়া নহয়, মানৱীয় অনুভূতিৰ গভীৰতকৈও গভীৰ এটা দিশ। ই আত্মালৈ যাত্ৰাৰ এটা পথ।

তেওঁৰ আৰু কি পৰিকল্পনা আছে সুধিলে তেওঁ কয়, বিবাহ সম্পৰ্কে কিতাপ এখন লিখা। তেওঁৰ মতে, "বিবাহ এটা জটিল আৰু আচৰিত সম্পৰ্ক। মই আচৰিত হওঁ মানুহ কেনেকৈ দশকৰ পাছত দশক বিবাহিত হৈ থাকে। আমাৰ অনুভূতিসমূহ ইমান সুক্ষ্ম যে ই প্ৰায় আশ্চৰ্যকৰ। মই চাৰিবাৰ বিবাহত সোমাইছো। মই অন্বেষণ কৰিব বিচাৰো প্ৰতাৰিত হোৱা সত্ত্বেও বৈবাহিক জীৱন কেনেদৰে স্থায়ী হয়।"

তেওঁৰ সুখানুভূতিৰ আঁৰত কি বুলি সুধিলে তেওঁ কয়, "এই ক্ষেত্ৰত মোৰ কোনো গোপনীয়তা নাই। সুখ বিচৰাৰ পথ হ'ল অন্তৰৰ পৰা অহা অনুভূতিক সিদ্ধান্তলৈ ৰূপান্তৰিত কৰা আৰু বাস্তৱানুগত হোৱা।"

অলেখ পাঠকক মোহাৰিষ্ট কৰি ৰখা এইজন স্বপ্নদ্ৰষ্টা সাহিত্যিকক আমি ভাৰতীয়সকলৰ পৰা অভিনন্দন যাঁচিলো।

বিজ্ঞান

হোমী জাহাঙ্গীৰ ভাৱা

বিশ্বৰ বিজ্ঞান জগতখনলৈ প্ৰাচীন কালৰে পৰা ভাৰতীয় বিজ্ঞানীসকলে অভূত পূৰ্ব্ব নহলেও বুজন পৰিমাণৰ বৰঙণি যোগাই আহিছে। খৃঃ পূঃ ৩০০০ চনতে আৰিৰ্ভূত হোৱা ধন্বন্তৰীৰ পৰা ১১০০ খৃঃলৈ আৰ্য্যভট্ট, বৰাহমিহিৰ আৰু ভাস্কৰাচাৰ্য্য আদিয়ে বিশ্বৰ বিজ্ঞান জগতখন চহকী কৰি থৈ গৈছে। ইয়াত আমি পৰাধীন ভাৰতত জন্ম লাভ কৰা কিন্তু নিজৰ মেধা আৰু প্ৰতিভাৰে ভাৰত তথা বিশ্বৰ পদাৰ্থ বিজ্ঞানক চহকী কৰি থৈ যোৱা কৃতকৰ্মা পুৰুষ হোমী জাহাঙ্গীৰ ভাৱাৰ বিজ্ঞান সাধনাৰ বিষয়ে চমুকৈ কম।

নিজৰ নিষ্ঠা, একাগ্ৰতা আৰু কৰ্ত্তব্যপৰায়ণতাৰে হোমী ভাৱা ভাৰত চৰকাৰৰ পৰমাণৱিক বিভাগৰ সচিব নিযুক্ত হৈছিল আৰু ভাৰতৰ পৰমাণৱিক বিজ্ঞানত যোগোৱা অনবদ্য বৰঙনিৰ বাবে মুম্বাইৰ ওচৰৰ ট্ৰম্বেৰ পৰমাণৱিক কেন্দ্ৰটো ভাৰত চৰকাৰে বৰ্ত্তমান ভাৱা আণৱিক গৱেষণা কেন্দ্ৰ নামেৰে নামাকৰণ কৰিছে।

হোমী জাহাঙ্গীৰ ভাৱাৰ জন্ম হয় ১৯০৯ চনৰ ৩০ অক্টোবৰত মুম্বাইৰ এটা আঢ্যৱন্ত পৰিয়ালত। সোণৰূপৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰা ভাৱাৰ সৰুৰে পৰা পঢ়াৰ প্ৰতি প্ৰৱল ধাউতি আছিল আৰু তেওঁলোকৰ ঘৰুৱা পুথি ভঁৰালৰ প্ৰায় আটাইবোৰ কিতাপ ভাৱাই পঢ়ি অটাইছিল। মাক-দেউতাকৰ অনুপ্ৰেৰণাত ভাৱাৰ সংগীত আৰু ছবিআঁকাৰ প্ৰতিও ধাউতি গঢ়ি উঠিছিল। ভাৱাই সৰুৰে পৰা পঢ়া-শুনাৰ লগতে সংগীত, ছবি আঁকা, সমাজবিজ্ঞান আদিৰ নিয়মিত চৰ্চ্চা আৰু অনুশীলন কৰিছিল।

মুম্বাইৰ কেথেড্ৰেল হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পাছ কৰি তেওঁ মুম্বাইতে ইণ্টাৰমেডিয়েৎ পাছ কৰে। তাৰ পিছত ১৯২৭ চনত তেওঁ কেম্ব্রিজ বিশ্ববিদ্যালয়ৰ কিংজ কলেজত ইঞ্জিনিয়াৰিঙত নাম ভৰ্ত্তি কৰে। তেওঁৰ অৱশ্যে

ভিতৰি ভিতৰি অঙ্কশাস্ত্ৰহে পঢ়িবলৈ মন গৈছিল। কিন্তু দেউতাক আৰু পৰিয়াল পৰিজনৰ উদ্যোগত ইঞ্জিনিয়াৰিং পঢ়ে। কিংজ কলেজৰ পৰা ইঞ্জিনিয়াৰিঙত প্ৰথম শ্ৰেণী পাই উত্তীৰ্ণ হৈ ১৯৩১ চনত তেওঁ তাত্ত্বিক পদাৰ্থবিজ্ঞান (Theoretical Physics) ত নাম ভর্ত্তি কৰে। ভাৰাই কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত বহুতো বিশিষ্ট বিজ্ঞানীৰ কামৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। ১৯৩৪ চনত তেওঁ বিশ্ববিদ্যালয়ৰ পৰা এটা গৱেষণামূলক বৃত্তি লাভ কৰে আৰু তাৰ সহায়ত ইউৰোপৰ কেবাটাও গৱেষণাগাৰত গৱেষণা আগবঢ়ায়। তেওঁৰ গৱেষণাৰ বিষয় আছিল মহাজাগতিক ৰশ্মি (Cosmic Ray)। মহাজাগতিক ৰশ্মিৰ ওপৰত তেওঁৰ এটা বিশেষ অধ্যয়নপুষ্ট গৱেষণা প্ৰবন্ধ ১৯৩৫ চনত প্ৰথম প্ৰকাশ হৈ ওলায়। মহাজাগতিক ৰশ্মি হ'ল সূৰ্য্য আৰু নক্ষত্ৰসমূহৰ মাজৰ ঠাইৰ পৰা পৃথিবীৰ বায়ু মণ্ডললৈ সোমাই অহা কিছুমান অতি বেগী কণিকা। বায়ু মণ্ডলৰ অণু-পৰমাণুৰ লগত সংঘৰ্ষ ঘটাৰ ফলত এই ৰশ্মিয়ে ইলেক্ট্ৰন বৃষ্টিৰো সৃষ্টি কৰে। ভাৰাই এই মহাজাগতিক ৰশ্মিৰ বিষয়ে অধ্যয়ন কৰোতে মেচন (Meson) নামৰ এবিধ কণিকাৰ সন্ধান পায় আৰু তেওঁৰ গৱেষণা পত্ৰত এই মেছনাৰ শুংসূত্ৰ দাঙি ধৰি গভীৰ প্ৰশংসা পায়। ১৯৩৭ চনত হোমী জাহাঙ্গীৰ ভাৰাই জাৰ্মান পদাৰ্থবিজ্ঞানী ডব্লিউ হিটলাৰৰ সৈতে লগলাগি মহাজাগতিক ৰশ্মি সম্পৰ্কে বিস্তৃত অধ্যয়ন ডাঙি ধৰে। ভাৰাৰ খ্যাতি কেউদিশে বিয়পি যায়। ইতিমধ্যে তেওঁ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ. ডি ডিগ্ৰীও লাভ কৰে।

১৯৪০ চনত ভাৰাই নিজ দেশলৈ ঘুৰি আহি বাংগালোৰৰ ইণ্ডিয়ান ইন্সিটিটিউট অৱ চাইন্সত যোগদান কৰে। ১৯৪২ চনত তেওঁ মহাজাগতিক ৰশ্মিৰ গৱেষণা গোটটোৰ অধ্যাপক নিযুক্ত হয়। সেই সময়তে ভাৰাৰ মনত খেলাই যায় যদি মহাজাগতিক ৰশ্মিৰ দৰে উচ্চ পৰ্য্যায়ৰ গৱেষণা এইখন ভাৰতত চলাব পাৰি তেনেহ'লে কিয় নিউক্লিয় পদাৰ্থবিজ্ঞান, মৌলিক কণা আদিত গৱেষণা চলাব নোৱাৰি? প্ৰয়োজনমাত্ৰ এক উচ্চস্তৰৰ গৱেষণা প্ৰতিষ্ঠানৰ। ইতিমধ্যে ভাৰাই টাটা পৰিয়ালৰ লগত থকা তেওঁৰ নিবিড় সম্পৰ্কৰ জৰিয়তে ১৯৪৫ চনত মুম্বাইত টাটা ইন্সিটিটিউট অৱ ফাণ্ডামেণ্টেল বিচাৰৰ প্ৰতিষ্ঠাত আগভাগ লয়। আৰু তাৰ তেওঁ প্ৰতিষ্ঠাপক সঞ্চালকৰ দায়িত্ব গ্ৰহণ কৰে। ইয়াত গৱেষণাৰ মূল বিষয় আছিল পৰমাণৱিক পদাৰ্থ

বিজ্ঞান আৰু গণিত বিজ্ঞান। ১৯৫৫ চনত ই ভাৰতৰ জাতীয় প্ৰতিষ্ঠান হিচাবে স্বীকৃতি পায়। ভাৰাৰ খ্যাতি ইতিমধ্যে দেশে-বিদেশে বিয়পি যায় আৰু লণ্ডনৰ ৰয়েল ছছায়টিয়ে তাৰ সভ্য কৰি ভাৰাৰ প্ৰতিভাক স্বীকৃতি দিয়ে।

১৯৪৮ চনত ভাৰতত পৰমাণৱিক শক্তি আয়োগ গঠিত হয় আৰু ভাৰাক ইয়াৰ অধ্যক্ষ নিযুক্তি দিয়ে। ভাৰাৰ একাগ্ৰতা আৰু ঐকান্তিক চেষ্টাৰ ফলত ভাৰতত অপ্সৰা, ছাইৰাছ আৰু জাৰ্লিনা নামে তিনিটা পাৰমাণৱিক ৰিএক্টাৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠে আৰু পাৰমাণৱিক ইন্ধন ইউৰেণিয়ামক বিশুদ্ধ কৰা কাৰখানাৰ সজুলি নিৰ্মাণ হয়। ১৯৫৪ চনত ভাৰা ভাৰত চৰকাৰৰ পাৰমাণৱিক শক্তি বিভাগৰ সচিব নিযুক্ত হয়। এই পদবী পাই তেওঁ আৰু সক্ৰিয়ভাৱে ভাৰতক পাৰমাণৱিক শক্তিত স্বাৱলম্বী কৰিবলৈ দেহেকেহে খাটে। ভাৰাৰ ঐকান্তিক নিষ্ঠাৰ বাবেই ১৯৫৭ চনত মুম্বাইৰ ওচৰৰ ট্ৰম্বেত ভাৰা আণৱিক গৱেষণা কেন্দ্ৰটি স্থাপন হয়। পাৰমাণৱিক গৱেষণাৰ উপৰিও ইলেকট্ৰনিক, মহাকাশবিজ্ঞান আৰু জ্যোতিৰ্বিজ্ঞানকে আদি কৰি বিজ্ঞানৰ বিভিন্ন শাখাতো উচ্চ পৰ্য্যায়ৰ গৱেষণা কৰিবলৈ তেওঁ বিভিন্ন গৱেষক সংগঠন গঢ়ি তোলে। তেওঁৰ যত্নতে ভাৰতৰ দুই-তিনিটা ঠাইত ৰেডিঅ দূৰৱীণ নিৰ্ম্মিত হৈ উঠে।

১৯৬৩ চনত ভাৰতৰ প্ৰথম পাৰমাণৱিক শক্তিকেন্দ্ৰৰ নিৰ্মাণ তাৰাপুৰত আৰম্ভ হয়। তাৰ পিছতেই ভাৰতৰ প্ৰথমটো প্লুট'নিয়াম প্ৰকল্প স্থাপন হয়।

ভাৰা নিউক্লিয় শক্তিক ধ্বংসকামী উদ্দেশ্যত ব্যৱহাৰ কৰাৰ তীব্ৰ বিৰোধী আছিল। এই ক্ষেত্ৰত তেওঁ ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ অনুগামী আছিল। সেয়ে ১৯৫৫ চনত ৰাষ্ট্ৰসংঘই আহ্বান কৰা নিউক্লিয় শক্তিৰ শান্তি পূৰ্ণ ব্যৱহাৰৰ বাবে পতা আন্তৰ্জাতিক সম্মিলনত তেওঁক সভাপতিৰ পদ আছে।

হোমী জাহাঙ্গীৰ ভাৰা অবিবাহিত আছিল। তেওঁৰ কলাসূলভ দৃষ্টিও অতি সুক্ষ্ম আছিল। তেওঁ আঁকা দুখনমান চিত্ৰই লণ্ডনৰ বৃটিছ গেলাৰিতো স্থান পাইছে।

দুখৰ বিষয় এইজন বহুমুখী প্ৰতিভাশালী ব্যক্তিৰ ১৯৬৬ চনত ২৪ জানুৱাৰী তাৰিখে বিদেশ ভ্ৰমণকালত এটা শোকাবহ বিমান দুৰ্ঘটনাত মৃত্যু হয়। মাথো ৫৬ বছৰ বয়সতে মৃত্যু বৰণ কৰিলেও তেওঁৰ কীৰ্ত্তিৰাজিয়ে তেওঁক আমাৰ মাজত যুগমীয়া কৰি ৰাখিব।

ছাৰ ছি. ভি. ৰমণ

ধর্ম, জাতি আৰু ভাষাৰ ফালৰ পৰা ভাতৰবর্ষক সমগ্র পৃথিবীৰে এক ক্ষুদ্র প্রতীক বুলিব পাৰি। বৈচিত্রৰ মাজত ঐক্য ভাৰতৰ মূল মন্ত্র। ভাৰতীয় আত্মা এনে এক সম্মোহিনীৰ অধিকাৰী যি হ'ল অবিনাশী।

সেয়েহে ১৯৭০ চনৰ ২১ নৱেম্বৰত ছাৰ ছি.ভি. ৰমণে আমাক এৰি যেতিয়া দেহ ত্যাগ কৰিলে, গোটেই ভাৰতবর্ষ শোকাভিভূত হ'ল আৰু কান্দি উঠিল। ভাৰতৰ প্রাক্তন ৰাষ্ট্রপতি ড° সর্ব্বপল্লী ৰাধা-কৃষ্ণণে ৰাষ্ট্রৰ উদ্দেশ্যে দিয়া ভাষণত কৈ উঠিল,—

"মই মোৰ পুৰণি আৰু প্রিয়তম বন্ধু ৰমণৰ মৃত্যুত যথেষ্ট দুখ অনুভৱ কৰিছো। এয়া মোৰ ব্যক্তিগত দুখ। বিশাল ব্যক্তিত্বৰ অধিকাৰী ৰমণে জ্ঞানৰ প্রতি অসীম তৃষ্ণাৰে ভাৰতৰ নৱতম প্রজন্মৰ ওপৰত অভাৱনীয় প্রভাৱ পেলাই থৈ গৈছে।"

ভাৰতীয় আণৱিক শক্তি আয়োগৰ তেতিয়াৰ সভাপতি ড° বিক্রম ছাৰাভাইৰ ভাষণত ভাৰতৰ সমগ্র বিজ্ঞানী সমাজৰ অনুভূতি প্রকাশ পাইছিল। তেওঁ কৈছিল—

"ভাৰতে ড" ৰমণৰ মৃত্যুত দেশৰ সর্ব্বোত্তম বিজ্ঞানীজনক হেৰুৱালে। .... প্রকৃতিৰ ৰহস্য আৱিষ্কাৰ কৰাৰ প্রতি থকা তেওঁৰ অনুসন্ধিৎসা শিশুৰ স্বপ্নৰ দৰে আছিল। এই অনুসন্ধিৎসা থকা প্রতিজন ব্যক্তিকেই তেওঁ আপোন বুলি ভাৰিছিল।"

ছাৰ ছি. ভি. ৰমণ এজন আচৰিত ব্যক্তি আছিল। তেওঁ কোন তেওঁ জানিছিল আৰু তেওঁ কি কৰিব সেয়াও তেওঁ জানিছিল। তেওঁৰ ৮৫ বছৰীয়া সুদীর্ঘ জীৱনত তেওঁ যিমানদূৰলৈ সম্ভৱ সিমান দূৰলৈহে হাত মেলিছিল।

অকণো জিৰণি নোহোৱাকৈ তেওঁৰ শেষ বিন্দু তেজৰ টোপাললৈকে তেওঁ তেওঁৰ ক্ষমতা আৰু সা-সুবিধা উপভোগ কৰিছিল। ৭৫ বছৰ বয়সত তেওঁৰ এৰি অহা জীৱনত দৃষ্টি নিক্ষেপ কৰি তেওঁ কৈছিল,—

"মোৰ স্মৃতিয়ে যদি ভুল কৰা নাই, মই কৱ পাৰো যে এই সুদীর্ঘ জীৱনত মই বৈজ্ঞানিক বিষয়ৰ বাদে আন কোনো বিষয়তে ভুমুকি মৰা নাই।"

১৮৮৪ চনৰ ৭ নৱেম্বৰত তামিলনাড়ুৰ তিৰুচিৰাপল্লী নামৰ চহৰত ছাৰ ছি.ভি. ৰমণৰ জন্ম হয়। তেওঁৰ সম্পূর্ণ নাম আছিল চন্দ্রশেখৰ ভেঙ্কট ৰমণ। তেওঁৰ দেউতাক কলেজৰ শিক্ষক আছিল। সৰুৰেপৰাই ৰমণ পঢ়া শুনাত চোকা আছিল। ১৯০০ চনত বিশাখাপট্টনমৰ হিন্দু হাইস্কুলৰ পৰা ৰমণে মেট্রিকত প্রথম শ্রেণী পাই উত্তীর্ণ হয়। ১৯০২ চনত সেই একেখন চহৰৰে হিন্দু কলেজৰ পৰা তেওঁ ইণ্টাৰমেডিয়েটত উত্তীর্ণ হয়। ১৯০৩ চনত তেওঁ মাদ্রাজ প্রেচিডেন্সী কলেজৰ স্নাতকত নাম ভর্ত্তি কৰে। ১৯০৫ চনত তেওঁ প্রথম বিভাগত বি. এচ. চিত উত্তীর্ণ হয়। পদার্থ বিজ্ঞানত দেখুওৱা অসাধাৰণ কৃতিত্বৰ বাবে তেওঁক এলফিনষ্টোন আৰু জাগীৰদাৰ স্মৃতি সোণৰ পদকেৰে সন্মানিত কৰা হয়। মাদ্রাজ প্রেচিডেন্সী কলেজৰ পৰাই পিছত তেওঁ প্রথম বিভাগত এম. এ. পাছ কৰে। ৰমণ ইমানেই চোকাবুধীয়া আছিল যে ১৮ বছৰ বয়সতে তেওঁ ইংল্যাণ্ডৰ ফিলোছফিকেল মেগাজিনত তেওঁৰ বিজ্ঞানৰ প্রথম গৱেষণা পত্রখন প্রকাশ কৰে।

১৯০৭ চনত ৰমণে ভাৰতীয় বিত্তীয় বিভাগৰ প্রতিযোগিতামূলক পৰীক্ষাত উত্তীর্ণ হবলৈ মনস্থ কৰে আৰু পৰীক্ষাত প্রথম স্থান পায়। সেই একে বছৰতে তেওঁ নিজে পছন্দ কৰা লোক সুন্দৰীৰ লগত বিয়া হয়। তেওঁক কোলকাটাত এছিষ্টেণ্ট একাউণ্টেট জেনেৰেল হিচাবে নিযুক্তি দিয়ে। ১৯১০ চনত তেওঁক ৰেংগুণলৈ বদলি কৰে যদিও ১৯১১ চনত ডেপুটি একাউণ্টেট জেনেৰেললৈ পদোন্নতি দি তেওঁক পুনৰ কোলকাটালৈ ওভোটাই আনে।

চাকৰিৰ আদি অৱস্থাতে এদিন ট্রামেৰে গৈ থাকোতে ৰমণে বৌ-বাজাৰৰ "ইণ্ডিয়ান এছোচিয়েচন ফৰ কাল্টিভেছন অফ ছাইন্স"ৰ ছাইনবোর্ডখন দেখিবলৈ পায়। তেওঁ লগে লগে ঠিক কৰে তেওঁ ইয়াত গৱেষণা কৰিব। যেনে মন তেনে কথা। সেই যি গৱেষণাৰ কাম তেওঁ আৰম্ভ কৰিলে সি ১৯৩৩ চনলৈ সুদীর্ঘ দিন চলি থাকিল। ১৯১৩ চনত অধ্যাপক আশুতোষ

মুখাৰ্জ্জীৰ আহ্বানত ৰমনে কলিকতা বিশ্ববিদ্যালয়ৰ পালিত প্ৰফেছৰ পদবীত পদাৰ্থ বিজ্ঞান শিকাবলৈ লয়। ৰমণৰ বয়স তেতিয়া ২৮ বছৰ। ১৯১৭ চনত ভাৰতীয় বিত্তীয় বিভাগৰ পৰা তেওঁ পদত্যাগ কৰে। আৰু কলিকতা বিশ্ববিদ্যালয়ৰ স্থায়ী পদবীত অধ্যাপক হিচাপে যোগদান কৰে। তাৰ পিছতে নিৰবিচ্ছিন্নভাৱে তেওঁৰ পাঠদান আৰু গৱেষণা চলি থাকে। এজন অধ্যাপক আৰু গৱেষক হিচাবে তেওঁক বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চেমিনাৰত ভাষণ দিবলৈ আহ্বান জনাইছিল। ১৯২১ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে অক্সফোৰ্ড বিশ্ববিদ্যালয়লৈ যায় আৰু তাতেই বিখ্যাত বিজ্ঞানী জে. জে. থম্চন আৰু ৰাডাৰ ফোৰ্ড আদিক লগ পায়। ১৯২৪ চনত তেওঁ লণ্ডনৰ ৰয়েল ছছাইটিৰ ফেলো নিৰ্ব্বাচিত হয়। ১৯২৪-২৫ চনত তেওঁ কেলিফোৰ্ণিয়াৰ টেক্‌নোলজিকেল ইন্সিটিটিউটৰ ভ্ৰমণকালীন অধ্যাপক (Visiting Professor) নিযুক্ত হয়। এই সময়তে তেওঁ ৰাচিয়ান চাইন্স একাডেমীও ভ্ৰমণ কৰে। ১৯২৯ চনত তেওঁক Freebarg University এ সন্মানীয় পি. এইচ. ডি. ডিগ্ৰী প্ৰদান কৰে। তেওঁৰ নিৰবিচ্ছিন্ন গৱেষণা, যিয়ে তেওঁক "ৰমণ প্ৰভাৱ (Raman effect)" আৱিষ্কাৰ কৰিবলৈ উদগনি জনাইছিল, তাৰ বাবে ১৯৩০ চনত তেওঁ বিশ্বৰ বিজ্ঞান জগতৰ সৰ্ব্বোচ্চ সন্মান নবেল পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। ৰমণৰ খ্যাতি বিশ্বজুৰি বিয়পি পৰে। পেৰিচ বিশ্ববিদ্যালয়ে তেওঁক ১৯৩২ চনত সন্মানীয় ডি. এচ. চি. ডিগ্ৰী প্ৰদান কৰে।

ৰমণে ১৯২২ চনৰ পৰা ১৯২৮ চনলৈ অতীৱ নিষ্ঠাৰে পদাৰ্থৰদ্বাৰা হোৱা পোহৰৰ বিচ্ছুৰণৰ বিষয়ে অধ্যয়ন কৰি আহিছিলেই। ১৯২৭ চনত ৰমণৰ ছাত্ৰসকলে গ্লিছাৰিণত হোৱা পোহৰৰ বিচ্ছুৰণৰ "ৰমণ বিকিৰণ" ধৰা পেলাবলৈ সক্ষম হৈছিল।

সূৰ্য্যৰ পোহৰৰপৰা তীব্ৰ একবৰ্ণী ৰশ্মি পৃথক কৰি নানা পদাৰ্থৰ ওপৰত তাৰ বিচ্ছুৰণ অধ্যয়ণ কৰি যোৱা হ'ল। জুলীয়া পদাৰ্থ, গেছীয় পদাৰ্থ, কঠিন পদাৰ্থ সকলোতে ৰমণ আৰু ছাত্ৰসকলে কাল্টিভেছনৰ গৱেষণাগাৰত দিন-ৰাতি একাকাৰ কৰি কাম কৰিলে।

অৱশেষত কোৱাৰ্টজ পাৰাৰ বাষ্পৰ পোহৰৰ উৎস ব্যৱহাৰ কৰাত ৰমণ বৰ্ণালীৰ ফটো তোলাটো সম্ভৱ হৈ উঠিল।

ৰমণে জানিছিল যে তেওঁ যি বিষয়ত গৱেষণা কৰি আছে, পৃথিৱীৰ আন কোনোবা দেশত আন কোনোবায়ো গৱেষণা কৰি থাকিব পাৰে। তেওঁৰ নিজৰ গৱেষণাৰ ফল আৱিষ্কাৰ কৰাৰ আগেয়েই যদি আন দেশৰ গৱেষকে ফলাফল প্ৰকাশ কৰে তেওঁৰ গৱেষণাৰ মূল্য নাথাকিব। সেইবাবে ৰমণে তেওঁৰ গৱেষক ছাত্ৰ কৃষ্ণণৰ লগত ১৯২৮-২৯ চনৰ আঠোটা মাহৰ ভিতৰত ১০ খন মূল্যবান গৱেষণা প্ৰপত্ৰ আন্তৰ্জাতিক খ্যাতি থকা গৱেষণা আলোচনীত প্ৰকাশ কৰিলে। ১৯২৮ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখে "নেচাৰ" আলোচনীলৈ পঠোৱা তেওঁৰ চুটি প্ৰপত্ৰখন আৰু তিনিমাহ পলম হোৱা হ'লে তেওঁৰ সলনি ৰাছিয়াৰ দুজন বিজ্ঞানীয়েহে নোবেল পুৰস্কাৰ পালেহেঁতেন।

তেওঁ "নেচাৰ" আলোচনীলৈ পঠোৱা প্ৰ-পত্ৰখন উল্লেখনীয় ভাৱে চুটি আছিল। তাত মাত্ৰ ৫১ টা শাৰীহে আছিল। তাত কোনো অংক বা চিহ্নও নাছিল। কিন্তু এই ৫১ টা শাৰীয়েই নিষ্ঠাবান সাধক ৰমণলৈ ন'বেল বঁটাৰ দৰে দুষ্প্ৰাপ্য সন্মান কঢ়িয়াই আনিলে।

ৰমণ এজন নিৰামিষহাৰী আছিল। তেওঁ কেতিয়াও সুৰা পাণ নকৰিছিল আৰু নিষ্ঠাবান হিন্দু আছিল। তেওঁ তেওঁৰ বন্ধুমহলক কৈছিল যে ভাৰতীয় পৰম্পৰা অক্ষুণ্ণ ৰাখি তেওঁ এটা বিজ্ঞান গৱেষণা কেন্দ্ৰ স্থাপন কৰিব বিচাৰে। আৰু এই ইচ্ছাৰেই প্ৰতিফলন আছিল "ৰমণ গৱেষণা কেন্দ্ৰ"। ১৯৪৯ চনত ৬৫ বছৰ বয়সত ৰমণে ৰমণ গৱেষণা কেন্দ্ৰৰ সঞ্চালকৰ দায়িত্ব লয়। ৰমণৰ পত্নী লোক সুন্দৰীয়ে ৰমণৰ সাধ্য-সাধনাৰ সৈতে নিজকে বিলীন কৰি দিছিল আৰু ৰমণৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ আছিল।

১৯৭০ চনৰ ২১ নৱেম্বৰৰ দিনা আশীৰ উৰ্দ্ধত ৰমণৰ মৃত্যু হয়। এই মহান ব্যক্তিজনক ১৯৫৪ চনত দেশৰ সৰ্ব্বশ্ৰেষ্ঠ উপাধি "ভাৰত ৰত্ন" দি সন্মানিত কৰাত আমি গৌৰবান্বিত।

সত্যেন্দ্ৰ নাথ বসু

ভাৰত প্ৰখ্যাত আৰু বিদেশতো সুনাম অৰ্জ্জা বিজ্ঞানী সত্যেন্দ্ৰ নাথ বসুৰ জন্ম হয় কলিকতাত (বৰ্ত্তমান কোলকাটা) ১৮৯৪ চনৰ ১ জানুৱাৰীত। সত্যেন্দ্ৰ নাথৰ দেউতাক সুৰেন্দ্ৰ নাথ বসুৱে চৰকাৰী চাকৰিত বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। ঘৰৰ পৰা বাহিৰলৈ গ'লে সুৰেন্দ্ৰ নাথে পুত্ৰক বিভিন্ন সংখ্যা দি অংক কৰিবলৈ দি গৈছিল। সত্যেন্দ্ৰ নাথেও দিনটো মজিয়াত সংখ্যা লিখি লিখি কটাইছিল। ছয়জনী ছোৱালীৰ পৰিয়ালত সত্যেন্দ্ৰই একমাত্ৰ ল'ৰা আছিল, সেয়ে আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল। পাঁচ বছৰ বয়সত সত্যেন্দ্ৰ নৰ্মাল স্কুলত ভৰ্ত্তি হয়। তাৰ পাছত চূড়ান্ত পৰীক্ষা দিবলৈ হিন্দু স্কুলত ভৰ্ত্তি হয়। সত্যেন্দ্ৰ অংকত দেখুওৱা অসাধাৰণ পাৰ্গতালিৰ বাবে, অঙ্কৰ শিক্ষক উপেন্দ্ৰনাথ বক্সি বাৰুকৈয়ে মুগ্ধ হৈছিল।

১৯০৯ চনত সত্যেনে এণ্ট্ৰেন্স পৰীক্ষাত ৰাজ্যৰ ভিতৰতে পঞ্চম স্থান লভি উত্তীৰ্ণ হয়। তাৰ পাছত কলকাটাৰ প্ৰেচিডেন্সী কলেজত আই. এচ. চিত নাম ভৰ্ত্তি কৰে। ১৯১১ চনত তেওঁ প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ পৰীক্ষাত উত্তীৰ্ণ হয়। দ্বিতীয় স্থান পাইছিল ভাৰতৰ আন এজন বিশিষ্ট বিজ্ঞানী মেঘনাদ সাহাই।

সত্যেন আৰু মেঘনাদে অংকত মূখ্য বিষয় লৈ বি. এচ্. চি (সন্মান) ত নাম ভৰ্ত্তি কৰে। ১৯১৩ ত সত্যেন প্ৰথম আৰু মেঘনাদ দ্বিতীয় হৈ ডিগ্ৰী পাচ কৰে। এম. এচ. চিতো ১৯১৫ চনত একেই ফল লৈ দুয়ো পৰীক্ষা পাচ কৰে।

এম. এচ. চিৰ ছাত্ৰ হৈ থাকোতেই ১৯১৪ চনত সত্যেন্দ্ৰ নাথে ডাঃ

যোগিন্দ্ৰ নাথ ঘোষৰ কন্যা উষাবতীৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়।

কোলকাটা বিশ্ববিদ্যালয়ৰ মেধাবী ছাত্ৰ সত্যেন্দ্ৰ নাথে এম. এচ. চি. কৰি চাকৰিৰ সন্ধানত নামে। সেই সময়ত মনে বিচৰা চাকৰি এটা পোৱা টান আছিল। কিন্তু আশ্চৰ্য্যজনকভাৱে কোলকাটা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য চাৰ আশুতোষ মূখাৰ্জীৰ পৰা তেওঁলৈ প্ৰায়োগিক অংকত (Applied Mathematics) প্ৰবক্তাৰ পদৰ আহ্বান আহিল। সত্যেনৰ লগতে মেঘনাদ সাহাইও ১৯১৬ চনত উক্ত পদত যোগদান কৰিলে। পিছত তেওঁলোকক পদাৰ্থ বিজ্ঞান বিভাগলৈ বদলি কৰা হ'ল। অৱশ্যে দুয়োৱে পদাৰ্থ বিজ্ঞান বি. এচ. চি পৰ্য্যায়লৈহে আছিল।

বসু আৰু সাহাই আধুনিক পদাৰ্থ বিজ্ঞান (Modern Physics) পঢ়া, আৰম্ভ কৰি দিলে। চাৰ আশুতোষে নিৰ্বাচন কৰা এই জুটিয়ে সকলো বাধা ভাঙি এম. এচ. চি কোৰ্চটো জুতি লগা কৰি পেলালে। সাহাই বিশেষত্ব আৰ্জিলে থাৰ্মোডাই নেমিকচ আৰু ষ্টেটিচটিকেল মেকানিকচত আনহাতে বসুৱে ইলেক্ট্ৰ'মেনিজম্ব তত্ত্বত আৰু আপেক্ষিকতাবাদত। বসুৰ প্ৰথম গৱেষণা পত্ৰ " The influence of the finite volume of molecules " মেঘনাদ সাহাৰ লগত ৰচিত হয় আৰু সেইখন ১৯১৮ চনত লণ্ডনৰ ফিলোচফিকেল মেগাজিনত প্ৰকাশ হয়। তেওঁৰ পৰৱৰ্ত্তী দুখন গৱেষণাপত্ৰ কলিকতা মেথেমেটিকেল ছচাইটিৰ বুলেটিনত ১৯১৯ আৰু ১৯২০ চনত প্ৰকাশ হয়। দুয়োখন সম্পূৰ্ণ অংকৰ ওপৰতেই আছিল। ১৯২০ চনত " The Deduction of - Rydberg's Law from the Quantum Theory of Spectral Emission" নামৰ বসুৰ গৱেষণা পত্ৰখন ফিলোচফিকেল মেগাজিনত প্ৰকাশ হয়। সেই সময়তে বসুৱে সাহাৰ সৈতে আইনষ্টাইনৰ "আপেক্ষিকতাবাদৰ তত্ত্ব" খন মূল জাৰ্মান ভাষাৰ পৰা অনুবাদ কৰে আৰু কলিকতা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰে।

১৯২১ চনত ঢাকাত এখন নতুন বিশ্ববিদ্যালয় স্থাপন হোৱাত তাৰ প্ৰথম উপাচাৰ্য্য ফিলিপহাৰ্টগে সত্যেন বসুক পদাৰ্থ বিজ্ঞানৰ প্ৰাধ্যাপক (Reader) পদ যাছে। বসুৱে তাত যোগ দি মনপুতি অধ্যাপনাত লাগে। তিনিবছৰ পাচত ১৯২৪ চনত বসুৱে " Plunck's Law and Light Quantum Hypothesis" নামৰ গৱেষণা পত্ৰ এখন লিখি ফিলোচফিকেল মেগাজিনত

প্ৰকাশৰ বাবে পঠাই দিয়ে। কিন্তু বহুদিনলৈ প্ৰকাশ নোহোৱাত তেওঁ বিশ্ববিখ্যাত পদাৰ্থবিদ আইনষ্টাইনলৈ পঠাই দিয়ে। আইন ষ্টাইনে সেইখন জাৰ্মান ভাষালৈ অনুবাদ কৰি "Zeitschrift Fur Physics" নামৰ জাৰ্মান জাৰ্ণাল এখনত প্ৰকাশ কৰে। এইখন গৱেষণা পত্ৰই বিশ্বজুৰি সত্যেন বসুলৈ সন্মান কঢ়িয়াই আনে তাৰ পাছত আন এখন বসুৰ গবেষণা পত্ৰ সেই একেখন আলোচনীতেই প্ৰকাশ হয়। সেইখনো আইনষ্টাইনেই অনুবাদ কৰি দিয়ে।

ইতিমধ্যে বসুৱে ইউৰোপলৈ যাবলৈ ছুটী বিচাৰে। যদিও সেই সময়ত ঢাকা বিশ্ববিদ্যালয় আৰ্থিক দৈন্যত ভুগিছিল, শিক্ষানুষ্ঠানটিয়ে বসুৰ পাণ্ডিত্যলৈ চাই তেওঁৰ ছুটী মঞ্জুৰ কৰে আৰু তেওঁৰ অহা যোৱাৰ খৰচ বহন কৰাৰ উপৰিও দুবছৰলৈ তেওঁক ইউৰোপত থকা-খোৱাৰ খৰচ দিবলৈ মান্তি হয়।

বসুৱে বোম্বে (বৰ্ত্তমানৰ মুম্বাই) ৰ পৰা জাহাজেৰে যাত্ৰা কৰি ১৯২৪ চনৰ অক্টোবৰত পেৰিচত উপনীত হয়। পেৰিচত সত্যেন বসুৱে ১৭ ৰু-ডু-চোমাৰেণ্ড নামৰ ভাৰতীয় ছাত্ৰাবাস এটাত থকাৰ বন্দৰস্ত কৰে। বসুৱে তাত ইতিমধ্যে পেৰিচত গৱেষক হিচাবে যোৱা প্ৰবোধ বাগ্‌চী নামৰ ভাৰতীয় ছাত্ৰ এজনৰ দ্বাৰা আকৰ্ষিত হৈ তেওঁৰ লগত নিবিড় বন্ধুত্ব গঢ়ি তোলে। চিন্তাকৰ্ষক কথা যে এসময়ত উভয়ে বিশ্বভাৰতীৰ উপাচাৰ্য্য হিচাবে এজনৰ পিচত এজনকে কাৰ্য্যনিৰ্বাহ কৰিছিল।

পেৰিচত থাকোতেই বসুৱে বিজ্ঞানী মাডাম কুৰীৰ পৰীক্ষাগাৰত কাম কৰাৰ সম্ভাৱনীয়তা বিচাৰে, এই ধাৰণাটো তেওঁক দিছিল বিজ্ঞানী লেঙ্গেভিনে। লেঙ্গেভিনৰ চিঠি এখনৰ সৈতে তেওঁ মেডাম কুৰীক সাক্ষাৎ কৰে। কুৰীয়ে বসুৰ লগত চিনাকী হৈ আনন্দত আপ্লুত হয়। বসুৱে কিছুদিন ৰেডিয়াম ইন্সিটিটিউটত কাম কৰে। এক্সৰে স্ফটিক গাঠনিৰ বিশ্লেষণলৈ আকৰ্ষিত হৈ পেৰিচত তেওঁ ডি ব্ৰগলি ভ্ৰাতৃদ্বয়কো সাক্ষাত কৰে। এক্সৰে স্ফটিকৰ জ্ঞানে তেওঁক পিছৰ জীৱনত ঢাকা বিশ্ববিদ্যালয়ত যথেষ্ট সহায় কৰে।

১৯২৪ চনৰ ৮ অক্টোবৰত আইনষ্টাইনক বার্লিনত লগ ধৰিবলৈ বসুৱে এখন চিঠি দিয়ে। লগে লগে নোৱাৰিলেও কিছুদিন পিচত দুয়োৰে সাক্ষাত হয় আৰু আইনষ্টাইনে বসুৰ শুভ ভৱিষ্যত কামনা কৰে। বার্লিনতে বসুৱে অটো হান্, লাইচ মেইটনাৰ, ওৱাল্টাৰ ব'থে, পিটাৰ ডিবাই, হাইজেনবার্গ

আদি নবীন কিন্তু প্ৰখ্যাত বিজ্ঞানীৰ লগত দেখা-সাক্ষাত কৰে।

১৯২৪ চনৰ গ্ৰীষ্মকালত বসুৱে ঢাকালৈ উভটি আহে।

ইউৰোপৰ পৰা ঢাকালৈ উভটি অহাৰ সময়ত বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপকৰ পদটো খালী পৰি আছিল। তেওঁক অধ্যাপকৰ পদ যাচে আৰু এই পদত তেওঁ ১৯৪৫ চনলৈ কাম কৰে।

১৯৪৪ চনত সত্যেন্দ্ৰ নাথ বসু ভাৰতীয় বিজ্ঞান কংগ্ৰেছৰ সভাপতি ..... The Classical Determinism and the Quantum Theory" নামৰ ভাষণটো এতিয়ালৈ দিয়া সভাপতিৰ ভাষণবোৰৰ ভিতৰত অনন্য। ঢাকাৰ সত্যেন্দ্ৰ নাথৰ ঘৰটোত এখন ধুনীয়া ফুলনি বাগিছা আছিল। তেওঁ ফুলনিখনত বহু সময় কটাইছিল। মাজে সময়ে তেওঁক ফুলনিৰ ঘাহ-বনত কিতাপ লৈ শুই থকা দেখা গৈছিল।

ঢাকাৰ কৰ্মজীৱন শেষ হোৱাত সত্যেন বসু কলিকতালৈ ঘূৰি আহিল। তেওঁক কলিকতা বিশ্ব-বিদ্যালয়ৰ খাইৰা (Khaira) অধ্যাপকৰ পদ যচা হ'ল। তেওঁ সেই পদ গ্ৰহণ কৰিলে।

বসুৰ বাবে কলিকতালৈ ওভোটাটো শুভ গৃহপ্ৰত্যাবৰ্ত্তন আছিল আৰু শিক্ষক আৰু ছাত্ৰ বৃন্দই তেওঁক আন্তৰিক স্বাগতম জনাইছিল। সত্যেন্দ্ৰ নাথে কলিকতাত মূৰ গুজিছেহে মাত্ৰ তেনেতে গোটেই দেশখন ভয়ানক ৰাজনৈতিক ঘটনাপ্ৰবাহত ঢাক খালে। ১৯৪৬ চনৰ আগষ্টত কলিকতাৰ বৃহৎ হত্যাকাণ্ডবোৰে শৈক্ষিক জীৱন বিপর্য্যস্ত কৰি তুলিলে। ৰাজাবাজাৰৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ বহু ছাত্ৰক নিৰ্মমভাৱে হত্যা কৰা হ'ল। তাৰ পাছত ১৯৪৭ চনত দেশৰ স্বাধীনতা আৰু বঙ্গৰ বুকুত পূৱ পাকিস্তানৰ জন্ম। কিন্তু স্বাধীনতাৰ ফলত ভাল কাম কিছুমানো হ'ল। প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে তাৎক্ষণিক ভাৱে বৈজ্ঞানিক গৱেষণাৰ কাঠামোটো গঠন কৰিলে। এচ. এচ. ভাটনগৰৰ তত্ত্বাৱধানত "কাউন্সিল অৱ চাইণ্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিচার্চ" গঠন হ'ল। মেঘনাদ সাহা, সত্যেন বসু, এচ. কে. মিত্ৰ, ডি.এম. বসু আদিয়ে ভাৰতবৰ্ষৰ ভবিষ্যত বিজ্ঞানৰ ভেটিটো তেওঁলোকৰ বহুমূলীয়া অৱদানেৰে টনকীয়াল কৰিলে।

১৯৪৫-৪৮ কালছোৱাত বসু ভাৰতীয় পদাৰ্থ বিজ্ঞান সমাজ (Indian Physical Society) ৰ সভাপতি হ'ল। ১৯৪৮ ৰ পৰা ১৯৫০ চনলৈ তেওঁ

National Institute of Science ৰ সভাপতি হ'ল।

১৯৫৪ চনত বসুৱে পেৰিচৰ স্ফটিক বিজ্ঞান সমাৰোহত এখন নতুন গৱেষণা পত্ৰ দিলে। ১৯৫১ চনৰ পৰা বসুৱে কেবাবাৰো ইউৰোপলৈ গৈ বিভিন্ন ঠাইত ভাষণ দিলে। ১৯৫২ চনত সত্যেন বসুক ৰাজ্যসভাৰ সদস্য হিচাপে মনোনীত কৰা হ'ল আৰু এই পদত তেওঁ ১৯৫৮ চনলৈ থাকিল। ১৯৫৪ চনত ভাৰত চৰকাৰে তেওঁক পদ্মবিভূষণ বটা দিলে। ১৯৫৬ চনত, ৬২ বছৰ বয়সত তেওঁ বিশ্বভাৰতীয় উপাচার্য্য হয়। ১৯৫৬ চনতে বসু ইংল্যাণ্ডলৈ গৈ "বিট্রিছ এছ'চিয়েশ্বন ফ'ৰ কাল্‌টিভেচন অফ চায়েন্স"ৰ বাৰ্ষিক সভাত যোগদান কৰিলে। দুবছৰ পাছত তেওঁ ৰয়েল ছচাইটিত যোগ দি তাৰ সভ্য মনোনীত হ'ল। ১৯৫৯ চনত তেওঁক "জাতীয় অধ্যাপক" (National Professor) হিচাবে নিযুক্তি দিয়া হ'ল— যিটো এজন পণ্ডিতক ৰাষ্ট্রই দিব পৰা সৰ্ব্বোচ্চ সন্মান আছিল।

মাতৃভাষা বাংলাৰ প্রতি থকা প্রেমে বসুক "বংগীয় বিজ্ঞান পৰিষদ" গঠনত উৎসাহ যোগায়। এই পৰিষদে বাংলাত "জ্ঞান ও বিজ্ঞান" নামৰ এখন মাহেকীয়া আলোচনী প্রকাশ কৰিবলৈ ধৰে।

১৯৭৪ চনৰ ৪ ফেব্রুৱাৰীত ব্রংকিয়েল নিউমোনীয়াত আক্রান্ত হৈ সত্যেন্দ্র নাথ বসুৰ দেহাবসান ঘটে। তেওঁৰ মৃত্যুত দেশে সঁচাকৈয়ে এজন বিজ্ঞানৰ কিংবদন্তী পুৰুষ আৰু বিশ্বত গৌৰৱ কৰিব পৰা এজন মহানায়কক হেৰুৱালে।

জগদীশ চন্দ্র বসু

বর্ত্তমান বাংলাদেশৰ ঢাকা জিলাৰ ৰাড়ীখাল নামৰ এখন গাঁও। ইয়াতেই ১৮৫৮ চনৰ ৩০ নৱেম্বৰ তাৰিখে এটা মধ্যবিত্ত পৰিয়ালত জগত প্রখ্যাত বিজ্ঞানী জগদীশ চন্দ্র বসুৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম আছিল ভগবান দাস বসু। ভগবান বসু ফৰীদপুৰ জিলাৰ এজন ডিষ্ট্রিক কালেক্‌টৰ আছিল। তেওঁ বৰ সাহসী, অধ্যাৱসায়ী আৰু ধর্মনিষ্ঠ লোক আছিল। জগদীশৰ মাতৃ এগৰাকী আদর্শ পৰায়না মহিলা আছিল।

জগদীশ চন্দ্র বসুৰ প্রাৰম্ভিক শিক্ষা ফৰীদপুৰৰ এখন পাঠশালা স্কুলত হৈছিল। পাঠশালা পাছ কৰাৰ পাছত তেওঁ কলিকতাৰ (বর্ত্তমান কোলকাতা) ছেণ্ট জেভিয়ার্ছ কলেজিয়েট স্কুলত ভর্ত্তি হয়। আদিৰে পৰাই জগদীশে স্কুলৰ পাঠ্যত বৰ মনোযোগ দিছিল আৰু প্ররেশিকা পৰীক্ষাত তেওঁ প্রথম বিভাগত উত্তীর্ণ হৈছিল। ইয়াৰ পাছত তেওঁ এই অনুষ্ঠানৰে কলেজৰ পৰা দ্বিতীয় বিভাগত স্নাতক ডিগ্রী লাভ কৰে। জগদীশ বসুৰ অভিৰুচি এই সময়ত ভৌতিক বিজ্ঞানৰ ফালে ঢাল লৈছিল। কিন্তু উচ্চ শিক্ষাৰ বাবে ইংল্যাণ্ডলৈ গৈ তেওঁ লণ্ডন মেডিকেল কলেজতহে নাম ভর্ত্তি কৰে। কিন্তু কটা-ছিঙা কামত তেওঁৰ মন নবহিল। সেয়ে ডাক্তৰী পঢ়া বাদ দি বিজ্ঞান পঢ়িবলৈ বুলি তেওঁ কেম্ব্রিজ বিশ্ববিদ্যালয়ৰ খ্রাইষ্ট কলেজত ভর্ত্তি হয়। তাৰ পৰা তেওঁ বি. এ. পাছ কৰে। বি. এত তেওঁৰ বিষয় আছিল ৰসায়ন আৰু বনস্পতি বিজ্ঞান। পিছৰ বছৰত তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ভৌতিক বিজ্ঞানত বি, এছ, চি উপাধি লাভ কৰে। এই সন্মান পোৱাৰ পাছত তেওঁ ভাৰতলৈ উভটি আহে। উভটি আহি তেওঁ কলিকতাৰ প্রেছিডেন্সি কলেজত অধ্যাপক নিযুক্ত হয়। তিনি বছৰলৈ তেওঁ বিনা দৰমহাৰে কাম কৰে। সেই সময়ত ইংৰাজ চৰকাৰে ভাৰতীয়

সকলতকৈ ইংৰাজ কৰ্মচাৰীক অধিক দৰমহা দিছিল। সেয়ে বসুৱে প্ৰতিবাদ স্বৰূপে দৰমহা লোৱা নাছিল। কিন্তু পিছত বৃটিছ মূৰব্বীজনে তেওঁৰ মেধাৰ পৰিচয় পাই তেওঁক সম্পূৰ্ণ দৰমহা দিবলৈ মনস্থ কৰে আৰু আগৰ তিনি বছৰৰো দৰমহা আদায় দিয়ে।

প্ৰেছিডেন্সি কলেজত বসুৱে কাম কৰা বিজ্ঞানাগাৰটো তেনেই সৰু আছিল আৰু তাত বিশেষ বস্তু বাহানি নাছিলেই। বসুৰ যত্নত কিছুদিনৰ ভিতৰতে সি এটা ধুনীয়া পৰীক্ষাগাৰলৈ ৰূপান্তৰিত হ'ল। তেওঁ তাত নানা পৰীক্ষা নিৰীক্ষা কৰি সেইবোৰৰ টোকা ইংল্যাণ্ডৰ ৰয়েল ছছাইটিলৈ পঠিয়াবলৈ ধৰিলে। দুবছৰ অতি গভীৰভাৱে গৱেষণা কৰি তেওঁ "জীৱিত আৰু অজীৱিত বস্তুৰ সহাঁৰি" (Response in the living and Non living) নামৰ এখন পুস্তিকা প্ৰকাশ কৰিলে। ৰয়েল ছচাইটিয়ে তেওঁৰ এই পৰীক্ষা নিৰীক্ষামূলক পুস্তিকাখনত পতিয়ন গ'ল যে উদ্ভিদ আৰু ধাতু ইত্যাদিৰো স্পন্দন আছে। সেয়ে তেওঁৰ বহু গৱেষণা পত্ৰ ৰয়েল ছচাইটিয়ে প্ৰকাশ কৰি গোটেই পৃথিবীতে তাক বিতৰণ কৰিলে। বসু পৃথিবীবিখ্যাত হৈ পৰিল। ১৯২০ চনত তেওঁক ৰয়েল ছচাইটিৰ সভ্য কৰি লোৱা হয়। তেওঁ "বিদ্যুৎ চুম্বকীয়" তৰংগৰ প্ৰতিও আকৰ্ষিত হৈছিল— অলিভাৰ লজ নামৰ এজন বিজ্ঞানীৰ প্ৰ-পত্ৰ পঢ়ি। এই ক্ষেত্ৰতো তেওঁ নিজে কিছুমান যন্ত্ৰ-পাতি সাজি লৈছিল। যন্ত্ৰ-পাতিৰে পৰীক্ষা-নিৰীক্ষাৰ শেষত তেওঁ "বিদ্যুৎ তৰংগৰ গুণ" নামেৰে এলানি গৱেষণা পত্ৰ লিখে। এই লানি গৱেষণা পত্ৰই বিজ্ঞান জগতত তীব্ৰ উৎসুক্যৰ সৃষ্টি কৰে।

বসুৱে বহুতো সুবেদী যন্ত্ৰপাতি নিৰ্মাণ কৰিছিল। তাৰ ভিতৰত আছিল 'ক্ৰেছ্ক'গ্ৰাফ' নামৰ এবিধ বিশেষ যন্ত্ৰ। এই যন্ত্ৰই উদ্ভিদ বৰ্দ্ধনৰ হাৰ জুখিব পাৰিছিল। ই অতি সুবেদী আছিল আৰু উদ্ভিদৰ সামান্য বৰ্ধনো স্পষ্টকৈ জুখি উলিয়াব পাৰিছিল। প্ৰায় ২০ বছৰ জুৰি গৱেষণাত জড়িত থাকি বসুৱে বহু আৱিষ্কাৰ কৰে। এটা বিশেষ আৱিষ্কাৰেৰে তেওঁ দেখুৱাইছিল যে তেওঁৰ বক্তৃতাকক্ষত থকা এটা বিকিৰকৰপৰা বৈদ্যুতিক তৰঙ্গ শূন্যৰ মাজেৰেই চলি যাব পাৰে আৰু ২২ মিটাৰ দূৰত থকা আন এটা গ্ৰাহকযন্ত্ৰত তাক ধৰা পেলাব পাৰি। গ্ৰাহক যন্ত্ৰটোৱে ইমান পৰিমাণে সেই শক্তি গ্ৰহণ কৰিব পাৰে যে তাত এটা ঘণ্টা বজাই পিষ্টল চলাই দেখুৱাব পাৰি। এই কামৰ বাবে বসুৱে

আধুনিক অনাতাৰ টেলিগ্ৰাফৰ দৰে ডাঙৰ এণ্টেনা সাজি লৈছিল। এই এণ্টেনা আছিল এছটা ধাতুৰ পাত। এই কাম তেওঁ প্ৰতিষ্ঠিত বিজ্ঞানী মাৰ্কনিয়ে অঁনাতাৰ টেলিগ্ৰাফিৰ পেণ্টেণ্ট কৰাৰ এবছৰ আগতেই কৰিছিল।

১৯০১ চনত পেৰিচত বহা বিজ্ঞান মহাসভাত বসুৱে ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। বসুৱে তাত তেওঁৰ বৈজ্ঞানিক ব্যাখ্যাৰ দ্বাৰা বিদেশী বিজ্ঞানীসকলৰ পৰা প্ৰভূত প্ৰশংসা বুটলিবলৈ সক্ষম হয়। সেইবাৰ তেওঁ ইউৰোপৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিলে। তেওঁৰ পদাৰ্থবিজ্ঞান আৰু জীৱ বিজ্ঞানৰ যন্ত্ৰ-পাতিবোৰ চাই বিদেশৰ বিজ্ঞানীমহল বাৰুকৈয়ে মোহিত হৈছিল।

১৯১৫ চনত বসুৱে কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পদ এৰি দিয়ে। আৰু ১৯১৭ চনৰ পৰা তেওঁ "বসু বিদ্যা মন্দিৰ" নামে ঘৰৰ ওচৰতে এক গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰি তাৰ সঞ্চালনাৰ দায়িত্ব গ্ৰহণ কৰে। শেষত তেওঁ তেওঁৰ সমস্ত আৱিষ্কাৰ আৰু যন্ত্ৰ-পাতি এই অনুষ্ঠানক দান দি গৈছিল। তেওঁ এই অনুষ্ঠানক ৰাষ্ট্ৰৰ নামত অৰ্পণ কৰে। ১৯২৮ চনত বসুৱে শেষবাৰৰ বাবে বিদেশ ভ্ৰমণ কৰে। এই ভ্ৰমণত তেওঁ উদ্ভিদৰো যে প্ৰাণ আৰু অনুভূতি আছে সেই বিষয়ে বিষদ ভাৱে কয়।

১৯৩৬ চনৰ ২৩ নৱেম্বৰত এই গৰাকী মহান পুৰুষৰ দেহাবসান ঘটে। সেই সময়ত তেওঁৰ বয়স হৈছিল ৭৮ বছৰ।

চাৰ জগদীশ চন্দ্ৰ বসু এজন মহান বিজ্ঞানী বুলি দেশ আৰু বিদেশে আজি স্বীকৃতি দিছে। তেওঁৰ বিশাল শৰীৰ আৰু দিব্যদৃষ্টিৰ পৰা যেন অনবৰত প্ৰতিভা বিকীৰিত হৈছিল। স্বাৰ্থত্যাগ আৰু ধৈৰ্য্যৰ তেওঁ এক বিৰল প্ৰতিমূৰ্ত্তি আছিল। সংকল্পত তেওঁ অটল আছিল। ভাৰতৰ গৰ্ব্ব বিশ্বত উন্নত শিৰেৰে দাঙি ধৰা এইজনা ব্যক্তিৰ ব্যক্তিত্ব দিনকদিনে যে উজ্জ্বলতৰ হৈ গৈ থাকিব সেয়া ধ্ৰুপ।

মেৰী কুৰী

ঊনৈশ শতিকাটো ইউৰোপৰ বুৰঞ্জীৰ এক নৱজাগৰণৰ যুগ। কাৰণ এই সময়তেই ইউৰোপত বিজ্ঞান আৰু বৈজ্ঞানিক জগতখনক নতুন নতুন আৱিষ্কাৰৰ ঢৌৱে ঢৌৱাই গৈছিল। বিজ্ঞানত মৌলিক অৱদান জগোৱা কেবাগৰাকী বিজ্ঞানীৰ এই সময়ছোৱাত জন্ম হৈছিল। সেই সকলৰ ভিতৰত মহিলা বিজ্ঞানী মেৰী কুৰী স্বমহিমাৰে উদ্ভাসিত এগৰাকী অন্যতম বিজ্ঞানী।

১৮৬৭ চনৰ ৭ নৱেম্বৰ তাৰিখে পোলেণ্ড দেশৰ ৰাজধানী ওৱার্শ্চত মেৰী কুৰীৰ জন্ম হয়। সৰুতে তেওঁৰ নাম ৰখা হৈছিল মাৰিয়া স্কল'ডৱাস্কা। মাক দেউতাকৰ তেওঁ ৬ ষ্ঠ সন্তান আছিল। মাৰিয়াৰ সৰু কালতেই মাকৰ মৃত্যু হোৱাত দেউতাক লাডিস্লডে ছয়টা সন্তানৰ পৰিয়ালটো চলাওতে বৰ কষ্ট পাইছিল। তথাপি গুণী-জ্ঞানী আৰু মৰমিয়াল পিতৃৰ আদৰ যত্নত মাৰিয়াহত পঢ়া-শুনাত যথেষ্ট কৃতকার্য্য হৈ উঠিছিল।

দৃঢ়মনা আৰু চিন্তাশীল মাৰিয়াই দেউতাকৰ যত্নত বিজ্ঞান শিক্ষাৰ প্রতি তীব্রভাৱে আকর্ষিত হৈছিল। ১৬ বছৰ বয়সত মাৰিয়াই মাধ্যমিক শিক্ষা সমাপ্ত কৰে। স্কুলীয়া শিক্ষা শেষ হোৱাৰ পাছত উচ্চ শিক্ষা লবলৈ আৰু বিশেষকৈ বিজ্ঞান অধ্যয়ন কৰিবলৈ মাৰিয়াই আৰু ভনীয়েক ব্র'ণিয়াই ইচ্ছা কৰিছিল। কিন্তু সেই সময়ত ওৱার্শ্চত থকা বিশ্ববিদ্যালয়ত মহিলাক পঢ়িবলৈ দিয়া নহৈছিল। গতিকে মাৰিয়াই নিজৰ পঢ়া-শুনা আধৰুৱা কৰি থৈ কষ্টত চলা দেউতাকক ক'ৰবাত শিক্ষয়িত্রীৰ কাম কৰি হ'লেও অলপ সকাহ দিয়াৰ কথা ভাবিছিল। আনহাতে মাৰিয়াৰ প্রায় সমবয়সীয়া বায়েক ব্র'ণিয়াও উচ্চ শিক্ষাৰ প্রতি ইচ্ছুক হৈ পৰিছিল।

সেই সময়ত সমগ্র ইউৰোপৰ ভিতৰতে ফ্রান্সৰ ৰাজধানী পেৰিছ আছিল শিক্ষা, সংস্কৃতি আৰু বিশেষকৈ বিজ্ঞান অধ্যয়নৰ কেন্দ্রস্থল। গতিকে পেৰিছত ব্র'ণিয়াক পঢ়ুৱাৰ কথা মাৰিয়াই দেউতাকক ক'লে আৰু তাৰ বাবে প্রয়োজন হোৱা টকা-পইচা যোগান ধৰি দেউতাকক সহায় কৰিবলৈ মনস্থ কৰিলে। অৱশ্যে মাৰিয়াই দেউতাকক এই বুলিও ক'লে যে ব্র'নিয়াৰ পঢ়া শেষ হোৱাৰ পাছত তেওঁও পেৰিচলৈ যাব। ব্র'নিয়াই পেৰিছৰ চৰৱঁ নামে এখন বিখ্যাত বিশ্ববিদ্যালয়ত চিকিৎসা বিজ্ঞান শাখাত নাম ভর্তি কৰে। মাৰিয়াই শিক্ষয়িত্রীৰ কাম নাপালে। তাৰ সলনি এঘৰ আঢ্যৱন্ত মানুহৰ ঘৰত পৰিচাৰিকাৰ কাম যোগাৰ কৰিলে। ইতিমধ্যে ব্র'ণিয়াই চিকিৎসা বিজ্ঞানৰ ডিগ্রী লাভ কৰি পেৰিছতে চিকিৎসক হ'ল। ডাক্তৰ এজনৰ সৈতে ব্র'ণিয়াৰ বিয়া হোৱাত তেওঁলোকে মাৰিয়াক উচ্চ শিক্ষাৰ বাবে পেৰিছলৈ মাতি পঠিয়ালে।

১৮৯১ চনত মাৰিয়া উচ্চশিক্ষাৰ বাবে পেৰিছলৈ যায় আৰু চৰৱঁ বিশ্ববিদ্যালয়তে পদার্থ বিজ্ঞান শাখাত নাম ভর্ত্তি কৰে। দিনটো বিশ্ববিদ্যালয়ৰ শ্রেণী কোঠাত আৰু পৰীক্ষাগাৰতে তেওঁ ব্যস্ত থাকিছিল। ৰাতি তেওঁ সৰুঘৰ এটা ভাড়া লৈ উজাগৰে থাকি বহুসময় ধৰি পঢ়া-শুনা কৰিছিল। কঠোৰ দৈহিক আৰু মানসিক কষ্টৰ পাছত ১৮৯৩ চনত তেওঁ পদার্থ বিজ্ঞানত প্রথম স্থান পাই ডিগ্রী লাভ কৰে। তাৰ পিছৰ বছৰতে গণিত বিষয়তো ডিগ্রী লাভ কৰে। উচ্চ শিক্ষা সমাপ্ত কৰি উঠি মাৰিয়াই নিজৰ নামটো মেৰী কৰিলে আৰু পিছত সেই নামেৰেই বিখ্যাত হ'ল।

পদার্থ বিজ্ঞানৰ জগতখনত গভীৰভাৱে মনোনিবেশ কৰাৰ উদ্দেশ্যে মেৰীয়ে সেই বিষয়ত গৱেষণাৰ কাম আৰম্ভ কৰিছিল। পৰীক্ষাগাৰৰ বিভিন্ন কামত ব্যস্ত হৈ থকা সময়তে অর্থাৎ ১৮৯৪ চনত পিয়েৰ কুৰী নামৰ ডেকা পদার্থ বিজ্ঞানী এগৰাকীৰ সৈতে মেৰীৰ পৰিচয় ঘটে। পিয়েৰ কুৰীয়ে সেই সময়ত চৰৱঁ বিশ্ববিদ্যালয়ত পদার্থ আৰু ৰসায়ন বিজ্ঞান বিষয়ত পাঠদান কৰিছিল। তেওঁ পদার্থৰ কঠিন অৱস্থাৰ ধর্মৰ ওপৰতো বিশেষ অধ্যয়ন কৰিছিল। এনেহেন এজন উৎসাহী বিজ্ঞানী তথা অধ্যাপকৰ সান্নিধ্যলৈ আহি মেৰীয়ে বৰ আনন্দ পাইছিল। মেৰীৰ গৱেষণাৰ ধাউতি আৰু আকর্ষণীয় ব্যক্তিত্বৰ দ্বাৰা পিয়েৰ যথেষ্ট প্রভাৱিত হৈছিল। দুয়োজনৰ মাজত অতি সহজে বন্ধুত্ব গঢ়ি উঠিছিল। তেনে সময়তে এদিন মেৰীয়ে পিয়েৰৰ পৰা

এখন চিঠি পাইছিল। সেই চিঠিত পিয়েৰে মেৰীক বিবাহৰ প্ৰস্তাৱ আগবঢ়াই কৈছিল দুয়োৰে স্বদেশ প্ৰেম, প্ৰকৃতি প্ৰেম, দুয়োৰে বৈজ্ঞানিক দৃষ্টিভঙ্গী তথা মানৱপ্ৰেম সেই সকলোবোৰ যেন এই মিলনৰ ফলত বিকসিত হৈ উঠিব। ১৮৯৫ চনৰ জুলাই মাহৰ ২৫ তাৰিখে মেৰী আৰু পিয়েৰৰ বিবাহ সম্পন্ন হয়। তাৰ পাছতে পিয়েৰৰ তত্ত্বাৱধানত মেৰীয়ে গৱেষণাৰ কাম আৰম্ভ কৰিছিল। দুবছৰ পাছত তেওঁলোকৰ প্ৰথম সন্তান আইৰিণৰ জন্ম হয়।

সেই সময়ত হেন্‌ৰি বেকুৰেল নামৰ পদাৰ্থ বিজ্ঞানী এজনে তেজস্ক্ৰিয়তা (Radioactivity) আৱিষ্কাৰ কৰিছিল। বেকুৰেলে দেখা পায় যে ইউৰেণিয়াম নামৰ ধাতুৰ পৰা আলফা, বিটা আৰু গামা নামৰ তিনিবিধ শক্তিশালী বিকিৰণ নিৰ্গত হয়। ইউৰেনিয়াম ধাতুৰ প্ৰধান আকৰিক হৈছে পিৎসব্লেণ্ড (Pitchblende)। অতি সুক্ষ্ম আৰু সুবেদী যন্ত্ৰৰ সহায়ত মেৰীয়ে ধৰা পেলায় যে ইউৰেনিয়াম ধাতু যিমান তেজস্ক্ৰিয় তাৰ তুলনাত পিৎসব্লেণ্ড অধিক শক্তিশালী। সেই শক্তিশালী বিকিৰণ নিৰ্গতকাৰী পদাৰ্থটো কি সেই সম্পৰ্কে মেৰীয়ে বিভিন্ন পৰীক্ষা কৰিলে। এটা জটিল ৰসায়নিক পদ্ধতি ব্যৱহাৰ কৰি তেওঁ পিৎসব্লেণ্ডৰ পৰা সেই বিশেষ পদাৰ্থবিদ পৃথক কৰি উলিওৱাত সক্ষম হ'ল। পদাৰ্থবিদ আছিল বিশুদ্ধ ৰেডিয়াম কাৰণ ই অহৰহ শক্তিশালী বিকিৰণ নিৰ্গত কৰিছিল। ৰেডিয়াম আৱিষ্কাৰ কৰাৰ লগে লগে বিজ্ঞান জগততে মেৰী কুৰী বিখ্যাত হৈ পৰে আৰু মানুহে তেওঁক সন্মান জনাই মেডাম কুৰী বুলিবলৈ ধৰে। সেই একে বছৰতে (১৮৯৮) মেৰী আৰু পিয়েৰ কুৰীয়ে পল'নিয়াম আৱিষ্কাৰ কৰে।

ৰেডিয়াম সম্পৰ্কে চলোৱা গৱেষণাৰ বাবে ১৯০৩ চনত মেডাম কুৰীয়ে পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। আৰু দম্পতি হালে Royal society ৰ ডেভি মেডেল (Davy Medal) লাভ কৰে। উল্লেখযোগ্য যে ১৯০৩ চনতে চুইডেনৰ ন'বেল কমিটিয়ে মেডাম কুৰী, পিয়েৰ কুৰী আৰু হেনৰি বেকুৰেলক পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়ায়। এবছৰ পাছত মেডাম কুৰী দ্বিতীয় গৰাকী সন্তানৰ মাতৃ হয়। কিন্তু দুৰ্ভাগ্যক্ৰমে ইয়াৰ দুবছৰ পাছতে মেডাম কুৰীৰ মৰমৰ স্বামী পিয়েৰৰ অকাল মৃত্যু ঘটে। কিন্তু সেই বছৰতে মেডাম কুৰীয়ে চৰবঁ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক পদত নিযুক্তি পায়। মেডাম কুৰীয়ে বিশ্ববিদ্যালয়ত থকা কালতে বিভিন্ন ৰসায়নিক

পদ্ধতিৰে ৰেডিয়ামৰ বিভিন্ন ধৰ্ম অধ্যয়ন কৰিছিল। ৰসায়ন বিজ্ঞানত দেখুওৱা বিশেষ পাণ্ডিত্যৰ বাবে তেওঁক ৰসায়ন বিজ্ঞানতো ১৯১১ চনত ন'বেল বঁটা প্ৰদান কৰা হয়। এইদৰে দুবাৰ ন'বেল বঁটা লাভ কৰাৰ সন্মান লাভ কৰা ব্যক্তিসকলৰ ভিতৰত মেডাম কুৰী আছিল সৰ্ব্বপ্ৰথম। ১৯১৪ চনত পেৰিছত স্থাপন কৰা ৰেডিয়াম ইন্সিটিটিউটৰ কুৰী লেবেৰটৰীত মেডাম কুৰীয়ে মূখ্য তত্ত্বাৱধায়কৰ পদত যোগদান কৰে।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত আইৰিণৰ সহযোগত মেডাম কুৰীয়ে এক্স ৰেডিওগ্ৰাফী পদ্ধতিৰ উন্নতি সাধন কৰা আৰু প্ৰয়োগ কৰা কামত মনোনিবেশ কৰিছিল। সেয়ে তেওঁক লিগ অৱ নেছন্স (League of Nations) গঠনৰ পাছত সন্মান জনাই আয়োগৰ সদস্য পতা হৈছিল।

মেডাম কুৰীৰ জীৱনৰ মূল লক্ষ্য আছিল বিজ্ঞানৰ অধ্যয়ন আৰু গৱেষণা কৰা আৰু তেনে গৱেষণাৰ দ্বাৰা মানৱ জাতিৰ কল্যাণ সাধন কৰা। মেডাম কুৰীয়ে ৰেডিয়ামক সমগ্ৰ মানৱ জাতিৰ বাবে উৎসৰ্গা কৰিছিল। আৰু কৈছিল "ৰেডিয়াম সমগ্ৰ পৃথিবীৰে সম্পদ"।

অৱশেষত ১৯১৪ চনত ভয়াবহ কৰ্কৎ ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ এইগৰাকী মহীয়সী নাৰী-বিজ্ঞানীয়ে মৃত্যুক আকোৱালী লয়। মেডাম কুৰীৰ মৃত্যু হ'ল হয়, কিন্তু তেওঁৰ জীৱন জোৱা সাধনাই ৰেডিয়াম ধাতুৰ দৰেই কেউফালে জ্যোতিৰ ৰশ্মি বিকিৰিত কৰি আছে।

ফ্রেডেৰিক্ জুলিয়ৎ কুৰী

ফ্রেডেৰিক্ জুলিয়ৎ কুৰী-স্বনামধন্য বিজ্ঞানী মেৰী কুৰী আৰু পিয়েৰ কুৰীৰ জোৱায়েক। বিজ্ঞানৰ বিকাশৰ বাবে কৰা আশুসুধীয়া শ্ৰমৰ বাবে এইজনা বিজ্ঞানীও বিশ্ববৰেণ্য আৰু আটাইৰে নমস্য।

১৯০০ চনৰ ১৯ মার্চ তাৰিখে পেৰিচৰ এটা আঢ্যৱন্ত পৰিয়ালত ফ্রেডেৰিক জুলিয়ৎ কুৰীৰ জন্ম হয়। দেউতাক হেনৰি জুলিয়ৎ ফ্রান্সৰ পেৰিচ কমিউনৰ এজন সহানুভূতিশীল লোক আছিল। সেয়ে পৰিয়ালৰ পৰম্পৰা অনুসৰি ফ্রেডেৰিকৰ মনত সৰুৰে পৰা এটা সার্ব্বজনীন দৃষ্টিভংগীয়ে ঠাই লৈছিল। এজন চোকাবুধীয়া ছাত্ৰ আৰু পৈণত ফুটবল খেলুৰৈ হিচাবে হাইস্কুলীয়া শিক্ষা সাং কৰিয়েই পেৰিচৰ এখন আগশাৰীৰ কলেজত নাম ভর্ত্তি কৰে। কলেজত তেওঁ সকলো বিষয়তকৈ পদার্থ বিজ্ঞানৰ প্ৰতিহে বেছিকৈ আকৃষ্ট হয় আৰু তেওঁৰ সেই প্ৰতিভা অতি সোনকালে অনুষ্ঠানটিৰ পদার্থ বিজ্ঞানৰ সঞ্চালক প'ল লেংগেভিনৰ দৃষ্টিগোচৰলৈ আহে। ১৯৫২ চনত ফ্রেডেৰিকে "ইন্সিটিটিউট ডি ৰেডিয়াম"ত সহযোগী বিজ্ঞানী হিচাপে সোমায়। তাতে তেওঁৰ মেডাম কুৰীৰ জীয়েক মিচ্ আইৰিণ কুৰীৰ সৈতে পৰিচয় ঘটে আৰু এবছৰৰ ভিতৰতে উভয়ে বিবাহ পাশত আৱদ্ধ হয়। আৰু এইটো আছিল বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বৈজ্ঞানিক সহযোগিতাৰ এক উৎকৃষ্ট নিদর্শন। প্ৰথম নিদর্শনটো আছিল ফ্রেডেৰিকৰ শহুৰ-শাহু মেৰী আৰু পিয়েৰ কুৰী দম্পতি।

১৯৩০ চনত ফ্রেডেৰিকে তেওঁৰ "তেজস্ক্রিয় ধাতুৰ বৈদ্যুতিক ৰসায়ন" কামৰ বাবে D.sc. ডিগ্ৰী লাভ কৰে। সেই সময়তে তেওঁ তেওঁৰ পত্নী আইৰিণ জুলিয়ৎ কুৰীৰ সৈতে অতি উচ্চস্তৰৰ বৈজ্ঞানিক গৱেষণাত ৰত

হৈছিল। তেওঁলোকে গৱেষণাগাৰত পল'নিয়াম নামৰ ধাতুৰ পৰা উৎপন্ন আলফা কণিকাৰে বেৰিলিয়াম, ব'ৰণ, এলুমিনিয়াম আদি পাতল ধাতু কিছুমানৰ বিভাজন ঘটাইছিল। কিন্তু উভয়ে এই বিভাজনত ওলোৱা কণিকাবোৰ গামা ৰশ্মি বুলি ভুল কৰিছিল। কিন্তু সেয়া হ'লেও তেওঁলোকৰ এই পৰীক্ষাই অইন এজন বিজ্ঞানী চ'ডউইকক এদিন নিউট্রন আৱিষ্কাৰত (১৯৩২) সহায় কৰিছিল। পজিট্রন নামৰ আন এবিধ কণিকাৰ আৱিষ্কাৰৰ কৃতিত্বৰ পৰাও এই স্বামী-স্ত্রীহাল বঞ্চিত হবলগাত পৰিছিল, যদিও তেওঁলোকেই পৰীক্ষাগাৰত এই কণিকাটো প্ৰথম নির্ণয় কৰিছিল। যিয়েই নহওক তেওঁলোকৰ এই কণিকাটোৰ নিৰীক্ষণে শেষত কৃত্রিম তেজস্ক্রিয়তা আৱিষ্কাৰত তেওঁলোকক সহায় কৰিছিল। এইয়া আছিল তেওঁলোকৰ উল্লেখযোগ্য বিজয়। জুলিয়ৎ কুৰীয়ে আৰু নিৰীক্ষণ কৰিছিল যে আলফা কণিকাৰে এলুমিনিয়ামৰ বিভাজনে নিউট্রন আৰু পজিট্রন কণিকা নির্গত কৰে। তেওঁ বিস্মিত হৈছিল যে আলফা কণিকাটো আঁতৰাই নিয়া স্বত্ত্বেও পজিট্রনৰ নির্গমন চলিয়েই থাকে। আৰু এই বিক্রিয়াটোত তেজস্ক্রিয় ফচফৰাচ উৎপন্ন হয়। এই স্বামী-স্ত্রীহালেই প্ৰথম আছিল যিয়ে লঘূ মৌলৰ কৃত্রিম বিভাজন পৰীক্ষাগতভাৱে প্ৰমান কৰিছিল। তেওঁলোকৰ এই পৰীক্ষাৰ ফল কুৰীদ্বয়ে ১৯৩৪ চনত প্ৰকাশ কৰে। ফ্রেডেৰিক কুৰীয়ে ঘোষণা কৰে যে তেজস্ক্রিয়তাৰ এই আৱিষ্কাৰে ৰসায়নিক আৰু জীৱবিজ্ঞানৰো অধ্যয়নত সহায় কৰিব।

১৯৩৫ চনত ফ্রেডেৰিক কুৰীয়ে তেওঁৰ পত্নী আইৰিণৰ সৈতে যুটীয়াভাৱে ওপৰোক্ত আৱিষ্কাৰৰ বাবে ন'বেল পুৰষ্কাৰ লাভ কৰে। সেই বছৰতে তেওঁ পেৰিচ ফেকাল্টি অৱ চায়েন্সঅ'ত প্ৰবক্তাৰ পদ পায়। দুবছৰ পাছত ১৯৩৭ চনত College de France ত অধ্যাপকৰ নিযুক্তি পায়। তাত তেওঁ নিউক্লিয় ৰসায়ন এটা নতুন পৰীক্ষাগাৰ স্থাপন কৰে, আৰু পশ্চিম ইউৰোপৰ প্ৰথমটো Cyclotron (চাইক্লট'ন) স্থাপন কৰে। ফ্রান্সৰ বাবে গৌৰৱৰ কথা যে নিউক্লিয় বিজ্ঞানৰ চালুকীয়া অৱস্থাতে কুৰীয়ে এনে এটি উচ্চ বৈজ্ঞানিক যন্ত্রৰ কথা ভাবিব পাৰিছিল।

চাৰি বছৰ পাছত অটো হান আৰু ষ্ট্রেচমেনে যেতিয়া নিউক্লিয় বিভাজন আৱিষ্কাৰ কৰে, ফ্রেডেৰিকে লগে লগে বিক্রিয়াটোৰ এটা ভৌতিক পৰীক্ষা

সমাপন কৰে। তাৰ পিছত তেওঁ হানচ্ হলবান আৰু লিউ কোৱেস্কিৰ সৈতে শৃংখল বিক্রিয়াৰ ওপৰত কাম কৰে। আৰু নিউক্লিয় ৰি-এক্টৰ স্থাপনৰ বাবে প্রয়োজনীয় আহিলা পাতিৰ বিষয়ে জনায়।

ইয়াৰ পাছতে জার্মানীয়ে ফ্রান্স আক্রমণ কৰে। কিন্তু জার্মান শক্তি আহি পোৱাৰ আগেয়ে ফ্রেডেৰিক কুৰীয়ে নিউক্লিয় শৃংখল বিক্রিয়াৰ সকলো গোপন ফলাফল তেওঁৰ বৃটিছ সহযোগীসকলক জনায়। ইতিমধ্যে বহুতো বিজ্ঞানীয়ে পেৰিচ পৰিত্যাগ কৰে। কিন্তু ফ্রেডেৰিকে অৱৰুদ্ধ পেৰিচতে থাকি কাম কৰাৰ সিদ্ধান্ত কৰে। তেওঁৰ পৰীক্ষাগাৰ যাতে স্তব্ধ নহয় তাৰ সিদ্ধান্ত কৰে। তেওঁক হিটলাৰৰ নাজী বাহিনীয়ে তেওঁৰ তাত ইউৰেণিয়াম আৰু হেভী ৰাটাৰৰ সম্ভাৰ আছে নেকি তাৰ অনুসন্ধান কৰে। তেওঁক যুদ্ধ সম্পর্কীয় কোনো গৱেষণা কৰাটোত বাৰণ কৰে। কিন্তু যুদ্ধৰ গোটেই সময়চোৱা জার্মানী নাজী বাহিনীৰ বিৰুদ্ধে তেওঁৰ কামেৰে প্রতিৰোধ আগবঢ়ায়। তেওঁ আত্মগোপনকাৰী প্রতিৰোধ বাহিনীক সহায় কৰিবলৈ ৰেডিঅ ষ্টেচনো স্থাপন কৰে। আৰু তেওঁলোকৰ সহায়ত আহিব পৰা কিছুমান আচনি উদ্ভাৱন কৰি ফ্রান্সৰ স্বাধীনতাকামী সকলক সহায় কৰে।

দ্বিতীয় মহাসমৰ শেষ হোৱাৰ ঠিক পাছতে ১৯৪৬ চনৰ জানুৱাৰীত তেওঁক আণৱিক শক্তি আয়োগৰ সভাপতি পদত অলঙ্কৃত কৰা হয়। তেওঁৰ সভাপতিত্বতে ফ্রান্সে ঠিৰাং কৰে যে তেওঁলোকে কেতিয়াও আণৱিক অস্ত্র নির্মাণ নকৰে। ১৯৪৬ চনৰ জুলাইতে ফ্রেডেৰিক কুৰী বিজ্ঞান কর্মীসকলৰ বিশ্ব সংস্থাৰ প্রতিস্থাপক সভাপতি নির্বাচিত হয়। এই সংস্থাৰ উদ্দেশ্য আছিল বিজ্ঞানক শান্তি আৰু মানৱতাৰ উন্নয়নৰ বাবে প্রয়োগ কৰা।

১৯৪৯ চনৰ ছেপ্তেম্বৰত ছোভিয়েৎ ৰাছিয়াৰ আণৱিক বোমাৰ পৰীক্ষা লৈ বিশ্বজুৰি জাগৰণৰ সৃষ্টি হয়। আৰু আণৱিক অস্ত্রৰ নিষিদ্ধকৰণৰ বাবে ১৯৫০ চনৰ ১৯ মার্চত ফ্রেডেৰিক জুলিয়ৎ কুৰীৰ চহীৰে আৰম্ভ কৰি বিশ্বজুৰি ৪০০ নিযুত মানুহে প্রতিবাদ সাব্যস্ত কৰে।

ৰাজনৈতিক স্তৰত পৃথিবীজুৰি আমেৰিকা আৰু ছোভিয়েৎ ৰাছিয়াক কেন্দ্র কৰি শীতল যুদ্ধ আৰম্ভ হয়। জুলিয়ৎ কুৰীক বিশ্ব শান্তি সংস্থাৰ (World Peace council) সভাপতি নির্বাচন কৰা হয়। ইতিমধ্যে আইৰিণ জুলিয়ৎ কুৰীৰ মৃত্যু হয়। পত্নীৰ মৃত্যুৰ ১৯৫৬ চনত নিউক্লিয় পদার্থ বিজ্ঞানৰ মুখ্য

চকীখন তেওঁক আগবঢ়োৱা হয়। ১৯৫৮ চনত এই মহান বিজ্ঞানীজনৰ মৃত্যু হয়। কিন্তু মৃত্যুলৈকে বহু গুৰুত্বপূর্ণ পদবীত থাকিও তেওঁ আণৱিক নিৰস্ত্রীকৰণৰ এজন সক্রিয় যোদ্ধা হৈ থাকে।

ব্যক্তিগত জীৱনত তেওঁৰ সুকুমাৰ অনুভূতিবোৰৰ ভিতৰত পিয়ানো বজোৱাই প্রধান আছিল। তদুপৰি তেওঁ লেণ্ডস্কেপ আকিছিল আৰু কবিতা পঢ়িছিল। এই মহান বিজ্ঞানীজনৰ অৱদানসমূহ বিশ্ববাসীৰ মনত চিৰযুগমীয়া হৈ ৰ'ব।

জ'ন বেয়ার্ড

দূৰদৰ্শন আমাৰ আটাইবে প্ৰিয়। দিনটোত এবাৰ নহয় এবাৰ আমি দূৰদৰ্শনৰ সন্মুখত বহোঁৱেই। কিন্তু দূৰদৰ্শনৰ আৱিষ্কাৰক জ'ন বেয়ার্ডৰ নাম আমি কেইজনে শুনিছো। শুনিছো যদিও সেয়া আঙুলিৰমূৰত লেখিব পৰা। কৃচ্ছ সাধনাৰে গঢ়ি তোলা জনকল্যাণকৰ অশেষ বস্তুৰ আৱিষ্কাৰকৰে নাম সময়ৰ সোঁতত হেৰাই যায়। সাধনা পিছে অথলে নাযায়। পিছৰ চামৰ ক্ষেত্ৰত এই সাধনায়েই প্ৰেৰণা হিচাপে কাম কৰে। দূৰদৰ্শনৰ আৱিষ্কাৰক জ'ন বেয়ার্ডৰ সাধনাৰ অন্তৰালত অশেষ কষ্ট, আশাভঙ্গৰ বেদনা, আৰ্থিক অনাটন আদিৰ কাহিনী জড়িত হৈ আছে।

জ'ন বেয়ার্ডৰ জন্ম হয় ইংল্যাণ্ডৰ হেলেন্‌চবাৰ্গত ১৮৮৮ চনত। সৰুৰে পৰা জ'ন বেয়ার্ডৰ বৈজ্ঞানিক অনুসন্ধিৎসু মনৰ পৰিচয় ওলাই পৰিছিল। চুবুৰীৰ ল'ৰাসমূহক গোটাই লৈ সৰুকালিৰ বেয়ার্ডে তেওঁৰ ঘৰখন সুক্ষ্ম যান্ত্রিক কাৰ্য্যকলাপৰ কেন্দ্ৰ কৰি তুলিছিল। ১২ বছৰ বয়সতে কেইজনমান সহপাঠী বন্ধুৰ সৈতে এটা ব্যক্তিগত টেলিফোন লাইন সংযোগ কৰিছিল। দুৰ্ভাগ্যবশতঃ এৰাতি ধুমুহাত সেই টেলিফোন লাইন ছিণ্ডি এটা ঘোঁৰা ছোৱালীক আহত কৰাত বেয়ার্ড সেই ঘোঁৰা ছোৱালীৰ লগতে দেউতাকৰ দ্বাৰা গৰ্হিত হ'ব লগা হয়। লগে লগে বেয়ার্ডৰ শৈশৱৰ দুঃসাহসিক পৰিকল্পনাৰো অন্ত পৰে।

জ'নৰ মনটো আছিল অদমনীয়। জনৰ মগজুত নিতে ন ন পৰিকল্পনাই দোলা দিছিল। পানীৰ চকৰীৰে ঘূৰোৱা ডায়নামো এটা সাজি জ'নে নিজেই ঘৰত বৈদ্যুতিক চাকি সংযোগ কৰে। তদুপৰি পুৰণি "মেজিক চাকি" এটাৰে নিজা কেমেৰা এটা সাজি বিছনাত শুই থকা অৱস্থাতে ফটো লব পৰা অতুলনীয় কৌশল এটা আৱিষ্কাৰ কৰে।

গ্লাচগো বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰয়েল টেক্‌নিকেল কলেজৰ পৰা জ'ন বেয়ার্ডে ইলেক্‌ট্রিকেল ইঞ্জিনিয়াৰিঙত ডিগ্ৰী লয়। চাকৰি জীৱনত তেওঁ অধীক্ষক অভিযন্তা পদলৈ উন্নীত হৈছিল। কিন্তু জ'নৰ বৈজ্ঞানিক অনুসন্ধিৎসু মনে তেওঁক একে কামতে থিতাপি লগাই ৰাখিব পৰা নাছিল। স্বাস্থ্যজনিত কাৰণতো জ'ন বেয়ার্ডে চাকৰি বৰ্ত্তাই ৰখা টান হৈ পৰিছিল। প্ৰায়েই তেওঁ চৰ্দি কাঁহত ভুগিছিল। শীতকালি ভৰি চেঁচা পৰি যোৱা বেমাৰৰ বাবে ভৰিত গৰম মোজা ব্যৱহাৰ কৰিব লগা হৈছিল

পঢ়ি থকা অৱস্থাত জ'নৰ আন এটা মৌলিক গৱেষণা প্ৰচেষ্টা আছিলঃ ছেলেনিয়াম কোষেৰে কিদৰে পোহৰক বৈদ্যুতিক সংকেতলৈ ৰূপান্তৰিত কৰিব পাৰি। এই চেষ্টাত সূৰ্য্যৰ পোহৰেৰে ঘণ্টা বজোৱাত কিছুদূৰ তেওঁ সফল হৈছিল।

ভগ্ন স্বাস্থ্যই জ'নৰ কৰ্মজীৱন আৰু পৰীক্ষা-নিৰীক্ষাত বাৰুকৈয়ে বিপৰ্য্যয়ৰ সৃষ্টি কৰিবলৈ ধৰে। এবাৰ সকলো বাদ দি চাৰিজন কৰ্মীৰে সৈতে তেওঁ ব্যৱসায়ত লগাৰ দিহা কৰে। কিন্তু আকৌ স্বাস্থ্যই বাধা হৈ দেখা দিয়ে। শেষত স্কুলীয়া সহপাঠী এজনৰ আহ্বানক্ৰমে জ'নে স্বাস্থ্য উদ্ধাৰৰ আশাত পশ্চিম ভাৰতীয় দ্বীপপুঞ্জৰ ত্ৰিনিদাদলৈ গুচি যায়।

ত্ৰিনিদাদৰ ছান্তক্রুজত জ'ন বেয়ার্ডে হেৰিছ নামৰ এসময়ৰ সহপাঠী বন্ধুজনৰ সৈতে জাম ফেক্টৰী এটা প্ৰতিষ্ঠা কৰে। অনভিজ্ঞ দুই বন্ধুৰ এই পৰিকল্পনাই পিচে শীঘ্ৰেই দুৰ্ঘটনাৰ মুখত পতিত হয়। জাক জাক মহে ("চুইচাইড স্কোৱাড্রন" নামে ৰেষ্ট ইণ্ডিজৰ এবিধ মহ) জামৰ বটলৰ ভিতৰত সোমাই সেইবো পচাই পেলায় আৰু জ'নৰ ফেক্টৰীৰো যৱনিকা আনে। তাৰ পিচতেই জ'ন মেলেৰীয়াৰ দ্বাৰা আক্রান্ত হয়। দুৰ্ভগীয়া জ'নে স্বাস্থ্য উদ্ধাৰৰ আশা এৰি দি চিৰকালৰ বাবে ইংল্যাণ্ডলৈ উভটি আহে।

ইংল্যাণ্ডলৈ আহি জ'ন একেবাৰে দীন-হীন অৱস্থাত। জীৱিকাৰ অৱলম্বন নাই, আনফালে মেলেৰীয়া আৰু কাঁহ। কেৱল আৰ্থিক দৈন্য ঢাকিবলৈ অদ্ভুত অদ্ভুত ব্যৱসায় কিছুমানত হাত দিয়ে।

এটা আছিল চাবোনৰ ব্যৱসায়। ব্যৱসায় নিটিকিল। আন এটা নিউমেটিক্‌চৰ। ইও নিটিকিল। তাৰ পিচত ভাবিলে গ্লাছ ৰেজৰৰ বিষয়ে। গমি চাই সেই আশাও এৰি পেলালে।

সৰ্বশেষত বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষালৈ উভটি অহাৰ মনস্থ কৰি টেলিভিচন অৰ্থাৎ বিনা তাঁৰেৰে কেনেকৈ দূৰলৈ চিত্ৰ সহ বাৰ্ত্তা পঠাব পাৰি— আৱিষ্কাৰৰ অভিনৱ পৰিকল্পনাত হাত দিলে।

ভগ্ন স্বাস্থ্যৰ, সম্পদহীন জ'নৰ বাবে সঁচাকৈয়ে ই এক অভিনৱ পৰিকল্পনা আছিল। দুঃসাহসী জ'ন বেয়ার্ড সিদ্ধান্তত অটল হৈ থাকিল। তেওঁৰ ঘৰত থকা ওৱাছ-ষ্টেণ্ড ডালকে সাজিবলগীয়া যন্ত্ৰটোৰ এটা জঁকা কৰি ল'লে। তাৰ পাচত অন্যান্য লাম-লাকুটুৰে যন্ত্ৰটো সাজি অত্যন্ত ধৈর্য্যৰে মাহৰ পিচত মাহ কামত মগ্ন হৈ পৰিল। অৱশেষত ১৯২৪ চনৰ বসন্ত কালত তিনি গজ দূৰত্বলৈ হ'লেও ছবি এখন পঠাবলৈ তেওঁ সক্ষম হ'ল।

কামত আগবাঢ়ি যাবলৈ জ'ন বেয়ার্ডৰ আৰু পইচাৰ প্ৰয়োজন হোৱাত তেওঁ সাংবাদিকৰ বাবে অনুষ্ঠুপীয়া প্ৰদৰ্শনী এখনৰ ব্যৱস্থা কৰিলে। তাৰে এখন সৰু কাকতৰ সাংবাদিকে তেওঁৰ কামৰ বৰ্ণনা ছপোৱাত লণ্ডনৰ বেতাঁৰৰ দোকান এখনৰ মালিকে আৱিষ্কাৰৰ ৫০ শতাংশৰ অংশীদাৰ হোৱাৰ চুক্তিত কিছু টকা দিলে। আশাবাদী জ'ন হেলেনচ্ বাৰ্গৰ পৰা আকৌ লণ্ডনলৈ ঢাপলি মেলিলে নতুন উদ্যমেৰে।

লণ্ডনত অন্য এজন ব্যৱসায়ী ব্যক্তিৰ পৰা সপ্তাহত ২৫ ডলাৰকৈ সাহায্য আহিল। চুক্তি হ'ল— জ'ন বেয়ার্ডে নিতৌ তেওঁ সজা যন্ত্ৰটোত তিনিবাৰকৈ দেখা দিব লাগিব। মান্তি হ'ল যদিও তেওঁৰ ব্যক্তিগত ভূমুকিত ছাঁ-পোহৰৰ কিছুমান আঁক-বাকৰ বাহিৰে একো নুঠিল। আৱিষ্কৃত যন্ত্ৰৰ এনে পৰিণতিত দৰ্শকে জ'নক হাঁহি-বিদ্ৰুপেৰেহে সম্ভাষণ জনালে। বেয়ার্ডে ব্যৱসায়ীজনৰ লগত তেওঁৰ চুক্তিৰ ইতি পেলালে। চুক্তিৰ পৰা পোৱা টকাৰে কিছুদিন চলাৰ পাছত বেয়ার্ডৰ দিনৰ আহাৰসাজ গোটোৱাই টান হৈ পৰিল। হতাশ বেয়ার্ডে শেষত টকাৰ বাবে ঘৰলৈ চিঠি দিলে। বহুদিনৰ মূৰত ঘৰৰ পৰা ৫০০ ডলাৰ অহাত বেয়ার্ডৰ জীৱন-নৌকা আকৌ চলাৰ আশা হ'ল। যন্ত্ৰ-পাতিবোৰ লৰালৰিকৈ ঠিক কৰি তেওঁ পুনৰ কামত মগ্ন হৈ পৰিল। তেওঁ সাধনাত লাগি গ'ল। অৱশেষত সাধনাই সিদ্ধি পালে ১৯২৫ চনৰ ২ অক্টোবৰ তাৰিখে। যতনাই ৰখা পুৰণি পুতলা এটাৰ মুখাবয়ব স্পষ্টকৈ চিত্ৰিত হ'ল— জ'ন বেয়ার্ডৰ যন্ত্ৰত। আনন্দত আত্মহাৰা বেয়ার্ডে লগে লগে সঁচা মানুহ এজন বিচাৰি পৰীক্ষা গৃহৰ পৰা তলৰ কোঠালীলৈ নামি আহিল আৰু উইলিয়াম

নামৰ ১৫ বছৰীয়া ল'ৰা এজন ধৰি আনি তেওঁ সজা যন্ত্ৰটোৰ এটা মূৰত বহুৱাই দি আনটো কোঠালীত থকা গ্ৰাহক যন্ত্ৰৰ পৰা চাই থাকিল। ল'ৰাজনৰ মুখাবয়ব সেই যাদুকৰী যন্ত্ৰটোত ধৰা দিলে।

এই আশ্চর্য্যকৰ যাদুকৰী যন্ত্ৰটোৰ সাফল্যৰ কাহিনী পৃথিবীবাসীক জনাবৰ বাবে বেয়ার্ড ওলাই আহিল। ৰ'য়েল ছ'চাইটিৰ সভ্যসকলক আৱিষ্কাৰ চাবলৈ আহ্বান জনোৱা হ'ল। অৱশেষত সভ্যসকলে বিজ্ঞানী গৰাকীৰ আৱিষ্কাৰক স্বীকৃতি দিলে।

যশস্যাৰ লগে লগে বেয়ার্ডলৈ আহিল অজস্ৰ ধনৰ প্ৰতিশ্ৰুতি। ১৯২৮ চনত বেয়ার্ড সাফল্যৰ জখলাত আৰু এখোপ উঠিল। দূৰদৰ্শনেৰে লণ্ডন ষ্টুডিওৰ সংকেত এটা সুদূৰ নিউয়ৰ্কৰ গ্ৰাহক যন্ত্ৰলৈ পঠিয়ালে। কিন্তু ইয়াৰ পাছতে দূৰদৰ্শনৰ ছবিসমূহ পৰিবেশন কৰালৈ বেয়ার্ড আৰু B.B.C. ৰ মাজত এখন তুমুল যুদ্ধ আৰম্ভ হয়। অৱশেষত বৃটিছ সংসদৰ সদস্যসকলে বিজ্ঞানী গৰাকীৰ প্ৰতিভাই যাতে যথাযথ মূল্য পায়, তাৰ বাবে নিজেই ওকালতি কৰিবলৈ আগবাঢ়ি অহাত B.B.C. য়ে বেয়ার্ডে নিৰ্মাণ কৰা দূৰদৰ্শনেৰেই প্ৰথম পৰিবেশন কৰে।

বহু বছৰলৈ বেয়ার্ডৰ সৃষ্টিয়ে লণ্ডন আৰু আমেৰিকাৰ দৰ্শকক আমোদ দি থাকে। দ্বিতীয় বিশ্বযুদ্ধৰ সমসাময়িক কালছোৱাত বেয়ার্ডৰ অনুসন্ধিৎসু মন ঢাল খায় ৰং আৰু গভীৰতালৈ। আৰু এইদৰেই এদিন ৰঙীন দূৰদৰ্শন আৱিষ্কাৰ হয়।

কৃচ্ছ সাধনাৰে নিজকে গঢ়ি তোলা এইজনা অতুলনীয় প্ৰতিভাৰ গৰাকী বিজ্ঞানী বেয়ার্ডৰ জীৱনাবসান ঘটে ১৯৪৬ চনত, ৫৮ বছৰ বয়সত।

(পয়োভৰা; চেপ্তেম্বৰ , ১৯৮৯ চন)

লাইচ মেইটনাৰ

মেডাম কুৰীৰ সমকক্ষ আন এগৰাকী মহিলা বিজ্ঞানীৰ নাম হ'ল **লাইচ মেইটনাৰ**। বিজ্ঞানৰ বুৰঞ্জীত পুৰুষ-বিজ্ঞানীৰ সমানে সমানে আগবঢ়া মহিলা বিজ্ঞানীৰ নাম আঙুলিৰ মূৰত লেখিব পৰা। ছোৱালীক গুৰুত্ব দিব নিবিচৰা সমাজখনত তথাপি যিকেইগৰাকী মহিলা বিজ্ঞানীয়ে সময় বালিত খোজ থৈ গৈছে, তেওঁলোকক নিশ্চয় বীৰঙ্গনাৰ শাৰীত থ'ব লাগিব। মেইটনাৰে তেওঁৰ ধৰ্মীয়, লিঙ্গ আনকি ৰাষ্ট্ৰীয় পৰিচয়কো ওফৰাই তেওঁৰ সামৰ্থ্যৰ বৰঙণিখিনি আমাক দি যাব পাৰিছে।

লাইচ মেইটনাৰৰ জন্ম হয় ১৮৭৮ চনৰ ৭ নৱেম্বৰত, আজিৰ পৰা ১৩৭ বছৰ আগেয়ে। তেওঁ ভিয়েনাৰ ইহুদী পৰিয়াল এটাৰ তৃতীয় সন্তান। দেউতাক আছিল এজন সফল উকীল। সেই সময়ত ইউৰোপতো ছোৱালীয়ে উচ্চ শিক্ষা লোৱাটো বৰ সীমাবদ্ধ আছিল। লাইচ মেইটনাৰৰ মাক-দেউতাক প্ৰগতিশীল ভাৱধাৰাৰ আছিল আৰু সেয়ে তেওঁলোকৰ ছোৱালীক উচ্চ শিক্ষাৰ পৰা বিৰত কৰা নাছিল। শৈশৱত তেওঁক ঘৰুৱা শিক্ষকে পঢ়াইছিল। ব্যৱহাৰিক পদাৰ্থ বিজ্ঞান আৰু অংকত তেওঁৰ পাৰদৰ্শিতা সৰুতেই ফুটি ওলাইছিল। ভিয়েনা বিশ্ববিদ্যালয়ৰ পৰা ১৯০১ চনত তেওঁ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়।

ভিয়েনা বিশ্ববিদ্যালয়ত শিক্ষা ল'বলৈ গৈ তেওঁ লুডউইগ ব'ল্টজমেনৰ দৰে বিৰল ব্যক্তিত্বৰ ব্যক্তিৰ বক্তৃতা শুনাৰ সুযোগ লাভ কৰে। তেওঁৰ ভাগিন অটো ৰবার্ট ফ্ৰিছে সেয়ে লিখিছিল 'ব'ল্টজমেনে তেওঁক পদাৰ্থ বিজ্ঞানক চূড়ান্ত সত্যত উপনীত হোৱাৰ অস্ত্ৰ হিচাপে ল'বলৈ সাজু কৰি তুলিছিল। যিপাত অস্ত্ৰ প্ৰয়োগৰ ব্যৱহাৰ তেওঁ জীৱনৰ শেষ মুহূর্তলৈকে পাহৰা নাছিল।'

লাইচ মেইটনাৰৰ কৰ্ম-জীৱনৰ আৰম্ভ হয় তেওঁৰ আদৰ্শ শিক্ষক ব'ল্টজ্‌মেনৰ শিক্ষানুষ্ঠানত। কিন্তু আৰু জ্ঞান আহৰণৰ শিক্ষাই তেওঁক ভিয়েনাৰ

পৰা বার্লিনত উপনীত কৰায়। ১৯০৭ চনত তেওঁ বার্লিনলৈ যায়। বার্লিন বিশ্ববিদ্যালয়ত তেওঁ অটোহান (Otto Hahn) ক লগ পায়। তাত তেওঁ হানৰ সৈতে লগ লাগি তেজষ্ক্রিয়তাৰ ওপৰত গৱেষণা আৰম্ভ কৰে।

১৯১৩ চনত মেইটনাৰ আৰু হান উভয়ে বার্লিন বিশ্ববিদ্যালয় এৰে আৰু উভয়ে নতুনকৈ স্থাপিত কেইচাৰ উইলহেলম ইন্সটিটিউটত যোগদান কৰে। তাত তেওঁলোক দুয়োৰে সহযোগিতা বৃদ্ধি পায়। তাত উভয়ে বিটা ৰশ্মিৰ ওপৰত গৱেষণা আৰম্ভ কৰে।

কিছু অভিজ্ঞতা অর্জনৰ পিছত মেইটনাৰে হানৰ সহযোগত এক্‌টিনিয়াম নামৰ এবিধ মৌলৰ, পিতৃ মৌলটো আৱিষ্কাৰত লাগি যায়।

সেই সময়তে প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হয়। মেইটনাৰে তেতিয়া স্বেচ্ছাসেৱী হিচাপে অষ্ট্ৰিয়ান চিকিৎসালয় এখনত ৰেডিঅ'লজিষ্ট হিচাপে কাম কৰিব যায়। তেওঁৰ নিজৰ চিকিৎসা কর্ম আৰু যুদ্ধই তেওঁক তেজষ্ক্রিয়তাৰ বিষয়ে চিন্তা কৰাৰ পৰা বিৰত কৰিব নোৱাৰিলে। তেওঁ হানক নিয়মিতভাৱে লগ ধৰি বিশদভাৱে তেওঁলোকৰ পৰীক্ষাগাৰৰ ফলসমূহৰ বিষয়ে আলোচনা কৰি যায়। অৱশেষত ১৯১৭ চনত তেওঁলোকে এক্‌টিনিয়ামৰ পিতৃস্বৰূপ প্ৰটেক্‌টিনিয়াম নামৰ মৌলবিধ আৱিষ্কাৰ কৰে। তাৰ পাছতেই মেইট্‌নাৰে কেইচাৰ উইলহেলম প্ৰতিষ্ঠানৰ পদার্থ বিজ্ঞানৰ বিভাগৰ মুৰব্বী হিচাপে যোগদান কৰে। তেওঁ তাত ১৯২৬ চনলৈকে কাম কৰে। ১৯২৭ চনত তেওঁ বার্লিন বিশ্ববিদ্যালয়ৰ পদার্থ বিজ্ঞানৰ অধ্যাপক হিচাপে যোগদান কৰে। এনে এক সন্মানজনক পদ পোৱাৰ মূলতে আছিল তেওঁৰ নিৰবিচ্ছিন্ন অধ্যয়ন আৰু গৱেষণা।

এনে এটা মুহূর্ততে ১৯৩২ চনত চ'ডউইক নামৰ বিজ্ঞানী এজনে নিউট্রন আৱিষ্কাৰ কৰে।

১৯৩৪ চনত ফার্মি নামৰ গৱেষক এজনৰ গৱেষণাৰ আঁত ধৰি হান আৰু মেইটনাৰৰ সহযোগিতা আৰু বৃদ্ধি পায়। তেওঁলোকৰ লগত নতুনকৈ যোগদান কৰে ফ্ৰিজ ষ্ট্ৰেচমেনে।

জার্মানীৰ ৰাজনৈতিক পৰিস্থিতি সেই সময়ত মেইটনাৰৰ অনুকূল নাছিল। ১৯৩২ চনত জার্মান চৰকাৰে মেইটনাৰৰ ইহুদী মূলৰ বিষয়ে জানিব পাৰে। ১৯৩৬ চনত তেওঁৰ সহযোগী বিজ্ঞানীকেইজনমানৰ সহযোগত তেওঁ জার্মানী এৰে। ১৯৩৮ চনৰ মার্চ মাহত নাজী জার্মানীয়ে অষ্ট্ৰিয়া অধিকাৰ

কৰে। লাইচ মেইটনাৰে, বিজ্ঞানী নীলছ বৰৰ সহযোগত চুইডেনলৈ পলাই যায়। চুইডেনলৈ গৈও মেইটনাৰে তেওঁৰ সহযোগীসকলৰ সৈতে চিঠিৰে যোগাযোগ ৰাখে। এই যোগাযোগৰ জৰিয়তেই তেওঁ জানিব পাৰে হান আৰু ষ্ট্ৰেচমেনে একেলগে নিউট্ৰনৰ সহায়ত ইউৰেণিয়াম ধাতুত বিক্ৰিয়া কৰা ঘটনাটো। এই বিক্ৰিয়াত যথেষ্ট পাতল মৌল দুটা সৃষ্টি হোৱা ঘটনাটো আৱিষ্কাৰ কৰে। কিন্তু কিয় এইটো হ'ল তেওঁলোকে ব্যাখ্যা কৰিব পৰা নাছিল।

হান আৰু মেইটনাৰে কোপেনহেগেনত একেলগে মিলিত হৈ ইয়াৰ ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা কৰে। মেইটনাৰে উপলব্ধি কৰে যে মৌল দুটাৰ এটা যদি বেৰিয়াম বুলি ধৰা হয় আনটো হ'ল ক্ৰিপ্টন। আৰু ইয়াৰ সৈতে নিৰ্গত হয় কেইবাটাও নিউট্ৰন।

এই ব্যাখ্য আগবঢ়োৱাৰ পিছতেই এই গোটেই ঘটনাটোক তেওঁলোকে নিউক্লিয় বিভাজন (Fission) নামেৰে নামকৰণ কৰে।

পৃথিবীৰ বিভিন্ন গৱেষণাগাৰে এই পৰীক্ষাটো কৰি হান আৰু মেইটনাৰৰ ব্যাখ্যাৰ সত্যতা নিৰূপণ কৰে। কিন্তু আশ্চৰ্যকৰভাৱে এই আৱিষ্কাৰৰ বাবে চুইডেনৰ ৰয়েল একাডেমীয়ে অটো হানকহে ন'বেল পুৰস্কাৰেৰে সন্মানিত কৰে। মেইটনাৰক নোবেল কমিটীয়ে কিয় বাদ দিলে সেইটো বিবুদ্ধিকৰ নহয়নে? হানেনো কিয় অকলে পুৰস্কাৰটো ল'বলৈ সন্মতি দিলে, সেয়াও বিস্ময়কৰ ।

যুদ্ধ শেষ হোৱাৰ পিছত মেইটনাৰ ওৱাচিংটনৰ কেথলিক বিশ্ববিদ্যালয়ৰ পৰিদৰ্শনকাৰী অধ্যাপক হিচাপে নিযুক্ত হয়। ১৯৪৭ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। ১৯৫৮ চনত তেওঁ ইংলেণ্ডৰ কেম্ব্ৰিজলৈ যায় আৰু ১৯৬০ চনত সম্পূৰ্ণ অৱসৰ গ্ৰহণ কৰে। ১৯৬৮ চনত তেওঁ ইহলীলা সম্ববণ কৰে।

ন'বেল পুৰস্কাৰেৰে সন্মানিত নহ'লেও মেইটনাৰে জীৱনত আন আন সন্মানেৰে সন্মানিত হৈছিল। ১৯৬৬ চনত তেওঁক আমেৰিকাৰ ফাৰ্মি পুৰস্কাৰেৰে সন্মানিত কৰা হয়। ১৯৯২ চনত ১০৯ নম্বৰ মৌলটো মেইটনাৰক সন্মান জনাই মেইটনেৰিয়াম (Mt) নামেৰে নামকৰণ কৰা হয়।

ৰক্ষণশীল অষ্ট্ৰিয়ান সমাজখনত মেইটনাৰ এক বিৰল ব্যতিক্ৰম আছিল। শিশুকালত তেওঁৰ আদৰ্শ আছিল ফ্লোৰেন্স নাইটিংগল আৰু মেডাম কুৰি। সেয়েহে বিশ্ববৰেণ্য বিজ্ঞানী আইনষ্টাইনে তেওঁক 'জার্মান মেডাম কুৰি' নামেৰে অভিহিত কৰিছিল।

ৰবার্ট বয়েল

১৫ শ শতিকাৰ পৰা ১৭/১৮ শতিকালৈ জ্ঞান-বিজ্ঞানৰ দিশত ইউৰোপে ন ন তথ্য আৰু আৱিষ্কাৰেৰে পৃথিৱী খলক লগাইছিল। অৱশ্যে এই শতিকাকেইটাৰ পিছতো তেওঁলোকে বিজ্ঞানৰ দিগন্তত কম ৰঙণি যোগোৱা নাছিল। ইতিমধ্যে ন ৰূপেৰে বিকশিত আমেৰিকায়ো ইউৰোপৰ লগত সমানে খোজ দিবলৈ ধৰে। এই সময়ছোৱাত পৃথিৱীজুৰি নাম ফাটি-ফুটি যোৱা বিজ্ঞানীকেইগৰাকীৰ অন্যতম আছিল গেলিলিঅ' গেলিলি আৰু ছাৰ আইজাক নিউটন। তেওঁলোকৰ প্ৰতিভাৰ আঁৰে আঁৰে আৰু বহুসংখ্যক বিজ্ঞানীয়ে তিৰবিৰাই পোহৰ বিলাইছিল। তাৰে এজন আছিল ৰবার্ট বয়েল। তেওঁ আছিল ৰসায়ন বিজ্ঞানৰ বাটকটীয়াসকলৰ অন্যতম।

বয়েলৰ আগলৈকে ৰসায়ন বিজ্ঞানত বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলিছিল যদিও বেছিভাগ লোকেই ৰসায়ন 'মেজিক' হিচাপে ব্যৱহাৰ কৰি আহিছিল আৰু দুই-এজনে ৰাসায়নিক পদার্থক ঔষধ হিচাপে প্ৰয়োগ কৰি ৰোগো ভাল কৰিছিল। বয়েলে কিন্তু ৰসায়ন শাস্ত্ৰক বিজ্ঞান হিচাপে ল'বলৈ লগৰ ৰসায়নবিদসকলক অনুৰোধ কৰিলে। তেওঁ বিশ্লেষণাত্মক দৃষ্টিৰে পৰীক্ষা-নিৰীক্ষা কৰি সিদ্ধান্তসমূহ আগবঢ়াবলৈ ধৰিলে আৰু তত্ত্বসমূহ ঠিক কৰিলে। এইবোৰ কাৰণতে তেওঁক ৰসায়ন বিজ্ঞানৰ বাটকটীয়া আখ্যা দিয়া হয়।

ৰবার্ট বয়েলৰ জন্ম হয় ১৬২৭ চনৰ ২৫ জানুৱাৰীত ইউৰোপৰ আয়াৰলেণ্ডত। তেওঁ সোণ-ৰূপৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰিছিল আৰু প্ৰথমে ফ্লোৰেন্সৰ সৌৰবিদ্যা স্কুলত আৰু পিছত অক্সফোর্ড বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। সেই সময়ত ইউৰোপত দার্শনিক এৰিষ্টটলৰ মতবাদ

শীৰ্ষস্থানত আছিল। এৰিষ্টটলৰ মতে, পদাৰ্থৰ মূল বস্তু তাৰ আকৃতিটোহে। কিন্তু বয়েলে সেই মতবাদ সমৰ্থন নকৰি সমৰ্থন কৰিলে ডেমক্রিটৰ মতবাদটোহে। ডেমক্রিট নামৰ বিজ্ঞানীজনে ঘোষণা কৰিছিল যে যিকোনো পদাৰ্থ সৰু সৰু কণা কিছুমানৰ সমষ্টিহে আৰু এই কণাসমূহেহে পদাৰ্থৰ ধৰ্ম নিৰ্ণয় কৰে। বয়েলে পৰীক্ষা কৰি প্ৰমাণ কৰিলে যে ডেমক্রিটৰ মতবাদটোহে শুদ্ধ। তেওঁ আকৌ ক'লে যে পদাৰ্থ এবিধ গোটা, জুলীয়া বা স্পিৰিটযুক্ত বুলি ক'লেই শুদ্ধ কথা কোৱা নহয়— পদাৰ্থবিধ কেনে ধৰণৰ কণাৰে তৈয়াৰী আৰু সেই কণাবিলাকৰ ধৰ্ম কি — সেইটোহে মূল কথা। বয়েলে টৰিচেলী নামৰ আন এজন বিজ্ঞানীৰ সহযোগত আৰু এটা কথা প্ৰমাণ কৰি দেখুৱালে যে পাত্ৰত শূন্য ঠাঁয়ো থাকে।

সেই সময়ৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰবাৰ্ট হুকে বয়েলক বৰ ভাল পাইছিল। হুকৰ লগতেই বহু গৱেষণা কৰি বয়েলে আগবঢ়াইছিল ন ন তথ্য। গেছৰ ওপৰত চাপৰ প্ৰভাৱ সম্পকীয় তথ্য সেই সময়ৰে অৱদান। গেছৰ ওপৰত চাপৰ প্ৰভাৱৰ সমস্যা সম্পৰ্কে নানা পৰীক্ষা-নিৰীক্ষা কৰি তেওঁ এটা সূত্ৰ আগবঢ়াইছিল। সূত্ৰটোৰ দ্বাৰা কোনবিধ গেছৰ (এক নিৰ্দিষ্ট উত্তাপত ৰাখি) কি পৰিমাণৰ চাপৰ পৰিৱৰ্তন ঘটালে কি পৰিমাণৰ আয়তনৰ পৰিৱৰ্তন হয়, তাক জানিব পৰা হ'ল। তেওঁ আগবঢ়োৱা সূত্ৰটো বয়েলৰ সূত্ৰ' আৰু তেওঁ তৈয়াৰ কৰা যন্ত্ৰটো 'বয়েল যন্ত্ৰ' নামেৰে আজিও জনাজাত। বয়েলে এই তত্ত্বও আগবঢ়াইছিল যে শব্দ বায়ুৰ মাজেদি আহিহে আমাৰ কাণত সোমায়। যিকোনো উদ্ভিদ বা প্ৰাণীক যে এলক'হলত ডুবাই থৈ সংৰক্ষণ কৰিব পাৰি, সেই তথ্যও তেৱেঁই দাঙি ধৰে। তেৱেঁই প্ৰথমগৰাকী ৰসায়নবিদ আছিল যিজনে এচিড আৰু এলকালিৰ সূচক হিচাপে ৰং ব্যৱহাৰ কৰিছিল। লো আৰু তাম এই দুবিধ ধাতু কিদৰে পৃথক কৰি চিনাক্ত কৰিব পাৰি তাৰো আৱিষ্কাৰক তেৱেঁই।

ইতিমধ্যে ইংলণ্ডৰ ৰাজনৈতিক দিশত কিছু পৰিৱৰ্তন ঘটিল। দ্বিতীয় চাৰ্লছ ৰজা হ'ল। ৰজা হৈয়েই অন্যান্য পৰিৱৰ্তন সধাৰ লগতে তেওঁ এৰিষ্টটল বিৰোধী বয়েলক কাম বন্ধ কৰিবলৈ ক'লে। বয়েলে উপায় নাপাই আয়াৰলেণ্ডৰ গাঁৱৰ ঘৰলৈ ঘূৰি যাব লগা হ'ল। পিছে গাঁৱলৈ গৈ বহি নাথাকি তেওঁ 'New Research' নামেৰে এখন কিতাপ ৰচনা কৰিলে। এবছৰমান

পিছত তেওঁ কিতাপখনৰ দ্বিতীয় সংস্কৰণ এটা প্ৰকাশ কৰি ইতিমধ্যে প্ৰথম সংস্কৰণ সম্পৰ্কে এৰিষ্টটল পন্থীসকলে দাঙি ধৰা প্ৰশ্নসমূহৰ উত্তৰ সংলগ্ন কৰি দিলে। বয়েলৰ নাম কেউদিশে ফাটি-ফুটি গ'ল। উৎসাহিত হৈ বয়েলে আৰু কেইবাখনো ৰসায়নৰ পুথি প্ৰকাশ কৰি উলিয়ালে।

ৰজা দ্বিতীয় চাৰ্লছ বয়েলৰ প্ৰতিভা দেখি মুগ্ধ হ'ল। তেওঁ বয়েলক ৰয়েল ছ'চাইটীৰ সদস্য মনোনীত কৰিলে। ৰজাই তেওঁক পিছত ইষ্ট ইণ্ডিয়া কোম্পানীৰো সঞ্চালক পাতি দিলে। একাধাৰে দাৰ্শনিক, বিজ্ঞানী, আৱিষ্কাৰক আৰু লেখক ৰবাৰ্ট বয়েলে ১৬৯৭ চনৰ ৩০ ডিচেম্বৰত ইহজীৱন সম্বৰণ কৰে।

নিকোলাছ ক'পাৰনিকাছ

ইউৰোপত যেতিয়া নৱ জাগৰণৰ ঢল আহিছিল, সেই সময়তে ১৪৭৩ খৃঃত জন্মগ্রহণ কৰা নিকোলাছ ক'পাৰনিকাছ আছিল নৱ-জাগৰণ যুগৰ এজন বিৰাট বিজ্ঞানী, সেই যুগৰ সৰ্ব্বশ্রেষ্ঠ ইউৰোপীয় কেইজনৰ অন্যতম। তদুপৰি তেওঁ আছিল একেধাৰে ধর্মতত্ত্বজ্ঞ, জ্যোতি-বিজ্ঞানী, চিকিৎসক, আইনজ্ঞ আৰু চিত্রকৰ।

বিশেষকৈ বিজ্ঞানী হিচাপে ক'পাৰনিকাছে দাঙি ধৰা তথ্যৰ ক্রমবিকাশৰ ফলতে সৌৰজগত আৰু বিশ্বখনৰ বিষয়ে আমি আজি নির্ভুল সূত্র কিছুমান পাইছো আৰু সেইবোৰ বাস্তৱত প্রয়োগ কৰি উপকৃত হৈছো।

ক'পাৰনিকাছৰ জন্ম হৈছিল, পোলেণ্ডৰ থর্ণ নামৰ এখন সৰু চহৰত। সৰুতেই ক'পাৰনিকাছৰ পিতৃ ঢুকোৱাত তেওঁৰ শিক্ষা-দীক্ষাৰ দায়িত্বভাৰ লয় তেওঁৰ খুৰাকে। গীর্জ্জাৰ বিছপ-খুৰায়েকে ক'পাৰ নিকাছক উচ্চ শিক্ষাৰ বাবে ক্রাকাও বিশ্ববিদ্যালয়ৰ চিকিৎসা বিজ্ঞানৰ শ্রেণীত নাম লগাই দিয়ে। অধ্যয়ন পিপাসু ক'পাৰনিকাছে অতি মনোযোগেৰে চিকিৎসা বিজ্ঞান পঢ়িবলৈ লয় আৰু সুখ্যাতিৰে চিকিৎসা বিজ্ঞানৰ ডিগ্রী লাভ কৰে। ক'পাৰনিকাছ যি সময়ত ক্রাকাও বিশ্ববিদ্যালয়ৰ ছাত্র হৈ আছিল সেই সময়ত গ্রীক জ্ঞানভাণ্ডাৰৰ পুনৰাৱিষ্কাৰে ইউৰোপত এটা বিপুল উত্তেজনাৰ সৃষ্টি কৰিছিল। প্রাচীন গ্রীচৰ জ্ঞানভাণ্ডাৰৰ লগত পৰিচিত হৈ ইউৰোপৰ বহু মনীষিয়ে জীৱন আৰু জগত সম্পর্কে বহুতো কথা নতুনকৈ চিন্তা কৰিবলৈ আৰম্ভ কৰিছিল আৰু তাকে কৰি মানুহৰ জ্ঞান চর্চ্চাৰ ক্ষেত্রত বিপ্লৱ ঘটাইছিল। তেনেকুৱা এজন আছিল ক'পাৰ-নিকাছ। ক'পাৰনিকাছৰ প্রতিভা আছিল বহুমুখী। সেয়ে চিকিৎসা বিজ্ঞানতে সন্তুষ্ট নহৈ তেওঁ খুৰাকৰ পৰা অনুমতি লৈ ইটালীৰ বলোনা

বিশ্ববিদ্যালয়ত ছাত্র হিচাপে ভর্ত্তি হ'লগৈ। বলোনা বিশ্ববিদ্যালয়ত ক'পাৰনিকাছে গণিত আৰু জ্যোতির্বিজ্ঞানৰ উচ্চ শিক্ষা লোৱাৰ উপৰি গ্রীক ভাষাৰ জ্ঞানো ভালকৈ আয়ত্ত কৰিলে। তেওঁৰ জ্যোর্তিবিজ্ঞান শিক্ষাৰ প্রতি প্রৱল ধাউতি গঢ়ি তোলাত ইন্ধন জগাইছিল শিক্ষক ব্রদ জিউস্কিয়ে, এই বিদ্যাৰ জৰিয়তে তেওঁ ৰোম বিশ্ববিদ্যালয়ত জ্যোর্তি-বিজ্ঞানৰ শিক্ষক হিচাপে নিযুক্তি পায়।

জ্যোতির্বিজ্ঞানত সেই সময়ত আটায়ে বিশ্বাস কৰিছিল যে জগতখন পৃথিবী কেন্দ্রিক। এই মতবাদ আছিল ট'লেমিৰ । অর্থাৎ সূর্য্য আৰু অন্যান্য গ্রহই পৃথিবীৰ কেউকাষে ঘূৰি আছে। ক'পাৰনিকাছে দেখিলে যে এই মতবাদৰ জৰিয়তে ছাত্রসকলৰ সকলো প্রশ্নৰ উত্তৰ দিয়া টান। শুক্র আৰু মংগলৰ গতিপথ অধ্যয়ন কৰি তেওঁ দেখিলে ট'লেমিক অনুসৰণ কৰাটো ভ্রান্তিমূলক। তেওঁ এৰিষ্ট'ৰকাছ, পাইথাগোৰাছকে আদি কৰি গ্রীক পণ্ডিতৰ গ্রন্থ পঢ়ি বুজিলে যে সূর্য্যক যদি কেন্দ্রবিন্দু বুলি ধৰি অন্যান্য গ্রহই তাৰ কেউকাষে ঘূৰা বুলি ধৰা হয়, সৌৰজগতৰ ব্যাখ্যা সহজ হয়। কিন্তু সেইসময়ত ৰোমৰ গীর্জ্জাঘৰৰ পোপৰ ভয়ত মানুহে সঁচা কথাটো ক'বলৈ সাহস নকৰিছিল। ধর্ম মতে, পৃথিবীকে সকলোৰে বিশ্বব্রহ্মাণ্ডৰ কেন্দ্র বুলি মানি চলিছিল। ক'পাৰনিকাছো সেয়ে মনে মনে থাকিল কিন্তু টলেমিৰ ভুল মতবাদ 'ছাত্রক নিশিকাও' বুলি শিক্ষকতাৰ চাকৰি বাদ দিলে।

এইবাৰ তেওঁ পোলেণ্ডৰ ফ্রেৰ্ড বেনবার্গ নামে এঠাইত পুৰোহিত হ'ল। লগে লগে সেই ঠাইৰ মানুহবিলাকৰ চিকিৎসাৰ প্রতিও চকু দিলে। কিন্তু মনৰ মাজত সকলো সময়তে তেওঁৰ প্রধান চিন্তাৰ বিষয় আছিল এটাই ঃ বিশ্বজগতৰ ৰহস্য উদ্ঘাটন কৰা। তেওঁ জ্যোর্তিবিদ্যা অধ্যয়ন অব্যাহত ৰাখিলে। সেই সময়ত আজিকালিৰ দৰে মিনিট, চেকেণ্ড আদি চোৰা ঘড়ী নাছিল। ঠিক সেইদৰেই নাছিল এখন ভাল কেলেণ্ডাৰ। ক'পাৰনিকাছে সঠিক সময় নিৰূপণ কৰি এখন শুদ্ধ কেলেণ্ডাৰ তৈয়াৰ কৰি উলিয়ালে। ক'পাৰনিকাছৰ বিদগ্ধতাত সকলোৰেই মুগ্ধ হ'ল। ক'পাৰনিকাছে কাহিনীৰ ছলেৰে মানুহক তেওঁ শিকা জ্যোতির্বিদ্যাৰো আভাষ দিবলৈ ধৰিলে। তেওঁ প্রায় ত্রিশ বছৰ ধৰি ৰাতিৰ আকাশ অধ্যয়ন কৰিলে। একাগ্রতা আৰু নেৰানেপেৰা চেষ্টাৰ ফলত ক'পাৰনিকাছে সৌৰ জগতৰ এক নতুন চিত্র দেখিলে। তেওঁ ১৫০৯ চনত এবাৰ আৰু আনবাৰ ১৫১১ চনত চন্দ্রগ্রহণ দেখিবলৈ পাইছিল। মংগল গ্রহৰো

বিভিন্ন অৱস্থান দেখিলে। বৃহস্পতি আৰু শনিগ্ৰহৰ অৱস্থান প্ৰত্যক্ষ কৰিলে ১৫২০ চনত। এনেবোৰ নিৰীক্ষণৰ পাছত ১৫৪১ চনত ক'পাৰনিকাছে ঘোষণা কৰিলে যে পৃথিবীখন সৌৰজগতৰ কেন্দ্ৰস্থল নহয়। তেওঁ আৰু ক'লে যে পৃথিবীয়ে নিজ মেৰুদণ্ডৰ ওপৰত অহৰ্নিশে ঘূৰি থাকে আৰু পৃথিবীয়ে প্ৰচণ্ড বেগেৰে সূৰ্য্যৰ চাৰিওপিনে গতি কৰে। এইদৰে ট'লেমিৰ দিনৰ পৰা ডেৰহাজাৰ বছৰ ধৰি মানুহে মানি অহা এটা তত্ত্বক সিংহাসনচ্যুত কৰি জ্যোতিৰ্বিজ্ঞানৰ প্ৰকৃত সত্যক তেওঁ পুনঃ প্ৰতিষ্ঠা কৰিলে। এই ক্ষেত্ৰত তেওঁ আছিল বিজ্ঞানৰ নৱজাগৰণৰ এজন প্ৰধান প্ৰতিনিধি।

কিন্তু ক'পাৰনিকাছৰ এইবোৰ সাহসী কথাই সেই সময়ৰ ধৰ্মভীৰু মানুহৰ মনত ভীষণভাৱে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। পাছে ক'পাৰনিকাছে সেইবোৰলৈ কেৰেপ নকৰিলে। তেওঁ আৰু ক'লে যে পৃথিবীৰ দৰে আন গ্ৰহসমূহেও সূৰ্য্যৰ চাৰিওপিনে ঘূৰে। ক'পাৰনিকাছে লক্ষ্য কৰিছিল যে পৃথিবীখন সূৰ্য্যৰ চাৰিওফালে ঘূৰি থাকিলেও তৰাবিলাক স্থিৰ অৱস্থাত থকা যেন লাগে। ইয়াৰ কাৰণ হিচাপে তেওঁ ব্যাখ্যা আগবঢ়ালে যে পৃথিবী আৰু সূৰ্য্যৰ মাজৰ যি দূৰত্ব, তাৰ তুলনাত পৃথিবী আৰু তৰাবিলাকৰ মাজৰ দূৰত্ব হাজাৰ লক্ষ গুণ বেছি। তাৰ ফলত আকাশখনৰ পৰিধি যে বিশাল সেই কথা স্পষ্ট হৈ পৰিল।

ক'পাৰনিকাছ সাহসী যদিও বুধিয়ক আছিল। তেওঁ বুজি পাইছিল যে তেওঁৰ আৱিষ্কাৰসমূহ কেউফালে কৈ ফুৰিলে ধৰ্মভীৰু ৰজা-প্ৰজাই তেওঁক নচঁচা শূলত দিব। সেইবাবে তেওঁ আৰু অধিক তথ্য-পাতি সংগ্ৰহ কৰি ৬৯ বছৰ বয়সত তেওঁৰ এজন অন্তৰংগ বন্ধুক এইবিলাক গ্ৰন্থৰ আকাৰত প্ৰকাশৰ দায়িত্ব দিলে। পিছে ক'পাৰনিকাছৰ কি দুৰ্ভাগ্য— এইবিলাক যেতিয়া প্ৰকাশ কৰা হ'ল, তেতিয়া তেওঁ মৃত্যু শয্যাত। আৱিষ্কাৰসমূহ প্ৰকাশ পোৱাৰ কেইমাহমানৰ পিছতেই অৰ্থাৎ ১৫৪৩ চনৰ ২১ মে'ত তেওঁৰ মৃত্যু হ'ল।

আধুনিক জ্যোতিৰ্বিজ্ঞানৰ ভেটি প্ৰতিষ্ঠা কৰি গ'ল ক'পাৰনিকাছে যাৰ ওপৰত গঢ়ি উঠিছে বিশ্বসৃষ্টি সম্পৰ্কে যোৱা চাৰিশ বছৰ ধৰি পুঞ্জীভূত হোৱা জ্ঞানভাণ্ডাৰ। এই জ্ঞানভাণ্ডাৰলৈ বিপুল অৰিহণা যোগাইছে যোৱা কেইশতকত গেলিলিও, নিউটন আৰু আইনষ্টাইন প্ৰমুখ্যে মহাবিজ্ঞানীসকলে। ক'পাৰনিকাছৰ জ্যোতিৰ্বিজ্ঞানৰ তত্ত্বই খৃষ্টান জগতৰ ধৰ্মগুৰু পোপৰ অনুমোদন পালে ১৮২২ চনত।

Gauhati University Guwahati Mahavidyalaya Guwahati-17 Date Dharam Gogoi

আৱিষ্কাৰক লিউয়েন হুক

একালত মানুহে ভাবিছিল ভগৱানে সৃষ্টি কৰা চকু দুটাৰে যি দেখা যায়, সেইখনেই জগত। কিন্তু জ্ঞান-বিজ্ঞানৰ চৰ্চা আৰু বিকাশৰ লগে লগে মানুহৰ এই চিন্তাত আউল লাগিবলৈ ধৰিলে। দূ�ৰবীণৰ আৱিষ্কাৰে মানুহক খালী চকুৰে নেদেখা গ্ৰহ, তৰা ইত্যাদিৰ নতুন বতৰা দিলে। তাৰ পিছত এবিধ বিশেষ আইনাৰ সহায়ত (যাক পিছত লেন্স বুলি কোৱা হ'ল) মাটি আৰু পানীৰ নেদেখা বস্তুও চাব পৰা হ'ল। এনেদৰেই লেন্সৰ সহায়ত নেদেখা বস্তু দেখিবলৈ পোৱাটো সম্ভৱ কৰিব পৰা বিজ্ঞানীগৰাকীৰ নাম লিউয়েন হুক।

লিউয়েন হুকে ১৬৩২ চনত হলেণ্ডৰ ডেলফট্ নামৰ চহৰত জন্মলাভ কৰে। সৰুকালৰ পৰাই হুকে পঢ়া-শুনাতকৈ যন্ত্ৰ-পাতি সাজিহে ভাল পাইছিল। বিভিন্ন যন্ত্ৰ আনি সেইবোৰ খুলি-মেলি চাই নিজে তেনে যন্ত্ৰ সাজিব পাৰে নেকি, তাৰ চিন্তাতেই তেওঁ অনবৰত ব্যস্ত আছিল। মাক-দেউতাকে এই কামত বাধা দিলেও তেওঁ খঙত জ্বলি-পকি উঠিছিল। সেই বাবে ল'ৰাকালত তেওঁৰ আনুষ্ঠানিক পঢ়া-শুনা নহ'ল বুলিবই পাৰি।

ডাঙৰ হোৱাৰ লগে লগে হুকে চিন্তা কৰিলে তেওঁ সংগ্ৰহ কৰা লেন্সবোৰেৰে এখন চশমাৰ দোকান খোলাৰ বিষয়ে। হুকে সংগ্ৰহ কৰা লেন্সবোৰৰ অধিক সংখ্যকেই আছিল উত্তল লেন্স। এদিন তেওঁ ভবা মতেই এখন চশমাৰ দোকান খুলিলে। গোটেই দিনটো আইনা ঘঁহি ঘঁহি লেন্স তৈয়াৰ কৰাত ব্যস্ত হৈ পৰিল হুক। গতিকে দোকানলৈ কোন গ্ৰাহক আহিছে, কোন গৈছে তাৰ প্ৰতি তেওঁ অমনোযোগী আছিল। গ্ৰাহকসকলেও হুকৰ

অন্যমনস্কতা দেখি লাহে লাহে তেওঁৰ দোকানলৈ নোযোৱা হ'ল। ফলত এদিন হুকৰ দোকান বন্ধ হৈ পৰিল।

কিন্তু হুকে এইবোৰলৈ কেৰেপ নকৰি লেন্সৰ পৰীক্ষা-নিৰীক্ষা চলায়েই থাকিল। এদিন তেওঁৰ চিন্তা হ'ল লেন্সখন দুডাল কাঠিৰ ফ্ৰেমৰ মাজত ৰখাতকৈ এটা চুঙা সাজি তাৰ ভিতৰেৰে চালে কেনে হয়? এইবাৰ তেওঁ চিন্তা কৰা মতেই এটা চুঙা সাজি তাৰ মাজত লেন্সখন সুমুৱাই ল'লে। এনে কৰাত সৰু বস্তু চোৱাত তেওঁৰ বহু কষ্ট লাঘৱ হ'ল। তেওঁ পিছত এখনৰ ঠাইত দুখন লেন্স চুঙাটোত সুমুৱাই দিলে। কিছুদিন পিছত তেওঁ যন্ত্ৰটোৰ আৰু বহু পৰিৱৰ্তন সাধিলে। এনেদৰেই এদিন তেওঁ সাজি উলিয়ালে বিশ্বৰ এটি অন্যতম সৰ্বশ্ৰেষ্ঠ যন্ত্ৰ। নাম থ'লে অনবীক্ষণ যন্ত্ৰ। এই যন্ত্ৰটোৰ সহায়ত মানুহে খালী চকুৰে নেদেখা ক্ষুদ্ৰ ক্ষুদ্ৰ কীট-পতঙ্গ, চুলি, ঘাঁহ-পাত আদি ক্ষুদ্ৰ ক্ষুদ্ৰ বস্তু চাব পৰা হ'ল।

হুক কিন্তু যন্ত্ৰটো সাজি উলিওৱাতে ক্ষান্ত নাথাকিল। এদিন ফুলনিৰ ফুলৰ ভঙা টাব এটাত জমা হৈ থকা পানীৰ ওপৰত যন্ত্ৰটো দি চালে। হুকে বিস্ময়াভূত হৈ দেখিলে যে সেই জমা হৈ থকা পানীত অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰাণীয়ে কিল্‌বিলাই আছে। তাৰ পিছত তেওঁ খাল, বিল, ডোঙা ইত্যাদি বিভিন্ন ঠাইৰ পানীৰ নমুনা সংগ্ৰহ কৰি সেইবিলাক পৰীক্ষা কৰিবলৈ ধৰিলে। এই পৰীক্ষাৰ দ্বাৰা তেওঁ প্ৰমাণ কৰিলে যে পানীত বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱাণু থাকে। অপৰিষ্কাৰ পানীত এই জীৱাণুৰ সংখ্যা বেছি। তেওঁ আকৌ ক'লে যে এই জীৱাণুবোৰে পানীতেই বংশ বৃদ্ধি কৰিব পাৰে। জীৱ-বিজ্ঞানৰ এই আৱিষ্কাৰৰ ফলত এক নতুন দিগন্ত মুকলি হ'ল। সকলোৱে হুকক বাঃ বাঃ দিলে।

তাৰ পিছত তেওঁৰ ভাব হ'ল মানুহৰ তেজতনো কি থাকে, সেয়া জানিবলৈ। ভবা মতে তেওঁ নিজৰ আঙুলিৰ পৰা তেজ উলিয়াই অনুবীক্ষণ যন্ত্ৰৰ সহায়ত চালে। তেওঁ তেজত দেখিলে অসংখ্য সৰু সৰু ৰঙা ৰঙা কণিকাৰ সমষ্টি। তেওঁ ঘোষণা কৰিলে— তেজৰ ৰঙা ৰঙৰ কাৰণ এই সৰু সৰু ৰঙা কণিকাবোৰ।

হুকৰ এই অনুবীক্ষণ যন্ত্ৰটো বিজ্ঞানীসকলৰ ইমানেই কামত আহিল যে তেওঁলোকে ইয়াৰ সহায়ত বিভিন্ন ৰোগৰ জীৱাণুসমূহ আৱিষ্কাৰ কৰিবলৈ

সমৰ্থ হ'ল। অনুবীক্ষণ যন্ত্ৰৰ আৱিষ্কাৰে চিকিৎসকসকলক নাক, কাণ, দাঁত, যকৃত ইত্যাদিত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱাণুবোৰ বিচাৰি উলিয়াবলৈ সমৰ্থ কৰি তুলিলে।

হুকে পিছত কেইবাগৰাকীমান বিজ্ঞানৰ পৰামৰ্শ মতে তেওঁৰ পৰীক্ষাৰ ফলাফলসমূহ ৰয়েল ছ'চাইটীলৈ পঠিয়াই দিলে। ছ'চাইটিৰ বহু সদস্যই প্ৰথমে এইবোৰ কথা মানিবলৈ প্ৰথমে এইবোৰ কথা মানিবলৈ টান পালে যদিও কেইজনমান সদস্যৰ চেষ্টাত অনুবীক্ষণ যন্ত্ৰটো ছ'চাইটীৰ সদস্যসকলৰ আগত প্ৰদৰ্শন কৰিলে। যন্ত্ৰটোৰ কাম-কাজ দেখি সকলো মুগ্ধ হ'ল আৰু হুকৰ বিচক্ষণতাক প্ৰশংসা কৰিবলৈ ধৰিলে। তেওঁক ৰয়েল ছ'চাইটীৰ সদস্য পদ যঁচা হ'ল। হুক বিশ্ব নাগৰিক হৈ পৰিল।

এইজনা বিখ্যাত বিজ্ঞানীৰ ইহজীৱনৰ সামৰণি পৰে ১৭২৩ চনত ৯১ বছৰ বয়সত।

37128

শিল্পী-বিজ্ঞানী লিওনার্ডো-দা-ভিন্সি

চিত্রকৰ আৰু কলাৰ সাধক এগৰাকীও সার্থক বিজ্ঞানী হব পাৰেনে? চিত্রকলা এবিধ এনে বস্তু যাৰ বাবে প্রয়োজন হয় প্রচুৰ কল্পনা শক্তিৰ, কেনভাছ আৰু তুলিকাৰ সমন্বয়ৰ। আনহাতে বিজ্ঞান হ'ল যন্ত্র-পাতি, ধাতু, এচিদ, গেছ লগতে গণিত শাস্ত্র ইত্যাদিৰ সহায়ত কৰা এটা অবিৰত পৰীক্ষা-নিৰীক্ষা। এই দুয়োৰে সমন্বয় সধা সহজ নহয়। তথাপি পৃথিবীত কেতিয়াবা এনেকুৱা প্রতিভাশালী পুৰুষৰো আৱির্ভাৱ হয়, যিয়ে সমান্তৰালভাৱে মন আৰু মগজুক উভয় বিধৰে সাধনাত নিমগ্ন কৰিব পাৰে। এনে বিৰল ব্যক্তিত্বৰ উদাহৰণ হ'ল বিজ্ঞানী-শিল্পী-লিওনার্ডো-দা-ভিন্সি। বহুমুখী প্রতিভাৰ লিওনার্ডো আছিল একেধাৰে এজন চিত্রকৰ, স্থপতিবিদ, যন্ত্রনির্মাতা, বিজ্ঞানী আৰু সংগীতজ্ঞ।

লিওনার্ডোৱে আঁকা **'মনালিছা'** আৰু **'লাষ্ট ছাপাৰ'** নামৰ ছবি দুখনক পৃথিবীৰ সর্ব্বশ্রেষ্ঠ ছবি বুলি সমগ্র জগতে একবাক্যে স্বীকাৰ কৰি লৈছে। সেই একেজন মানুহেই ইমান ডাঙৰ বিজ্ঞানী আছিল যে আজিৰ মানুহে যিবোৰ বৈজ্ঞানিক তত্ত্বৰ কথা চিন্তা কৰিছে বা যিবোৰ বৈজ্ঞানিক আৱিষ্কাৰ কৰিছে সেইবোৰ তত্ত্ব চিন্তা আৰু আৱিষ্কাৰ লিওনার্ডো দা ভিন্সিয়ে কৰিছিল আজিৰ পৰা পাঁচশ বছৰ আগতেই। যিজন মানুহ ইমান ডাঙৰ বিজ্ঞানী আছিল, সেই একেজন মানুহেই আছিল অসাধাৰণ প্রতিভাশালী সংগীতজ্ঞ আৰু সুৰকাৰ। যিজন মানুহ গোটেই জীৱন নিমগ্ন আছিল শিল্প আৰু জ্ঞান-বিজ্ঞানৰ চর্চ্চাত, তেওঁৰ শাৰীৰিক বল-বীর্য্যও এনে অসাধাৰণ আছিল যে কঠিন লোহাৰে সজা ঘোঁৰাৰ খুৰাৰ নালো তেওঁ অনায়াসে কুমলীয়া বাঁহৰ দৰে বেঁকা কৰি দিব পাৰিছিল। পৃথিবীত একেজন মানুহতে ইমান গুণৰ সমাবেশ বিৰল। কোৱা হয়, তেওঁ আছিল ইউৰোপীয় নৱ জাগৰণৰ আদর্শৰ জীৱন্ত প্রতিমূর্ত্তি।

লিওনার্ডো-দা-ভিন্সিৰ জন্ম হয় ইটালীৰ ফ্লৰেন্সৰ ওচৰৰ এখন গাঁৱত

১৪৫২ চনত। সোণ-ৰূপৰ চামুচ মুখত লৈ জন্মা ভিন্সিৰ সৰুৰে পৰা ছবি আঁকাৰ প্রতি প্রচণ্ড নিষ্ঠা আছিল। স্কুলীয়া শিক্ষা শেষ কৰাৰ পিছত ভিন্সিয়ে ইউৰোপৰ এজন প্রখ্যাত চিত্রকৰ আৰু ভাস্কর্য্যবিদ আন্দ্রিয়াদেল্ ভেৰোচ্ছিয়াৰৰ অধীনত ছবি আঁকাৰ শিক্ষা ল'বলৈ ধৰে আৰু এজন পাকৈত চিত্রকৰ হৈ পৰে।

শিক্ষা লোৱাৰ পিছত ঘৰলৈ ঘূৰি আহি তেওঁৰ শোৱঁতে-বহোতে অনবৰত এটা চিন্তাই মূৰত বাহ ল'লে— কেনেকৈ ইখনতকৈ সিখন ভাল ছবি আঁকিব পাৰি। তেওঁ এখনৰ পিছত আনখন ছবি আঁকি গ'ল আৰু তেওঁৰ ছবি আঁকাৰ সুখ্যাতিও সমগ্র ইটালীৰ চাৰিওফালে বিয়পি পৰিল। ক্রমান্বয়ে তেওঁৰ ছবিসমূহ বহু দামত বিক্রী হবলৈ ধৰিলে। তেওঁৰ অমূল্য মন পৰশা ছবিসমূহৰ বাবে তেওঁ আজিও পৃথিবীত অমৰ চিত্রকৰ হিচাপে উজলি আছে। প্রখ্যাত ছবি 'মনালিছাৰ হাঁহি' আৰু 'লাষ্ট চাপাৰ'ৰ কথা কৈছোৱেই। 'লাষ্ট ছাপাৰ' হ'ল প্রভু যীশুৱে তেওঁৰ শিষ্যসকলৰ সৈতে শেষবাৰৰ কাৰণে আহাৰ খোৱাৰ চিত্র। লিওনার্ডোৰ 'মনালিছা' ছবিখনক কেন্দ্র কৰি এক বিশাল সাহিত্য গঢ়ি উঠিছে। ৰসিক আৰু ভাবুক মানুহৰ মনত এই ছবিখনে যোৱা পাঁচশ বছৰ ধৰি ভাবৰ খলকনি তুলিছে। যিগাৰকী মহিলাক মডেল বা আর্হি হিচাপে লৈ মনালিছা ছবিখন আঁকা হৈছে, তেওঁ আছিল ফ্লৰেন্সৰ এজন অমাত্যৰ তৃতীয় পত্নী। নাম-মনালিছা ডি এণ্টনিও মেৰিয়া ডি নল্ডো। ফ্লৰেন্সৰ অভিজাত সমাজৰ লগত বন্ধুত্ব সূত্রে লিওনার্ডোৱে এদিন তেওঁক ক'ৰবাত দেখিবলৈ পায় আৰু লগে লগে ছবি এখন আঁকিবলৈ তেওঁৰ মনত ইচ্ছা জাগে। মনালিছা চিত্রখনৰ মাজেদি ফুটি উঠিছে নাৰীৰ চিৰন্তন ৰহস্যময় ৰূপ। বিশেষকৈ মনালিছাৰ মুখত যিটো ৰহস্যময় হাঁহি দিয়া হৈছে, সেই মায়াময় হাঁহিয়ে মানুহক শতিকাৰ পিছত শতিকা ধৰি মন্ত্রমুগ্ধ কৰি ৰাখিছে। উপৰোক্ত চিত্র দুখনৰ উপৰিও তেওঁৰ আন কেইখনমান প্রখ্যাত চিত্র হ'ল মেডোনা অৱ দি বক্স, ছেণ্ট জন্ দা ব্যাপটিষ্ট আৰু ছেণ্ট জেৰোম ইত্যাদি।

তেওঁ প্রকৃতিৰ বিষয়ে গভীৰভাৱে অধ্যয়ন কৰিছিল কাৰণ প্রকৃতিয়েই হ'ল সকলো জ্ঞানৰ উৎস। পিছৰ কালত ছবি আঁকি থকাৰ মাজতে লিওনার্ডোৰ মনত কিছুমান বৈজ্ঞানিক চিন্তা চর্চ্চায়ো দোলা দিবলৈ ধৰিলে। এদিন চৰাইৰ ছবি আঁকি থাকোতে তেওঁৰ হঠাতে ভাৱ হ'ল-মানুহেনো চৰাইৰ দৰে উৰিব নোৱাৰে কিয়? চৰাইৰ ডেউকা আছে, কিন্তু মানুহৰ নাই। তেওঁ নতুন উদ্ভাৱনাৰে

ছবি এখন আঁকিলে। তাতে তেওঁ মানুহৰ দুয়ো হাতৰ লগত কৃত্রিম ডেউকা লগাই উৰি থকা অৱস্থাত দেখুৱালে। ডেউকা দুখন উঠা-নমা কৰিবৰ কাৰণে কি ধৰণৰ কল-কব্জা লগাব পাৰি, তাৰো পৰিকল্পনা দুই-এজন আগত তেওঁ ব্যক্ত কৰিলে। বহু মানুহ অনুপ্রাণিত হৈ পৰিল। দুই-এজনে আকৌ বাস্তৱিকভাৱে কৃত্রিম ডেউকা লগাই উৰিবলৈ চেষ্টা কৰিলে। কিন্তু এনে অসাধ্য সাধন কৰিবলৈ গৈ তেওঁলোক মৃত্যুকহে আঁকোৱালি ল'লে। কিন্তু চেষ্টাৰ জানো অসাধ্য আছে। ভিন্সিৰ ভাৱনাক সংশোধন আৰু পৰিৱৰ্দ্ধন কৰি এদিন মানুহে উৰা-জাহাজ আৱিষ্কাৰ কৰিবলৈ সমর্থ হ'ল।

চিত্রকলাৰ দৰে বিজ্ঞানতো ভিন্সিৰ বহু মুখী প্রতিভাৰ ছাঁ পৰিল। পর্বত বিদীর্ণকৰি তাৰ মাজেদি পথ নির্মাণ কৰা, মানুহৰ উপকাৰৰ বাবে নদীৰ গতিবেগ সলনি কৰি দিয়া, গগণ-চুম্বী অট্টালিকা-আধুনিক ভাষাত স্কাই-স্ক্রেপাৰ নির্মাণ কৰা, এনেবোৰ বৈজ্ঞানিক কথা তেতিয়াই চিন্তা কৰি চিত্র আঁকিছিল লিওনার্ডো-দা-ভিন্সিয়ে। তেওঁৰ আগলৈকে পিন হ'ল কেমেৰাৰ সন্মুখৰ পিনে ফুটাটোহে আছিল, লেন্স নাছিল। ভিন্সিয়ে লেন্স লগাই কেমেৰাৰ ছবিবোৰ স্পষ্ট কৰি তুলিলে। ছবিত ব্যৱহাৰ কৰা চিয়াঁহী তেওঁ নিজেই তৈয়াৰ কৰিছিল। চিয়াঁহীবোৰ তেওঁ এনে ৰাসায়নিক প্রক্রিয়াৰে তৈয়াৰ কৰিছিল যে তেওঁৰ ছবিবোৰৰ উজ্জ্বলতা আজিও ম্লান পৰা নাই।

আমি বিজ্ঞানত জীৱাশ্ম শব্দটো সকলোৱে পাইছো। আজিকালি উদ্ভিদ বা প্রাণীৰ ক্রমবিকাশ জানিবলৈ হ'লে জীৱাশ্ম অধ্যয়ন অত্যন্ত জৰুৰী। লিওনার্ডো-দা-ভিন্সিয়েই জগতক প্রথমে জীৱাশ্ম সম্পর্কে জ্ঞান দিছিল। লিওনার্ডোই আৱিষ্কাৰ কৰিছিল উদ্ভিদৰ দেহ সুদীর্ঘকাল মাটিৰ তলত চাপ খাই থাকিলে চাপ আৰু তাপৰ প্রভাৱত সি শিললৈ ৰূপান্তৰিত হয়। চিকিৎসা বিজ্ঞানলৈ তেওঁ আগবঢ়োৱা বৰঙণিটো হ'ল শৰ ব্যৱচ্ছেদ। শৰীৰৰ অংগ প্রত্যংগসমূহৰ বিষয়ে খৰচি মাৰি জানিবলৈ শৰ ব্যৱচ্ছেদ অতিকৈ প্রয়োজনীয়। ভাৰতবর্ষ যদিও এই বিষয়ত আগবঢ়া, ইউৰোপত তেওঁকেই ইয়াৰ বাটকটীয়া বুলি ক'ব পাৰি।

বহুমুখী প্রতিভাৰ এই শিল্পী-বিজ্ঞানী-গৰাকীৰ মৃত্যু হয় ১৫১৯ চনত। তেওঁৰ নশ্বৰ দেহ যদিও আমাৰ মাজত আজি নাই তেওঁৰ অমৰ চিত্রসমূহ আৰু উৰাজাহজ আৰু চিকিৎসা বিজ্ঞানে তেওঁক বিশ্ববাসীৰ মাজত যুগজয়ী কৰি ৰাখিব। সত্য আৰু সৌন্দর্য্যৰ মাজত আমি যি আনন্দ অনুভৱ কৰোঁ, একমাত্র তাৰ সাধনাৰেই তেওঁ আমাক শক্তি যোগাই গ'ল।

Gauhati Mahavidyalaya Guwahati-17 Date: Dhekiajuli

ভেংকটৰমণ ৰামকৃষ্ণণ ঃ এটি সংক্ষিপ্ত আভাষ

২০০৯ চনত অইন দুজন সংগীৰ সৈতে ৰসায়ন বিজ্ঞানৰ নবেল বঁটা ভাৰতত জন্মগ্রহণ কৰা কিন্তু বর্তমান আমেৰিকাৰ নাগৰিক ভেংকটৰমণ ৰামকৃষ্ণণে লাভ কৰিছে। এয়া ভাৰতৰ কাৰণে নিশ্চয় গৌৰৱৰ কথা। ইয়াৰ আগেয়েও হৰগোবিন্দ খোৰাণা, চন্দ্রশেখৰ আদি ভাৰতত জন্মগ্রহণ কৰা কিন্তু পিছত আমেৰিকাৰ নাগৰিক হোৱা বিজ্ঞানীয়ে নিজৰ নিজ ক্ষেত্রত ন'বেল বঁটা লাভ কৰি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছিল। ডঃ ৰামকৃষ্ণণ এতিয়া ইংলেণ্ডৰ চিকিৎসা গৱেষণা পৰিষদৰ কেম্ব্রিজত থকা আণৱিক জৈৱবিজ্ঞান বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী।

৬৯ বছৰীয়া ডঃ ৰামকৃষ্ণণে তামিলনাড়ুৰ চিদাম্বৰম নামৰ মন্দিৰ নগৰীত জন্মগ্রহণ কৰে। ভাৰতীয় বংশোদ্ভৱ ন'বেলজয়ী বিজ্ঞানীৰ ভিতৰত তেওঁ সপ্তমজন। ১৯৫২ চনত জন্মগ্রহণ কৰা ভেংকটৰমণে ১৯৭১ চনত গুজৰাটৰ বৰোদা বিশ্ববিদ্যালয়ৰ পৰা পদার্থ-বিজ্ঞানত সন্মানসহ বি এছ চি ডিগ্রী লাভ কৰে। তাৰ পিছত উচ্চ শিক্ষাৰ বাবে তেওঁ আমেৰিকালৈ ঢাপলি মেলে। তাতেই তেওঁ আমেৰিকাৰ নাগৰিকত্ব গ্রহণ কৰে। এম এছ চি পাছ কৰাৰ পিছত তেওঁ অ'হিও' বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্রী লাভ কৰে। ১৯৭৬ চনৰ পৰা ১৯৭৮ চনলৈ তেওঁ কেলিফর্ণিয়া বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ ছাত্র হিচাপে অধ্যয়ন কৰে।

বিশ্ববিদ্যালয়ত থকা সময়ছোৱাত ডঃ ৰামকৃষ্ণণে ডঃ মউৰিচিয়ো মণ্টেলৰ তত্বাৱধানত গৱেষণাত লাগে আৰু এই গৱেষণাৰ কালছোৱাতে তেওঁৰ কর্মক্ষেত্র পদার্থ বিজ্ঞানৰ পৰা জৈৱবিজ্ঞানলৈ স্থানান্তৰিত হয়। ভেংকটৰমণৰ পুৰস্কাৰ পোৱা ক্ষেত্রখনৰ নাম হ'ল ৰহস্যপূর্ণ জীৱনদায়িনী ৰিবোচম।

ইয়েল বিশ্ববিদ্যালয়ৰ উত্তৰ ডক্টৰেল গৱেষক হিচাপে তেওঁ বিবোচমৰ শাখা-গোট এটাৰ নিউট্রন (পদার্থৰ পৰমাণুৰ ভিতৰত থকা এটা আধানহীন কণিকা) বিচ্ছুৰিত ক্ষেত্রলৈ অৱদান আগবঢ়ায়। বর্তমান ইংলেণ্ডৰ কেম্ব্রিজৰ আণৱিক জৈৱবিজ্ঞান শাখাৰ জ্যেষ্ঠ গৱেষক হিচাপে ডঃ ৰামকৃষ্ণণে শিক্ষা আৰু গৱেষণাৰ বিভিন্ন আলোচনী আৰু জার্ণালত অসংখ্য প্রৱন্ধ আৰু গৱেষণা-পত্র লিখি আছে।

'নেচাৰ' নামৰ পত্রিকাখন বিজ্ঞান আৰু বিজ্ঞানীসকলৰ বাবে এখন উচ্চ পর্যায়ৰ আলোচনী। এই পত্রিকাখনত ২০০০ চনৰে পৰা এতিয়ালৈ তেওঁৰ যথেষ্ট গৱেষণা পত্র প্রকাশ হৈছে।

উত্তৰ ডক্টৰেল কালছোৱাত তেওঁ আমেৰিকাৰ ব্রুকহেভেন ৰাষ্ট্রীয় গৱেষণাগাৰতো কিছু বছৰ কাম কৰে। তাত তেওঁ ষ্টিফেন হোৱাইট নামৰ আন এজন গৱেষকৰ সহযোগত বিবোচমৰ তিনিমাত্রিক গাঁথনি নির্ণয় কৰে। তাত তেওঁক গুগেনহেইম ফেলোশ্চিনো প্রদান কৰা হয়। ১৯৯৫ চনত ডঃ ৰামকৃষ্ণণে উটাহ বিশ্ববিদ্যালয়ত যোগদান কৰি অধ্যাপক হিচাপে নিয়োজিত হৈছিল। বর্তমান তেওঁ ইংলেণ্ডৰ কেম্ব্রিজৰ গৱেষণাগোটটোৰ মুৰব্বী গৱেষক।

SOS